1947 60 2007

এপ্রিল 2008 ■ Rs.15 /-

চান্দমামা

PARLE
Free!
PICHKARING
Hurry, collect them all!
ZORGI
DANZO
BRUTUS
CRUELLA
EVILOR
ZAARKO
ZEKE
GRUMPTY
Free pichkaring with
Parle Kreams worth Rs 10/-
PARLE
FREE PICHKARING
Kreams
ORANGE
everest/PARLE/180-08

CHANDAMAMA
CLASSICS and COMICS
Arya
Spend this summer with your favourite Companions.
Follow the adventures of the unknown **Prince Arya** with his forest friends.
Read the **legend of Garuda**, the invincible warrior.
Solve mysteries in the jungle with super sleuths, **Eli and Puli**, of the Detective Duo intelligence agency.
Garuda
Eli & Puli
ARYA
Get your copies NOW!
Available with vendors and leading bookstores.

চান্দমামা বৰ্ষ ৩২ এপ্ৰিল ২০০৭ সংখ্যা-৪

বিশেষ আকৰ্ষণ

স্বাৰ্থতেই আছে নিস্বাৰ্থ ভাৱ (বেতাল কাহিনী) ...১৯

গুজৰাতৰ এটা লোককাহিনী ...৩২

চিৰস্মৰণীয় ঐতিহাসিক ঘটনা-৭ ...৩৬

ৰামায়ণ ...৫৭

এই সংখ্যাত আছে

★ পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা...০৬
★ তিনটা সপোন ...০৭
★ অপৰাধ আৰু শাস্তি ...১১
★ ভয়ংকৰ ঘাটী-৩০ ...১৩
★ মই আটাইতকৈ বেছি ভালপোৱা কাহিনী-১০ ...২৬
★ মহান লোকৰ জীৱনৰ শিক্ষণীয় দিশ-২৮ ...৩০
★ বীৰবলৰ কাহিনী-৮ ...৪১
★ চান্দমামা কুইজ-৩ ...৪৫
★ শ্বান্তাৰ বিশ্ব ...৪৬
★ অলিম্পিক পৰিসংখ্যা ...৫০
★ জাতক কাহিনী ...৫২
★ সোনৰ কণী ...৬৩
★ অপৰাজেয় গৰুড়-২৫ ...৬৭
★ সংবাদ বিচিত্ৰা ...৭২
★ ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান ...৭৩
★ ফটো নামকৰণ প্ৰতিযোগিতা ...৭৪

সম্পাদকীয়
বি.নাগি ৰেড্ডী
আৰু চক্ৰপানি

অমৰ বাণী

যিজন ব্যক্তিয়ে কাৰ্য সাধনা বিচাৰে, তেওঁ লাগিলে বিচনাতে বাগৰে, তৰকাৰী বা সুন্দৰ চাউল খাওক, ফটাছিটা কাপোৰ পিন্ধে বা ৰেছমী কাপোৰ পিন্ধে, তেওঁ এইবোৰ সুখ দুখৰ কথা চিন্তা নকৰে।

শিক্ষা ব্যৱস্থাত এটা পৰিৱৰ্ত্তনৰ প্ৰয়োজনীয়তা

প্ৰতি বছৰে মাৰ্চ, এপ্ৰিল আৰু মেই এই তিনিটা মাহ ছাত্ৰ ছাত্ৰীসকলে যথেষ্ট মানসিক চাপৰ মাজেদি কটাবলগীয়া হয়। এইটোৱেই হ'ল বছৰৰ শেষত হোৱা পৰীক্ষাত দেখুওৱা ফলাফলৰ ওপৰত ভিত্তি কৰি তেওঁলোকৰ অধ্যয়নৰ বাৰ্ষিক মূল্যায়নৰ সময়। এইটো খুবেই স্বাভাৱিক কথা, ছাত্ৰ ছাত্ৰীসকলে নিজৰ সফলতা নিশ্চিত কৰিবলৈ আৰু সম্ভৱ হ'লে আনতকৈ ভাল ফলাফল দেখুৱাবলৈ ইচ্ছা কৰে।

কেৱল ছাত্ৰ ছাত্ৰীসকলেই নহয়, তেওঁলোকৰ মাক দেউতাক সকলেও এই দৌৰত ভাগ লয়, ইয়াৰ ফলত নিজৰ সন্তানে সমুখীন হোৱা কষ্ট আৰু মানসিক চাপৰ কথা তেওঁলোকে মনেই নকৰে। বিদ্যাৰ্থীসকল সমুখীন হয় সহপাঠীৰপৰা অহা হেঁচাৰ। ফলত, নিজে আশা কৰা মতে কাম কৰিব নোৱাৰিলে তেওঁলোকে চূড়ান্ত কাৰ্যব্যৱস্থা গ্ৰহণ কৰে। সফলতাৰ মাপকাঠি হ'ল পৰীক্ষাত পোৱা নম্বৰ আৰু ফাইনেলত পোৱা গ্ৰেড। প্ৰতিজন বিদ্যাৰ্থীয়ে প্ৰতিটো বিষয়তে সৰ্বোচ্চ নম্বৰ পাব বুলি আশা কৰিব নোৱাৰে। তেওঁলোকে আমাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড.এ.পি. জে আব্দুল কালামে কোৱা এইকেইটা কথালৈ কাণ দিয়া উচিত। তেওঁৰ মতে, "নম্বৰ হ'ল এটা নিৰ্দিষ্ট বিষয়ত লাভ কৰা জ্ঞানৰ সাধাৰণ ইঙ্গিত বহনকৰোতাহে, ই চৰিত্ৰৰ জোখ নহয়। ভাল নম্বৰৰ লগত ভাল নৈতিক প্ৰমূল্য আৰু ভাল ব্যৱহাৰ থাকিবই লাগিব, যিখিনি তোমালোকক লাগিব নিজকে এজন দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তুলিবলৈ।" চৰিত্ৰৰ ওপৰত তেখেতে দিয়া গুৰুত্বৰ কথা মন কৰাচোন।

ছাত্ৰ ছাত্ৰীৰ বাৰ্ষিক মূল্যায়নৰ সময়ত পৰীক্ষাত দেখুওৱা দক্ষতা এটা অংশ যদিও চূড়ান্ত গ্ৰেড প্ৰদান কৰাৰ সময়ত সামগ্ৰিক ব্যক্তিত্ব বিকাশৰ আন কিছুমান দিশো বিবেচনা কৰিবলগীয়া থাকে। সেয়েহে ছাত্ৰ ছাত্ৰীক শিক্ষকসকলে সহায় কৰিব লাগে যিবোৰৰ দ্বাৰা তেওঁলোকে নিজকে দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তুলিব পাৰে। এই দিশত আমি পাছ পৰি থাকিলে, আমি অনুসৰণ কৰা শিক্ষা নীতিকে সম্ভৱ আমি ইয়াৰ বাবে জগৰীয়া কৰিব লাগিব। স্বাধীনতাৰ ৬০ বছৰৰ পাছতো সময়ৰ সৈতে ই সলনি নহ'ল। বাঢ়ি অহা প্ৰজন্মৰ কল্যাণৰ বাবে আমি এতিয়াও আমাৰ কষ্টোপাৰ্জিত স্বাধীনতাৰ সুপ্ৰয়োগ কৰিব পৰা নাই।

সম্পাদক : বিশ্বম

Visit us at : http://www.[illegible]

চান্দমামা

Editor, Publisher : B. Viswanatha Reddi (Viswam)
Chief Executive Officer : L. Subramanyan
Editorial Advisors : Ruskin Bond, Manoj Das
Consultant Editor : K. Ramakrishnan
Artists: K.C. Sivasankaran (Sankar)
Gandhi Ayya, P. Mahesh
Layout Design: R. Sudha
Assistants: D. Revathy, B.A. Hemalata Malini
Research : R. Vaasugi

CIRCULATION TEAM :
Chennai : T N Ravi Shankar, National Sales Manager
Mobile +91 99620 70014
email: ravishankar.tn@chandamama.com
Mumbai : Rajendra K Jadhav, Asst. Manager - Circulation
Mobile +91 9271720669
CHANDAMAMA INDIA LTD., B-3, Lunic Industry
Opp. State Bank of India, Near Police Station Cross Road
No.6, MIDC Andheri (East), Mumbai-400093
Phone +91 22 28312872 / 28311849
email: rajendra.jadhav@chandamama.com
New Delhi : Sushil Sharma, Circulation Manager-North
Mobile +91 98719 30767
CHANDAMAMA INDIA LTD., Goyal Business Centre,
C-23/2 First floor, Connaught Place, New Delhi-110001
Bangalore : P. Murali, Asst. Circulation Manager -Karnataka
Mobile +91 94488 36952
CHANDAMAMA INDIA LTD., 18, 10th Cross, Mayura Street
Papanna Lay Out, Outer Ring Road, RMV 2nd Stage
Bangalore-560094, Phone +91 80 6655 1000
email:murali.p@chandamama.com
Kolkata : Ananth Prakash, Circulation Manager-East
Mobile +91 98351 82202
email : ananth.prakash@chandamama.com
Advertisement : email : sales@chandamama.com
Online and Interactive : Surajit Agarwal
Mobile +91 99620 70015
email: surajit.agarwal@chandamama.com
Head Office : CHANDAMAMA INDIA LTD.,
JVL Plaza, Block-A, 6th Floor, 626, Anna Salai, Teynampet
CHENNAI-600018, Phone +91 44 2432 2101/02,
Fax +91 44 2432 2103
email : chandamama@chandamama.com
Website : www.chandamama.com

শুল্ক :

ভাৰতত বুক প'ষ্টৰদ্বাৰা বাৰটা সংখ্যা ১৮০ টকাত। এই ধনৰাশি **'চান্দমামা ইণ্ডিয়া লিমিটেডৰ'** নামত ডিমাণ্ড ড্ৰাফ্‌ট বা মণি অৰ্ডাৰ হিচাপে পঠিয়াওক।

পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা

পুৰস্কৃত পত্ৰ

মোৰ বয়স ৩০ বছৰ। মোৰ শৈশৱ পাৰ হৈছে *চান্দমামাৰ* সৈতে। দেউতাই কোৱা মতে তেওঁও শৈশৱৰেপৰা *চান্দমামা* পঢ়ি আহিছে। কিন্তু যোৱা ১৭ বছৰ ধৰি মই *চান্দমামাৰ*-পৰা দূৰত আছিলো। এদিন পুৰণি কিতাপবোৰ চাই থাকোতে *চান্দমামাত* হাত পৰিল। মোৰ এনেহে লাগিল যেন মই মোৰ পৰিয়ালৰ এজন সদস্যক ইমানদিনে হেৰুৱাই আছিলো। মই নেটত চাৰ্চ কৰিলো আৰু *চান্দমামাৰ* লগত পুনৰায় সম্পৰ্ক স্থাপন কৰিলো।

এতিয়া দেউতা, মই আৰু মোৰ সাত বছৰীয়া ছোৱালী তিনিও লগ লাগি *চান্দমামা* পঢ়ো। এনেহে লাগে যেন *চান্দমামা* অহাৰ লগে লগে আমাৰ পৰিয়ালটো সম্পূৰ্ণ হৈ উঠিছে। মোৰ মতে *চান্দমামা* সম্পূৰ্ণ ভাৰতৰ আৰু সমস্ত ভাৰতবাসীৰ একমাত্ৰ আলোচনী, যিখন সকলো শিশু আৰু ডাঙৰৰ মাজত সমানে জনপ্ৰিয়।

- *কনৱলজিৎ সিঙ কুটী, পাঞ্জাব*

শৈশৱৰেপৰা মই কাহিনী আৰু আলোচনা পঢ়ি ভাল পাই আহিছো। মই *চান্দমামাৰ* এজন পাঠক। তৃষ্ণাতুৰ মানুহে যেনেকৈ পানী দেখি আনন্দ পায়, তেনেকৈ *চান্দমামা* দেখিলে মোৰ আনন্দ লাগে। এটা ভাল খাদ্যৰ যেনেকৈ আটাইবোৰ সোৱাদ থাকে, *চান্দমামাতো* থাকে বিভিন্ন কাহিনী আৰু আন প্ৰবন্ধ। *চান্দমামাই* একেসময়তে পাঠকক বিনোদন দিয়ে, জ্ঞান প্ৰদান কৰে আৰু ইয়াৰ প্ৰতিটো দিশেই আকৰ্ষণীয়।

- *ৰাজকুমাৰ আৰ্থ, আজমীৰ*

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

তিনিটা সপোন

গোকৰ্ণিৰ ৰজা মণিকৰ্ণ বৰ ধাৰ্মিক আৰু পুণ্যাত্মা আছিল। সাধু সন্ন্যাসীৰ প্ৰতি তেওঁ অভাৱনীয় আদৰ ভাৱ প্ৰদৰ্শন কৰিছিল। তেওঁ প্ৰায়েই মহান যোগীসকলক সাক্ষাৎ কৰি তেওঁলোকৰ আশীৰ্বাদ লাভ কৰিছিল। ৰাজধানীলৈ অহা সকলো সাধু সন্ন্যাসীক তেওঁ আদৰ সন্মান কৰি আতিথ্য প্ৰদান কৰিছিল।

এবাৰ জটাধাৰী নামৰএজন সন্ন্যাসী ৰাজভৱনলৈ আহিল। ৰজাই যথাৰীতি তেওঁক স্বাগতম জনালে আৰু সাষ্টাংগে প্ৰণিপাত কৰিলে। ৰজাৰ বিনয়পূৰ্বক ব্যৱহাৰ দেখি তেওঁ খুব সন্তুষ্ট হ'ল আৰু তেওঁ ৰজাক বহুতো আধ্যাত্মিক কথা ক'লে। ৰাজভৱনৰ-পৰা যোৱাৰ আগতে তেওঁ ৰজাক ক'লে, "ৰাজন, তোমাক এটা গুৰুত্বপূৰ্ণ কথা ক'ব খুজিছো। আজি ৰাতিৰেপৰা আৰম্ভ কৰি তুমি একেৰাহে তিনিৰাতি তিনিটা দুঃস্বপ্ন দেখিবা। সাৱধানে থাকিবা। অন্যথা তোমাৰ বিপদ হ'ব," এইবুলি কৈ তেওঁ গুচি গ'ল।

এই কথা শুনি ৰজাই বৰ ভয় খালে। তেওঁ তৎক্ষণাৎ মন্ত্ৰীসকলক মতাই আনি কথাটো ক'লে, তেতিয়া বিবেকবৰ্ধন নামৰ মন্ত্ৰীজনে ক'লে, "জটাধাৰীয়ে আপোনাক এইবুলি কৈছে যে এই দুঃস্বপ্নবোৰ আপুনি ৰাতিৰ সময়তহে দেখিব। সেয়েহে আপুনি দিনত শুই থাকক। তেতিয়া এই বেয়া সপোনবোৰ দেখাৰ অৱকাশেই নাথাকিব। এইদৰে দুঃস্বপ্ন ৰপৰা আহিব পৰা বিপদৰপৰাও আপুনি বাচি যাব পাৰিব।"

ৰজাই এই পৰামৰ্শ ভাল পালে। তেওঁৰ সংগীত, দবাখেল আৰু আধ্যাত্মিকতাৰ প্ৰতি অত্যধিক ৰুচি আছিল। বাকী সকল মন্ত্ৰীয়েও পৰামৰ্শ দিলে যে এইবোৰৰদ্বাৰাই ৰজাই সময় পাৰ কৰক, যাতে তেওঁৰ টোপনি নাহে।

ৰজাই প্ৰথম ৰাতিটো দবা খেলি পাৰ কৰিবলৈ ঠিক কৰিলে। দবাখেলত পাৰ্গত লোকসকলক মাতি পঠিওৱা হ'ল। ৰাতি-

শিৱৰাজ

মেঘৰ টুকুৰাই ৰজাৰ পিছ ল'বলৈ এৰা নাই। তেনেতে ৰজা সাৰ পাই উঠিল।

তৃতীয় ৰাতি তেওঁ যেতিয়া ধাৰ্মিক আৰু আধ্যাত্মিক বিষয়বোৰ লৈ কথা পাতি আছিল তেতিয়া তেওঁৰ পাতলীয়া টোপনি আহিল। এইবাৰ এটা ভয়ংকৰ সিংহ সপোনত তেওঁৰ ওপৰত জঁপিয়াই পৰা দেখা গ'ল। তেওঁ এক কুণ্ডত জঁপিয়াই দিলে। কুণ্ডৰ পানী ৰঙা ৰঙৰ আছিল।

তেনেতে যুৱৰাণী মণিমেখলাক তাত দেখা গ'ল আৰু তেওঁ দেউতাকক এই কুণ্ডৰপৰা উলিয়াই আনিলে। তেনেতে ৰজাৰ চকু মেল খালে।

ৰাতিপুৱাই ৰজাই মন্ত্ৰীসকলক মতাই আনি নিজে দেখা সপোনসমূহৰ কথা ক'লে। মন্ত্ৰীসকলে তৎক্ষণাৎ এজন সাপধৰা মানুহ মতাই আনিলে, যি মন্ত্ৰশক্তিৰে সৰ্প দংশনৰ বিষ নোহোৱা কৰিব পাৰে। তেওঁ মহাৰাজক পৰামৰ্শ দিলে যে তেওঁ যাতে চিকাৰ কৰিবলৈ অৰণ্যলৈ নাযায় আৰু ৰাজভৱনতে থাকে। অন্তেষপুৰত থকা সকলোকে সাৱধান কৰি দিলে। তথাপি মহাৰাজৰ ভয় দূৰ নহ'ল।

সেই সময়তে শিৱ নামৰ এজন যুৱকে মহাৰাজক দৰ্শন কৰিলে আৰু ক'লে, "ৰাজন, মই বৰ বুদ্ধিয়ক। কিন্তু কোনেও মোৰ বুদ্ধিমত্তাক মানি ল'ব নোখোজে। অন্ততঃ আপুনি মোৰ বুদ্ধিমত্তাক স্বীকৃতি দিয়ক, নহ'লে মই হিমালয় পৰ্বত মালালৈ যামগৈ।"

তেওঁৰ কথা শুনি ৰজাই ভাবিলে এওঁ নিশ্চয় কোনোবা পাগল, মুখত যি আহিছে তাকে কৈছে। তাৰপাছত ৰজাই আকৌ

পুৱালৈকে তেওঁ দবা খেলি থাকিল। কিন্তু ৰাতিপুৱাৰ আগে আগে ৰজাৰ খন্তেক সময়ৰ বাবে চকুদুটা জাপ খাই আহিল।

সেই তন্দ্ৰাৰ সময়তে ৰজাই এটা সপোন দেখিলে। ৰজা এখন হাবিত আছিল। এটা সাপে মহাৰাজক দেখিয়েই ফুচফুচাই তেওঁৰ ওচৰলৈ দৌৰি আহিল। ৰজাৰ গোটেই শৰীৰ ঘামেৰে তিতি গ'ল, তেনেতে তেওঁ সাৰ পালে।

তাৰ পাছদিনা ৰজাই ঠিক কৰিলে যে তেওঁ আজি সংগীত শুনি ৰাতিটো পাৰ কৰিব। মধুৰ সংগীত শুনি শুনি কেইটামান ক্ষণৰ বাবে তেওঁৰ চকু জাপ খাই আহিল। সেই সময়ত তেওঁ সপোন দেখিলে যে আকাশৰপৰা এটুকুৰা প্ৰকাণ্ড ঢেৰেকনি তেওঁৰ ওপৰতে পৰিবলৈ আহি আছে। তাৰপৰা বাচিবলৈ তেওঁ ইফালে সিফালে পলাইছে। তথাপি সপোনত সেই

ভাবিলে, কিজানিবা তেওঁ সঁচাই খুব বুদ্ধিয়ক, এওঁৰ কিবা অভাৱনীয় শক্তি আছে। তাকে ভাবি ৰজাই জটাধাৰীয়ে কোৱা তিনিওটা সপোনৰ কথা ক'লে।

গোটেই কথাখিনি জানি উঠি কিছু সময় চিন্তা কৰি শিৱই ক'লে, "মহাৰাজ, যোগী, সন্ন্যাসী আদি দেৱজ্ঞ হয়। তেওঁলোকৰ মুখৰপৰা ওলোৱা কথা কেতিয়াও ব্যৰ্থ নহয়। কিন্তু তেওঁলোকৰ কথাত ৰহস্য আৰু গূঢ়াৰ্থ নিহিত হৈ থাকে। আপুনি দেখা তিনিটা সপোন মই বিশ্লেষণ কৰি তাৰ সমাধানৰ কথাও ক'ব পাৰিম। প্ৰথমতে দুটা সপোন বিশ্লেষণ কৰিম। তাত যদি আপোনাৰ দৃষ্টিত বাস্তৱিকতা থাকে তেন্তে তৃতীয় সপোনটো বিশ্লেষণ কৰিম।

"ঠিক আছে, নিশ্চয় কোৱা। পলম কৰিবলৈ আছে কিটো?" মহাৰাজে ক'লে।

"মহাৰাজ, প্ৰথমটো সপোনত আপুনি দেখিলে এখন জংঘল আৰু জংঘলত এটা সাপ। সৰ্প প্ৰতিকাৰৰ প্ৰতীক, সংকেত। এই সপোনৰ অৰ্থ হ'ল কোনোবাই আপোনাৰ পৰা প্ৰতিকাৰ ল'ব খুজিছে আৰু তেওঁ সুযোগৰ অপেক্ষাত আছে। এতিয়া আহিল ঢেৰেকণিৰ কথা। ঢেৰেকণি হঠাতে পৰে। তাৰ অৰ্থ হ'ল কিবা অপ্ৰত্যাশিত ঘটনা ঘটিব পাৰে। ঢেৰেকণিয়ে আপোনাৰ পিছ লৈছে যদি তাৰ অৰ্থ হ'ল এইটোৱেই যে যি দুৰ্ঘটনা ঘটিবলগীয়া আছে, সেই দুৰ্ঘটনাৰ লক্ষ্য হ'ল আপুনি নিজে।"

ৰজাই শিৱৰ বুদ্ধিমত্তা বিশ্বাস কৰিলে। কিয়নো তেওঁৰ বিশ্লেষণ বুদ্ধিসন্মত আৰু যুক্তিসংগত আছিল। ৰজাৰ আদেশ অনুসাৰে শিৱক থকাৰ প্ৰয়োজনীয় ব্যৱস্থা কৰি দিয়া

হ'ল। শিৱই দাঙি ধৰা বিশ্লেষণৰ ওপৰত খুব চিন্তা কৰি ৰজাৰ এটা বিষয়ৰ ওপৰত দৃষ্টি নিবদ্ধ হ'ল। অলপতে ৰাজ্যত ডকাইতৰ সংখ্যা বাঢ়ি গৈছিল, সেয়েহে ৰজাই ইয়াত বাধা দিবলৈ প্ৰয়োজনীয় ব্যৱস্থা লৈছিল। তেওঁ অনুভৱ কৰিলে ডকাইতহঁতৰ চৰ্দাৰ ভৈৰৱে তেওঁক মাৰি পেলাব খুজিছে।

এতিয়া ৰজাই আটাইবোৰ ডকাইতক গ্ৰেপ্তাৰ কৰোৱালে যাৰ ভিতৰতে ভৈৰৱো আছিল। তাক সোধপোছ কৰি গম পোৱা গ'ল, ভৈৰৱে ৰজাৰ শয়নকক্ষলৈ বিষাক্ত সৰ্প পঠিয়াবলৈ ষড়যন্ত্ৰ কৰিছিল যাতে ৰজাক শেষ কৰি দিব পৰা যায়। ভৈৰৱে এই অপৰাধ স্বীকাৰ কৰিলে।

এইদৰে প্ৰমাণ হ'ল ৰজাই দেখা প্ৰথমটো সপোনৰ শিৱই দাঙি ধৰা বিশ্লেষণ শতকৰা

এশ ভাগেই সঁচা। ৰজা বৰ সুখী হ'ল। দ্বিতীয় সপোনৰ সৈতে সম্পৰ্ক থকা কথাবোৰ জানিবলৈ ৰজাই চাৰিওদিশতে গুপ্তচৰ প্ৰেৰণ কৰিলে।

দুদিনৰ পাছত এজন গুপ্তচৰে আহি ক'লে, "সিংহপুৰীৰ ৰজা বিক্ৰমসেনে আমাৰ ৰাজ্যৰ ওপৰত আক্ৰমণ চলাব খুজিছে।"

শিৱৰ কথাত আচৰিত ৰজাই তেওঁক মাতি পঠিয়ালে আৰু সুধিলে, "মোতকৈয়ো অধিক বলৱান বিক্ৰমসেনৰ মুখামুখি হোৱা যায় কেনেকৈ?" "তাৰ পৰিষ্কাৰ সমাধান আপোনাৰ তৃতীয় সপোনটোতে আছে," শিৱই ক'লে।

"কেনেকৈ?" মহাৰাজে সুধিলে।

"মহাৰাজ আপুনি সপোনত যিটো সিংহ দেখিলে, সেইটো সিংহপুৰীৰ ৰজা বিক্ৰমসেন। আপুনি তেজৰঙা কুণ্ডত পৰি যোৱাটো ৰক্তপাতৰ সংকেত। যুৱৰাণীয়ে আপোনাক সেই কুণ্ডৰপৰা উঠাই আনি ৰক্ষা কৰিলে। সেই যুৱৰাণীয়েই আপোনাক এই বিপদৰপৰা ৰক্ষা কৰিব পাৰে," শিৱই ক'লে। "সেইটো কেনেকৈ সম্ভৱ?" মহাৰাজে নিজৰ সন্দেহ ব্যক্ত কৰিলে।

"সিংহপুৰীৰ ৰজাৰ এজন সাবালক পুত্ৰ আছে। তেওঁলৈ যুৱৰাণীক বিয়া দিব পাৰিলে যুদ্ধৰ কথা নুঠে।" শিৱই স্পষ্টভাৱে ক'লে।

ৰজা মণিকৰ্ণই শিৱৰ কথাত লুকাই থকা বাস্তৱিকতাৰ উমান পালে। তেওঁ পিছদিনাই নিজ কন্যাৰ ছাঁয়াচিত্ৰ বিক্ৰমসেনলৈ পঠিয়ালে আৰু চিঠি লিখিলে, "আপুনি সন্মতি দিয়ে যদি মোৰ কন্যাই আপোনাৰ বোৱাৰী হোৱাৰ সৌভাগ্য লাভ কৰিব পাৰে। সেইটো মোৰ একান্ত ইচ্ছা।"

মণিমেখলাৰ অদ্ভুত সৌন্দৰ্য দেখি মুগ্ধ হোৱা সিংহপুৰীৰ যুৱৰাজে এই প্ৰস্তাৱ সহজেই মানি ল'লে। এতিয়া বিক্ৰমসেনে গোকৰ্ণিক ৰাজ্য আক্ৰমণৰ পৰিকল্পনা বাদ দিলে আৰু নিজৰ পুতেকৰ বিয়াৰ যা যোগাৰ কৰিবলৈ ধৰিলে। তাৰপাছত ধুমধামেৰে পুতেকৰ বিয়া পতা হ'ল।

শিৱই ৰজাৰ তিনিওটা সপোনৰ অৰ্থ খুব সুন্দৰভাৱে বিশ্লেষণ কৰিলে। সেয়েহে ৰাজ্যখন ডাঙৰ বিপদৰপৰা ৰক্ষা পৰিল। ৰজাই শিৱৰ বুদ্ধিমত্তাৰ ভূয়সী প্ৰশংসা কৰিলে আৰু ৰজাই তেওঁক নিজৰ আন্তৰিক পৰামৰ্শদাতা পদত নিযুক্তি দিলে।

অপৰাধ আৰু শাস্তি

কটোৱাল সংগমেশ্বৰে এদিন আবেলি ঘোঁৰাত উঠি নগৰৰ গলিবোৰত ঘূৰি ফুৰিছিল আৰু তেতিয়া তেওঁ হঠাতে দেখিলে এঠাইত চাৰিজন লোকে এজন যুৱকক মাৰপিত কৰিছে। তেওঁ মানুহকেইজনক সুধিলে, "এওঁক মাৰিছা কিয়?"

"এওঁ পৰমেশ্বৰ শেঠৰ দোকানত চুৰি কৰিছিল।" তাৰে এজনে ক'লে।

"চুৰি কৰিলেই কাৰোবাক মাৰপিত কৰাৰ অধিকাৰ তোমালোকক দিলে কোনে?" কটোৱালে সুধিলে।

"চুৰি এটা অপৰাধ। সেয়েহে আমি এওঁক মাৰিছো," এজনে সৰু মাতেৰে ক'লে।

"অপৰাধীক প্ৰহৰীৰ হাতত গতাই দিব লাগে। বিচাৰ চলা উচিত। অপৰাধ প্ৰমাণ হ'লে শাস্তি হ'ব। ন্যায়াধিকাৰীৰ কাম তোমালোকে কৰিবা কেনেকৈ?" এইবুলি কৈ কটোৱালে প্ৰহৰীহঁতক মতাই অপৰাধীৰ লগতে সেই চাৰিজন মানুহকো থানালৈ লৈ যাবলৈ আজ্ঞা দিলে। পিছদিনা কটোৱালে ন্যায়াধিকাৰীৰ সমুখত সেই চাৰিজন মানুহক থিয় কৰালে।

ন্যায়াধিকাৰীয়ে সুধিলে, "তোমাৰ নাম কি?" "বীৰ," যুৱকে উত্তৰ দিলে।

"তোমাৰ বিৰুদ্ধে অভিযোগটো হ'ল তুমি পৰমেশ্বৰ শেঠৰ দোকানৰপৰা চাউলৰ এটা বস্তা চুৰি কৰিছা। কথাটো সঁচানে?" ন্যায়াধিকাৰীয়ে সুধিলে।

"মহোদয়, মই এসপ্তাহ ধৰি পৰমেশ্বৰৰ চৌহদৰ দেৱাল বনোৱাৰ কাম কৰিছিলো। মই কামটো হাতত লোৱাৰ আগতে তেওঁ কৈছিল যে এসপ্তাহৰ কামৰ অন্তত চাউলৰ এটা বস্তা তেওঁ মোক দিব। সেয়েহে মই এই কাম সম্পূৰ্ণ কৰিলো। তাৰ মাজতে তেওঁ ক'লে, "পিছফালে থকা কুঁৱাটোৰ চাৰি-ওফালৰ দেৱাল ভাঙি তাৰ ঠাইত নতুন দেৱাল বনাই দিয়া। সেই কাম কৰিবলৈ তোমাক দুদিন লাগিব।" মই তেওঁক ক'লো যে নিজৰ গাঁৱলৈ গৈ মই দুদিনৰ ভিতৰতে ঘূৰি আহিম আৰু মই যিখিনি কাম

বাণীশ্ৰী

কৰিলো তাৰ মজদুৰী হিচাপে পূৰ্ব প্ৰতিশ্ৰুতি অনুসাৰে মোক যাতে এবস্তা চাউল দিয়া হয়।

"পৰমেশ্বৰে চাউলৰ বস্তাটো দিবলৈ অস্বীকাৰ কৰিলে। যেতিয়া মই দোকানৰপৰা এবস্তা চাউল লৈ যাবলৈ ওলালো তেতিয়া তেওঁ চোৰ, চোৰ বুলি চিঞৰিবলৈ ধৰিলে। এওঁলোক চাৰিওজনে মোক মাৰপিত কৰি থাকোতে কটোৱালে আহি মোক বচালেহি।" বীৰে নিসংকোচে ক'লে।

"পৰমেশ্বৰ শেঠ, বীৰে কোৱা কথাখিনি তুমি নিশ্চয় শুনিছা। তেওঁ কোৱা কথাখিনি সঁচানে বাৰু?" ন্যায়াধিকাৰীয়ে সুধিলে।

"তেওঁ এবস্তা চাউল চুৰ কৰাটো সঁচা," পৰমেশ্বৰে ক'লে।

"তেওঁ এসপ্তাহৰ বাবে তোমাৰ বাবে কাম কৰিলে আৰু তুমি এই কামৰ বাবে পাৰিশ্ৰমিক দিবলৈ অস্বীকাৰ কৰিলা। সেইটো তুমি ভুল কাম কৰা নাইনে?" ন্যায়াধিকাৰীয়ে সুধিলে।

"মই নিদিওঁ বুলিতো কোৱা নাছিলো। কেৱল কৈছিলো যে কাম সম্পূৰ্ণ হ'লেহে পাৰিশ্ৰমিক দিয়া হ'ব।"

"তেওঁক প্ৰথমতে যিটো কাম দিয়া হৈছিল সেইটো তেওঁ কৰিলে। কিন্তু নিজে দিয়া প্ৰতিশ্ৰুতি অনুসাৰে তুমি তেওঁক চাউলৰ বস্তাটো নিদিলা। সেইটো নিশ্চয় তোমাৰ অপৰাধ।" ন্যায়াধিকাৰীয়ে বীৰক ক'লে, "পৰমেশ্বৰে নিজৰ প্ৰতিশ্ৰুতি অনুসাৰে তোমাক চাউলৰ বস্তা দিয়া নাছিল। তেতিয়া তুমি কটোৱালক গোচৰ দিব লাগিছিল। তেওঁক দাবী ধমকি দি তুমি চাউলৰ বস্তাটো লৈ গ'লা। সেইটো তোমাৰ অপৰাধ হৈছে। তুমি নিজৰ গাঁৱলৈ যোৱা আৰু ঘূৰি আহি সেই কুঁৱাৰ দেৱাল বনাই দিয়াহি। তেতিয়া তুমি এবস্তা চাউল আৰু দহটা সোণৰ মুদ্ৰা পৰমেশ্বৰৰপৰা পাবা।"

বীৰে এই ৰায় মানি ল'লে। পিছত ন্যায়াধিকাৰীয়ে ক'লে, "পৰমেশ্বৰে 'চোৰ চোৰ' বুলি চিঞৰিলে কিয়? এওঁলোক চাৰি-ওজনে প্ৰকৃত কথাটো নজনাকৈ বীৰক মাৰিছিল কিয়? এই অপৰাধৰ বাবে এওঁলোক চাৰিওজনে এসপ্তাহৰ বাবে কাৰাবাস খাটিব লাগিব। এনেদৰে মানুহে যদি আইন নিজৰ হাতত তুলি লয় তেন্তে ন্যায় ব্যৱস্থাই ভাঙি পৰিব।"

ন্যায়াধিকাৰীৰ ৰায় শুনি উপস্থিত সকলোৱে হাতচাপৰি বজালে।

ভয়ংকৰ ঘাটী

30

(গৰুড়মুখীয়া চৰ্দাৰৰ মানুহবোৰে কেশৱ আৰু তাৰ লগৰীয়াহঁতক বিচাৰি পালে। কিন্তু সেইদিনা ৰাতি কেশৱ থকা তম্বুলৈ আহিল বিড়ালী আৰু শ্ৰাণকৰ্ণী গোটৰ দুজন জংঘলী মানুহ। তম্বুৰ সমুখত আছিল জিত আৰু শক্তিবাৰ্মা। তেওঁলোকে মানুহ দুজন ধৰিব পাৰিলে। 'ৰ'বা' বুলি চিঞৰি মাৰি মানুহজনৰ ফালে আগ বাঢ়ি গ'ল। তাৰ পাছত...)

শক্তিবাৰ্মাক তৰোৱাল লৈ আগ বাঢ়ি যোৱা দেখি জিতবাৰ্মায়ো তৰোৱাল উলিয়াই জংঘলী মানুহ দুজনক আগ ভেটি ধৰিলে। কিন্তু দুয়ো জংঘলী মানুহে নিজৰ হাতেৰে সিহঁতক আঁতৰাই ক'লে, "চিঞৰ বাখৰ নকৰিবা। গৰুড়মুখীয়া চৰ্দাৰে ইহঁত তিনিওকে লৈ যাবলৈ কৈছে। ওচৰৰ তম্বুতে আছে ব্ৰহ্মদণ্ডী তান্ত্ৰিক আৰু সেই পেটুৱা। সিহঁতে এই কথা জনা অনুচিত।"

জিত আৰু শক্তিবাৰ্মাই ইজনে সিজনৰ মুখলৈ চাবলৈ ধৰিলে। শক্তিবাৰ্মাই ক'লে, "যদি চৰ্দাৰে তিনিও হত্যাকাৰীক নিজৰ ওচৰলৈ মাতি পঠিয়াইছে, তেন্তে মোৰ কোনো আপত্তি নাই। কিন্তু তোমালোকৰ চেহেৰা পাতি দেখি ভাব হৈছে যে তোমালোক পাখিলগা মানুহৰ জাতিৰ নহয়, কিয়?" শক্তিবাৰ্মাই এনেকৈ কোৱাৰ লগে লগে দুই জংঘলী মানুহৰ এজনে ক'লে, "আমি এটা বিশেষ উদ্দেশ্যেৰে জংঘলী মানুহৰ মুখা পিন্ধি আছো। তোমালোকে নিজৰ কামলৈ মন দিয়া



ব্ৰহ্মদণ্ডীয়ে গম পাইছে। এতিয়া আমি ইয়াৰপৰা পলাই যোৱাই উচিত হ'ব।" জয়মল্লই ক'লে আৰু তম্বুত সি যিমান অস্ত্ৰ শস্ত্ৰ দেখা পালে, সেই আটাইবোৰ উঠাই ল'লে। ইয়াৰ মাজতে, ব্ৰহ্মদণ্ডী আৰু স্থূলকায়ে ডাঙৰ ডাঙৰকৈ চিঞৰিবলৈ ধৰিলে, "সেই তিনিও দুষ্ট জিত আৰু শক্তিবাৰ্মাক মাৰি পলাই যাব খুজিছে। গৰুড়মুখৰ চৰ্দাৰ উঠা, তম্বু ঘেৰি লোৱা।"

এই কথা শুনাৰ লগে লগে জয়মল্লই তম্বুৰ দ্বাৰৰ ওচৰত ৰৈ জংঘলীহঁতক ক'লে, "তোমালোক ভিতৰলৈ আঁহোতেই মই গম পাইছিলো তোমালোক কোন? আমি আগতে তোমালোকক বিড়ালী আৰু শ্ৰাণকৰ্ণীৰ লগত দেখিছিলো। কিন্তু তোমালোকক ইয়ালৈ পঠিয়ালে কোনে? বিড়ালী আৰু শ্ৰাণকৰ্ণীয়ে গম পাইছে নেকি যে আমি পাখিলগা মানুহৰ মাজত আবদ্ধ হৈ পৰিছো?"

এজন জংঘলীয়ে ক'লে, "আপোনালোকৰ পাছে পাছে গুহালৈ আমিও আহি আছিলো। আমি দেখা পালো যে আপোনালোক পাখিলগা মানুহৰ বেহুত বন্দী হৈছে। বিড়ালী আৰু শ্ৰাণকৰ্ণীয়ে সেয়েহে আমাক পঠিয়াইছে।" জয়মল্লই সুধিলে, "এতিয়া কি কৰা যায়? তোমালোকৰ মানুহবোৰে ডাঙৰ সেনাবাহিনী গঠন কৰি যুদ্ধ কৰিবলৈ আহি আছে নেকি?"

"নাই, তেনেকুৱা কোনো কথা চলা নাই, আমাক এইকথা জানিবলৈকে পঠিয়াইছে যে আপোনালোক কি অৱস্থাত আছে?" এজন জংঘলী মানুহে ক'লে।

কেশৰ তম্বুৰপৰা বাহিৰ ওলাল, ব্ৰহ্মদণ্ডী থকা ঠাইৰ ফালে এবাৰ চালে। জয়মল্লক কেশৰে কিবা ক'ব খুজিছেহে, স্থূলকায়ে

আৰু আমাৰ ৰাস্তা এৰি দিয়া।" এইবুলি কৈ তেওঁ আগ বাঢ়িবলৈ ধৰিলে।

জিতবাৰ্মাই জংঘলীহঁতৰ কথা বিশ্বাস কৰিব নোৱাৰিলে। তেওঁ তৰোৱাল লৈ মানুহ দুজনৰ ফালে দৌৰিবলৈ লওঁতেই কেশৰে পিছফালৰপৰা তেওঁ দুয়োটা ভৰি টানি ধৰিলে আৰু তেওঁ ধমৰকৈ মাটিত পৰি গ'ল। তৎক্ষণাৎ জংঘলী গোমাংগই শক্তিবাৰ্মাক ধৰি আগলৈ গতিয়াই দিলে।

জয়মল্লই এডাল ৰছী আনি দুয়োৰে পিছফালে থিয় হৈ ক'লে, "চিঞৰ বাখৰ কৰিলে দুয়োকে সিপুৰী পোৱামগৈ। তোমালোক দুয়ো মুখ বন্ধ কৰি এনেকৈ পৰি থাকা, যেন তোমালোক মৰিলাহে।" এইবুলি কৈ জয়মল্লই ৰছীৰে দুয়োৰে হাত বান্ধি দিলে। তেনেতে ওচৰৰ তম্বুটোৰপৰা ব্ৰহ্মদণ্ডী তান্ত্ৰিকৰ মাত শুনা গ'ল।

"ধাৰণা হৈছে, ইয়াত ঘটা ঘটনাৰ কথা

চাবুক ঘূৰাই সিহঁতৰ ফালে অহা দেখা গ'ল। তাকে দেখি জংঘলী গোমাংগই তৰোৱাল লৈ স্থূলকায়ৰ ওপৰত আক্ৰমণ চলাব খোজো-তেই সি জোৰেৰে চিঞৰিলে, "ইহঁত তিনিটাৰ লগত দুই পাখিলগা মানুহো লগ লাগিছে, গৰুড়মুখীয়া চৰ্দাৰৰ গোটত ফাঁট মেলিছে। স্বামী দ্ৰোহ... স্বামী দ্ৰোহ।"

জয়মল্লই চাৰিওফালে চালে। প্ৰতিটো তম্বুৰ সমুখত পাখিলগা মানুহবোৰে জুম বান্ধিছে। কিছুমান মানুহে "দগা, স্বামী... দগা, স্বামী" বুলি কৈ ইফালে সিফালে পলাবলৈ ধৰিছিল আৰু যিয়েই সমুখলৈ আহে তাকে কাণে কাণে কিবা কৈছিল।

জয়মল্লই ক'লে, "কেশৰ, গোমাংগ, এতিয়া আমি পলাবলৈ এটাহে উপায় আছে। এতিয়ালৈ আমাৰ শত্ৰুৱে নিশ্চয় গম পাইছে যে আমি তম্বুৰপৰা ওলাই পলাই গৈছো। এতিয়া সিহঁতে তৎক্ষণাৎ আমাক ধৰিবলৈ আহিব। আমি ক'ত আছো, কোনফালে পলাইছো, সিহঁতে সেইবোৰ কথা জানিব নালাগিব, সেয়েহে সিহঁতক প্ৰতাৰণা কৰিবলৈ আমি এটা কাম কৰিব লাগিব। আমি এই জ্বলন্ত জোৰবোৰ লৈ যিমান পৰা যায় সিমান তম্বুত অগ্নি সংযোগ কৰিব লাগিব। তেতিয়া যি হুলস্থূল লাগিব, তাৰ সুযোগ লৈ আমি সহজেই পলাই যাব পাৰিম।"

জয়মল্লই নিজৰ কথা শেষ নৌ কৰোতেই কেশৰ, গোমাংগ আৰু দুয়ো জংঘলীয়ে জোৰ লৈ "স্বামী দ্ৰোহ...স্বামী দ্ৰোহ," বুলি চিঞৰি ওচৰে পাজৰে থকা তম্বুবোৰত অগ্নি সংযোগ কৰিলে। চকুৰ পচাৰতে জুইৰ লেলিহান শিখাই তম্বুবোৰ ঘেৰি ধৰিলে।

ব্ৰহ্মদণ্ডী তান্ত্ৰিক আৰু স্থূলকায় জুই দেখি স্তম্ভিত হ'ল। ব্ৰহ্মদণ্ডীয়ে নিজৰ মন্ত্ৰদণ্ড ওপৰলৈ উঠাই ক'লে, "হে কালভৈৰৱ! মোক তুমি অগ্নিত স্নান কৰোৱাব খুজিছা নেকি? তুমি এই ভক্তৰ পৰীক্ষা লৈছা নেকি?" এইবুলি কৈ জুইৰপৰা গা বচাই তেওঁ পলাবলৈ ধৰিলে। দৌৰি দৌৰি তেওঁ স্থূলকায়ক ক'লে, "বীৰ, তোমাৰ প্ৰতাপ দেখুওৱাৰ এইটোৱেই সোণালী সুযোগ। চোৰা, এই দুষ্টহঁত কোনফালে পলাই গৈছে। অ' মনত ৰাখিবা, কেশৰৰ যাতে কোনো অপকাৰ নহয়। তাক সোঁশৰীৰে ধৰিব লাগিব। তাৰ কোনো আঘাত থাকিব নোৱাৰিব। মই সেই গৰুড়মুখীয়া চৰ্দাৰক উঠাই দিওঁগৈ।" এইবুলি তেওঁ চৰ্দাৰৰ শিবিৰৰ অভিমুখে আগ বাঢ়িল।

ব্ৰহ্মদণ্ডীয়ে উধাতু খাই তেওঁৰ ফালে অহা

দেখি গৰুড়মুখীয়া চৰ্দাৰে অট্টহাস্য কৰিলে, "কি হ'ল তান্ত্ৰিক, এইদৰে হিতাহিত জ্ঞান হেৰুৱাই শগুণৰ দৰে পলাই আহিছা কিয়? কি হ'ল তোমাৰ?"

"কি হ'ল? প্ৰভু! আমাৰ সকলোৰে বুদ্ধি ভ্ৰষ্ট হ'ল নেকি? সেই দুষ্টহঁত আমাৰ তম্বুত জুই লগাই পলাই গৈছে আৰু আপুনি বহি বহি ইয়াত হাঁহিব লাগিছে। তাতে আপোনাৰ কেইজনমান সেৱকে স্বামীদ্ৰোহ কৰি সিহঁতৰ লগ লাগিছে।" ব্ৰহ্মদণ্ডীয়ে হাঁহি মাৰি ক'লে।

"সেই স্বামীদ্ৰোহীহঁতক আৰু সেই তিনিওটাক জালত পেলাই ইয়ালৈ লৈ আনিবলৈ মই কেতিয়াবাই মানুহ পঠিয়াইছো। তুমি ভয় নকৰিবা। আৰামেৰে বহা। তোমাৰ অংগৰক্ষক জিত আৰু শক্তিবাৰ্মা গ'ল কলৈ? সেই গোলামৰ চৰ্দাৰ স্থূলকায় ক'লৈ গ'ল? সিহঁতেও দুষ্টহঁতৰ লগত লগ লাগিম বুলি পৰিকল্পনা কৰা নাইতো?" গৰুড়মুখীয়া চৰ্দাৰে ব্ৰহ্মদণ্ডী তান্ত্ৰিকৰ ফালে তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰিলে।

এই প্ৰশ্ন শুনি ব্ৰহ্মদণ্ডী চিন্তিত হ'ল। চাৰিওফালে চাই তেওঁ ক'লে, "নাই, তেনেকুৱা একো নঘটে। তেওঁলোকে আপোনাৰ অনুচৰহঁতৰ লগতে নিশ্চয় সেই দুষ্টহঁতক ধৰিবলৈ গৈছে।"

তেনেতে চাৰিটা পাখিলগা মানুহ উধাতু খাই তালৈ আহিল। সিহঁতক দেখাৰ লগে লগে গৰুড়মুখীয়াই সুধিলে, "সিহঁত তিনিওটাক ধৰিব পৰা গ'লনে? স্বামী-দ্ৰোহ কৰা দুষ্টৰ সংখ্যা কিমান?"

সিহঁতৰ মাজৰে এটাই চৰ্দাৰক মূৰ দোঁৱাই ক'লে, "চৰ্দাৰ, আটাইবোৰ মিলাই পাঁচটা হ'ব। সিহঁতে আমাৰ কেইটামান মানুহ মাৰিছে। সিহঁতে আমাৰ বেছুৰপৰা ওলাই গৈ ঘৰিয়াল থকা হ্ৰদৰ ফালে পলাই গৈছে।"

"তেন্তে আমাৰ কাম আৰু সহজ হৈ পৰিল। তোমালোকে এনেকৈ ৰাস্তা বন্ধ কৰা যাতে সিহঁতে হ্ৰদৰ দাঁতিয়েদি গৈ পলাই যাব নোৱাৰে। যদি সিহঁতে হ্ৰদত নামি সিটো পাৰলৈ যাব খোজে তেন্তে ঘৰিয়ালে সিহঁতক ভক্ষণ কৰিব। যদি পাৰতে থাকে তেন্তে আমি পতা জালত পৰিবয়। সেইটোৰেই আমাৰ বুদ্ধি বুজিলিনে? এতিয়া তহঁত যা।" গৰুড়মুখীয়াই ক'লে।

"কিন্তু প্ৰভু! কেশৰক যাতে ঘৰিয়ালে ভক্ষণ নকৰে তালৈ মন কৰিব। তাক মৰিবলৈ নিদিব। ভয়ংকৰ ঘাটীৰ ধনৰাশিৰ সিয়েই একমাত্ৰ উত্তৰাধিকাৰী। যদি তাক ভালে কুশলে আৰু জীৱিত অৱস্থাত ধৰিব পৰা নাযায় তেন্তে আমাৰ সকলো শ্ৰম পণ্ড হ'ব আৰু ভয়ংকৰ ঘাটী অভিমুখে আমি কৰা

কষ্টকৰ যাত্ৰা সফল নহ'ব।" ব্ৰহ্মদণ্ডী তান্ত্ৰিকে বৈ বৈ কথাখিনি ক'লে।

চৰ্দাৰ তাৰ পাছত এনেকৈ উঠি থিয় হ'ল যেন ব্ৰহ্মদণ্ডীৰ কোনো কথাই তেওঁৰ কাণত পৰা নাই।

তেওঁ নিজৰ অনুচৰহঁতক ক'লে, "ব'লা, চাঁওগৈ সিহঁতক ঘৰিয়ালে ভক্ষণ কৰিছে নে সিহঁত আমাৰ জালত পৰিছে।" এইবুলি কৈ তেওঁ হ্ৰদৰ ফালে আগ বাঢ়িল। ব্ৰহ্মদণ্ডী তেওঁৰ পাছে পাছে গ'ল।

যেতিয়া তেওঁলোক ঘৰিয়ালেৰে ভৰা হ্ৰদৰ ওচৰ পালেগৈ সেই গোটেই ঠাইখনত পলাই যোৱাহঁতৰ চিঞৰৰ প্ৰতিধ্বনি শুনা গৈছিল। তেওঁ নিজৰ অনুচৰহঁতৰ দুই তিনিটাক ওচৰলৈ মতাই আনি ক'লে, "সিহঁতে আমাৰ জালত ভৰি নিদি পলাই গৈছে নেকি?"

"নহয় চৰ্দাৰ, সিহঁতক জালত পেলাবলৈ আমি চাৰিওফালে জাল মেলি দিছো। সিহঁত যে আৰু ক'লৈকো যাব নোৱাৰে, সেয়েহে সিহঁতে হ্ৰদৰ ওচৰতে থকা গছবোৰৰ আঁৰত লুকাইছে। এতিয়া আমি সিহঁতক বিচাৰিব লাগিব আৰু শহাৰ দৰে গৈ সিহঁতক ধৰি বাহিৰলৈ উলিয়াই আনিব লাগিব।

"সুন্দৰ! বৰ ভাল কথা। এই কাম কৰি দেখুওৱা।" এইবুলি কৈ চৰ্দাৰ এজোপা গছৰ ডালত উঠিল। তেওঁৰ অনুচৰহঁতে হাতত জোৰ লৈ চাৰিওফালে চাবলৈ ধৰিলে।

এইবোৰ দেখি ব্ৰহ্মদণ্ডীয়ে ভাবিলে কেশৰে হ্ৰদৰ পানীত জঁপিয়াই আত্মহত্যাৰ চেষ্টা নকৰেতো। এই চিন্তা মনলৈ অহাৰ লগে লগে তেওঁ ডাঙৰকৈ ক'লে, "বোপা কেশৰ, তোমাৰ প্ৰাণৰ কোনো আশংকা নাই। তুমি তোমাৰ লগৰ দ্ৰোহীহঁতক এৰি আমাৰ ফালে গুচি আঁহা। দয়ালু গৰুড় মহাৰাজে নিশ্চয় তোমাক ক্ষমা কৰিব।"

ব্ৰহ্মদণ্ডীৰ এই কথাৰ পাছতে চাৰিও-ফালৰপৰা ডাঙৰ ডাঙৰকৈ চিঞৰ শুনা গ'ল, "বিড়ালীৰ জয়! শ্ৰাণকৰ্ণীৰ জয়!" ইয়াৰ লগে

লগে দীঘল দীঘল যাঠি পাখিলগা মানুহৰ গাৰ ওপৰত পৰিবলৈ ধৰিলে।

চৰ্দাৰে ডালৰপৰা জঁপিয়াই তললৈ নামি ক'লে, "এই জংঘলীহঁতে আমাৰ বেহুৰ চাৰিওফালে আৰু এটা বেহু তৈয়াৰ কৰিছে। কোনো লাভ নাই। পলোৱা, গৰুড় পক্ষীৰ দৰে পলোৱা।" এইবুলি কৈ তেওঁ পিছলৈ মুখ কৰি পলাবলৈ ধৰিলে।

ব্ৰহ্মদণ্ডীও তেওঁৰ পিছে পিছে পলাবলৈ ধৰিলে, "জিত, শক্তি আছা ক'ত?" তেওঁ চিঞৰিবলৈ ধৰিলে।

বিড়ালী আৰু শ্ৰাণকৰ্ণীয়ে যেতিয়া দেখিলে যে জুপুৰীবোৰত অগ্নি সংযোগ কৰা হৈছে, তেতিয়া তেওঁলোকে এইটোৱেই ভাল সুযোগ বুলি ভাবি পাখিলগা মানুহৰ ওপৰত আক্ৰমণ কৰি দিলে। যেতিয়া তেওঁলোকৰ যাঠীৰ আঘাত পাই পাখিলগা মানুহবোৰ পলাবলৈ ধৰিলে তেতিয়া তেওঁলোকৰ উদ্যম আৰু বাঢ়িল। কিন্তু এটা কথাহে তেওঁলোকে জানিব নোৱাৰিলে, কেশৰ আৰু তেওঁৰ লগৰীয়া কেইজন আছে ক'ত। গতিকে শ্ৰাণকৰ্ণী আৰু বিড়ালীৰ এইবুলিও চিন্তা হ'ল যে তেওঁলোকে নিক্ষেপ কৰা যাঠী কেশৰহঁতৰ গাত লগাগৈ নাইতো! তৎক্ষণাৎ তেওঁলোকে লগৰ মানুহ-খিনিক আৰু যাঠী নিক্ষেপ নকৰিবলৈ নিৰ্দেশ দিলে। তাৰ পাছত তেওঁলোকে জোৰেৰে চিঞৰিলে, "কেশৰ! জয়মল্ল! আছা ক'ত?"

ঘৰিয়াল থকা হ্ৰদৰ পাৰত থকা গছৰ আঁৰত লুকাই থকা কেশৰ আৰু তেওঁৰ লগৰ কেইজনে বিড়ালী আৰু শ্ৰাণকৰ্ণীৰ চিঞৰ শুনা পালে। কিন্তু সিহঁতে কিবা উত্তৰ দিয়াৰ আগতে কেইটামান পাখিলগা মানুহ পলাই পলাই সেই ফাললৈকে আহিল। কেশৰহঁতে সিহঁতৰ ৰাস্তা বন্ধ কৰিব বুলি ভাবি সিহঁতে কেশৰ-হঁতৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে।

কেশৰহঁতে নিজৰ তৰোৱাল উলিয়াই ল'বলৈ সুযোগেই নাপালে। এফালে ঘৰিয়ালেৰে ভৰা হ্ৰদ আৰু আনফালে গছ। সেই পৰিস্থিতিত কেশৰহঁতে আন একো কথা চিন্তা নকৰি পাখিলগা মানুহকেইটাৰ লগত হতাহতিত লিপ্ত হ'ল।

এই যুদ্ধত যি আহত হ'ল বা যাৰ ভৰি পিছলি গ'ল, সিহঁত হ্ৰদৰ পানীত পৰিলগৈ। কেশৰ, গোমাংগ আদিও দুবাৰমান পৰিল, কিন্তু সিহঁত পাৰলৈ আহি পাখিলগা মানুহবোৰক হ্ৰদলৈ টানি আনিবলৈ ধৰিলে। সিহঁতে বিড়ালী আৰু শ্ৰাণকৰ্ণীৰ দূৰৰপৰা অহা চিঞৰ শুনি থাকিল। ***(আগলৈ)***

স্বাৰ্থতেই আছে নিস্বাৰ্থ ভাৱ

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল, গছৰপৰা শটো নমাই কান্ধত তুলি ল'লে আৰু যথাৰীতি শ্মশান অভিমুখে আগবাঢ়িল। তেতিয়া শৱ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, এই ভয়ংকৰ শ্মশানত নিৰ্ভয়ে ঘূৰি ফুৰি আছা ঠিকেই, কিন্তু এটা কথা মই নাজানো যে তুমি নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈকে এনেকুৱা কৰিছা নে নিস্বাৰ্থ লক্ষ্য সাধন কৰিবলৈ এনে কঠোৰ পৰিশ্ৰম কৰিছা। কিন্তু লোক ব্যৱহাৰ শৈলী যদি মনোযোগেৰে চোৱা হয় তেন্তে এটা কথা স্পষ্ট হয় যে স্বাৰ্থক কেন্দ্ৰবিন্দু কৰি প্ৰায়েই মানুহে ব্যৱহাৰ কৰে, সেইটো পূৰণ কৰিবলৈকে নিজৰ সমুদায় বল প্ৰয়োগ কৰে। নিস্বাৰ্থতা, পৰমাৰ্থতা, পৰোপ-কাৰ আদি এইবোৰ কেৱল অজু-হাতহে। সেইবোৰ হ'ল সৰল মানুহক জালত পেলোৱাৰ

বেতাল কথা



কৌশল। প্ৰতাৰকে নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে এইবোৰ কৌশল কামত লগায়। উদাহৰণ স্বৰূপে মই তোমাক সজীৱ নামৰ এজন বৈদ্যৰ কথা ক'ব খুজিছো। মন দি শুনা আৰু নিজৰ লক্ষ্য স্থিৰ কৰা। এইবুলি বেতালে নিজৰ কাহিনী আৰম্ভ কৰিলে।

বিৰূপদেশৰ এখন সৰু চহৰ হ'ল ৰসপুৰ। তাৰ বেপাৰী ৰত্নাকৰৰ তিনিজন পুত্ৰ। ডাঙৰ দুয়ো পুত্ৰই বিয়া বাৰু কৰাই দেউতাকক বেপাৰৰ কামত সহায় কৰিবলৈ ধৰিলে। অৱশ্যে তৃতীয় পুত্ৰ সজীৱৰ বিছ বছৰ বয়স হোৱা সত্বেও, বেহা বেপাৰৰ প্ৰতি তেওঁৰ কোনো ধাউতি নাছিল। বৰঞ্চ তেওঁৰ ওচৰলৈ যিয়েই সহায় বিচাৰি আহিছিল, আগ পাছ নুগুনি তেওঁ ধন দি সহায় কৰিছিল। দুয়োজন ককায়েকেও মিঠা মিঠা কথা কৈ তেওঁৰপৰা ধন সৰকাইছিল। ঘৰৰ মানুহে সজীৱৰ এই অভ্যাস ভাল নাপাইছিল।

"ৰত্নকৰ নিজেই পুতেকৰ এই অভ্যাসৰ বাবে উদ্বিগ্ন হৈ পৰিছিল। পত্নীয়ে তেওঁক এদিন পৰামৰ্শ দিলে যে সজীৱৰ বিয়া পাতি দিলে সি সলনি হ'বও পাৰে। ৰত্নাকৰৰ এজন বন্ধুৱে এদিন তেওঁক ক'লে, "সজীৱৰ বৰ কোমল হৃদয়। তেওঁৰ দয়া, পৰোপকাৰ আদি অনেক সদগুণ আছে। কিন্তু দুখৰ কথা হ'ল এয়ে যে তেওঁৰ লোকজ্ঞান মুঠেই নাই। মোৰ কন্যা মনোৰমা দয়ালু, কিন্তু তাইৰ লোকজ্ঞান খুব বেছি। তাই বুদ্ধিমতী, তাইক তুমি বোৱাৰী কৰি আনিলে সজীৱ সলনি হ'ব।"

ৰত্নাকৰে বন্ধুৰ এই পৰামৰ্শ মানি ল'লে আৰু সোনকালেই মনোৰমা সজীৱৰ পত্নী হ'ল। পিতাকৰ কথা সঁচা প্ৰমাণ কৰি সোনকালেই মনোৰমাই নিজকে সজীৱৰ অতি প্ৰিয়পাত্ৰ কৰি তুলিলে। তেওঁ যিয়েই কৈছিল, সজীৱে মানি লৈছিল। এদিন তেওঁ স্বামীক ক'লে, "তুমি দয়ালু। যিয়েই সহায় বিচাৰি আহে, তেওঁকেই তুমি ধন দি সহায় কৰা। ঘৰত সকলোৱে কয়, তুমি দান দিয়া কোনো মানুহেই সুখী হ'ব পৰা নাই। তুমি প্ৰমাণ কৰিব লাগিব যে তেওঁলোকৰ কথাত সত্যতা নাই। অন্যথা তুমি নিজকে পৰিৱৰ্ত্তিত কৰি ঘৰৰ মানুহক সন্তুষ্ট কৰিব লাগিব।"

সজীৱে এই প্ৰত্যাহ্বান গ্ৰহণ কৰিলে আৰু প্ৰথমে তেওঁ সঞ্জয়ৰ ঘৰলৈ গ'ল, যাক তেওঁ ধন দি সহায় কৰিছিল, তেতিয়া সঞ্জয় নিজৰ ঘৰৰ চোতালত নিৰাশ হৈ বহি আছিল। সজীৱক দেখাৰ লগে লগে তেওঁ ক'লে, "তুমি যিখিনি ধন দিছিলা, সেইখিনিৰে কালি ঘৰত খাদ্য বন্ধা হৈছিল। আমি সকলো কুশলে আছো, পিছে মোৰ পিতা আৰু মোৰ

সৰু পুত্ৰৰ অজীৰ্ণ হৈছে, বদহজম হৈছে। বৈদ্যই ঔষধ দিলে। তাৰে মোৰ সৰু ল'ৰাটো আৰোগ্য হ'ল ঠিকেই কিন্তু মোৰ পিতা এতিয়াও অসুস্থ। বৈদ্যই তিনিদিন তেওঁক উপবাসে থাকিবলৈ কৈছে। পিতাই খঙতে দান দিয়া তোমাক আৰু খাদ্য ৰান্ধি খাবলৈ দিয়া মোক নেৰানেপৰাকৈ গালি পাৰি আছে।"



ঘৰৰ মানুহৰ কথা সঁচা প্ৰমাণিত হ'ল, কিন্তু সজীৱৰ উৎসাহ কমি নগ'ল। তেওঁৰ সম্পূৰ্ণ বিশ্বাস আছিল সকলোৰে এনে হ'ব নোৱাৰে। তাৰপৰা ওলাই সজীৱ সুগ্ৰীৱৰ ঘৰলৈ গ'ল, তেওঁৰ দুৱাৰতে সজীৱে গালি শুনিবলগীয়া হ'ল। কালিহে মাত্ৰ জীয়েকৰ আঙঠি পিন্ধোৱাৰ বাবে সুগ্ৰীৱে সজীৱৰপৰা ধন ধাৰলৈ আনিছিল। আজি জীয়েক জ্বৰত ভুগি আছে। তাইক চাবলৈ অহা ল'ৰাটোৱে ৰুগীয়া বুলি তাইক বিয়া কৰিবলৈ অমান্তি হ'ল। সুগ্ৰীৱৰ অভিযোগ হ'ল, সজীৱে দিয়া ধন কামত নাহিল, হবলগীয়া সম্পৰ্কটোহে ভাঙিল। তেওঁ সজীৱক গালি পাৰিবলৈ ধৰিলে।

সজীৱ নিৰাশ মনেৰে তাৰপৰা গুচি আহিল, তেওঁ বহুত আশা লৈ আৰু চাৰি পাঁচ ঘৰ মানুহৰ ওচৰলৈ গ'ল, কিন্তু সকলোতে স্থিতি একেটাই দেখা গ'ল। সজীৱে গম পালে যে যাক যাক তেওঁ ধন দি সহায় কৰিছে; তেওঁলোক সন্তুষ্ট নহয়। সকলো কথা সজীৱে সবিস্তাৰে পত্নীক জনালে। তেওঁ পত্নীক ক'লে, "বন্ধু বান্ধৱক সুখী কৰিবলৈ মই যি পদ্ধতি হাতত লৈছিলো, সেইটো ঠিক নহ'ব পাৰে। কিন্তু মোৰ কাৰণেইতো তেওঁলোকৰ অভাৱ দূৰ হোৱা নাই জানো? ইয়াতকৈ আৰু কিবা ভাল পদ্ধতি আছে যদি মোক কোৱা। মই নিশ্চয় গ্ৰহণ কৰিম।"

মনোৰমাই তৎক্ষণাৎ ক'লে, "মনুষ্যক আচল তৃপ্তি দিয়ে স্বাস্থ্যধনে। যি সুস্বাস্থ্যৰ নহয়, তেওঁ যিমানেই সমৃদ্ধিশালী নহওক কিয়, সুখী হ'ব নোৱাৰে। তুমি যদি তোমাৰ বন্ধু আৰু পৰিচিত লোক সুখী হোৱাটো বিচৰা তেন্তে তুমি বৈদ্য বিদ্যা শিকা। ধনী মানুহৰ পৰা ধন ল'বা আৰু দৰিদ্ৰজনক বিনামূলীয়া চিকিৎসা আগ বঢ়াবা।"

"বৈদ্য বিদ্য শিকিবলৈ বহুত বছৰ নালাগিব জানো?" সজীৱে নিজৰ সন্দেহ প্ৰকাশ কৰিলে।

"বৃহদাৰণ্যত অসৰ নামৰ এজন তপস্বী আছে। তেওঁ বৈদ্য শাস্ত্ৰত প্ৰবীণ। যোগ্য শিষ্যক

তেওঁ এবছৰৰ ভিতৰতে বৈদ্য শাস্ত্ৰত পাৰ্গত কাৰি তুলিব পাৰে। তুমি তালৈ যোৱা যদি সোনকালেই বৈদ্য হ'ব পাৰা।" মনোৰমাই ক'লে।

সেইদিনাই সজীৱে বৃহদাৰণ্যলৈ গৈ অসৰক লগ ধৰিলেগৈ। তেওঁ সজীৱক নিজৰ শিষ্য কৰি ল'লে আৰু এবছৰৰ ভিতৰতে তেওঁ বৈদ্য শাস্ত্ৰত পাৰ্গত হৈ উঠিল। বিদ্যাভ্যাস শেষ কৰাৰ পাছত গুৰু অসৰে সজীৱক ক'লে, "মই চিকিৎসাৰ এনেকুৱা কিছুমান কৌশল তোমাক শিকালো, যিবোৰ পৃথিৱীৰ আন কোনো বৈদ্যই নাজানে। কিন্তু এনেকুৱা কিছুমান জটিল ৰোগ আছে যিবোৰৰ চিকিৎসা ঔষধেৰে কৰাটো সম্ভৱ নহয়। মোৰ হাতত এনেকুৱা এখন গ্ৰন্থ আছে য'ত এনেকুৱা ৰোগৰ চিকিৎসাৰ বাবে মন্ত্ৰ আছে। সেৱাৰ ভাবেৰে নিস্বাৰ্থ হৈ যি চিকিৎসা কৰে তেওঁহে এইখন গ্ৰন্থ লাভ কৰাৰ যোগ্য। যেতিয়া এই কথা প্ৰমাণ হ'ব, তেতিয়া কোনোবা নহয়, কোনোবা মোৰ কথা কৈ তোমাৰ ওচৰলৈ যাব। আৰু যেতিয়া তুমি আহিবা, মই তোমাক এই গ্ৰন্থখন তোমাৰ হাতত তুলি দিম।" গুৰুৰ আশীৰ্বাদ লৈ সজীৱ ৰসপুৰলৈ উভতি গ'ল আৰু পত্নী মনোৰমাক সকলো কথা ক'লে। পত্নীয়ে কোৱা মতে তেওঁ দৰিদ্ৰক বিনামূলীয়াকৈ আৰু ধনী মানুহৰপৰা বহুত ধন লৈ চিকিৎসা কৰিবলৈ আৰম্ভ কৰিলে। সজীৱে দিয়া ঔষধ যিহেতু অব্যৰ্থ আছিল সেয়ে দূৰ দূৰণিৰপৰা মানুহ আহিবলৈ ধৰিলে।

এদিন এজন সাধু সজীৱৰ ঘৰৰ সমুখত থিয় হৈ "ভিক্ষা দিয়া" বুলি ক'ব খুজিছেহে। তেন্তে তেওঁ দেখিল সজীৱে পৰম মনোযোগেৰে এজন দৰিদ্ৰ মানুহক চিকিৎসা কৰি আছে। হঠাতে বাগীত উঠি এজন ধনী মানুহ আহিল আৰু ক'লে, "বৈদ্যোত্তম, আপুনি যিমান ধন লাগে ল'ব। প্ৰথমে মোৰ ৰোগৰ চিকিৎসা কৰক।" তেওঁৰ কণ্ঠত আছিল অহংকাৰৰ ভাৱ।

ভৱিৰপৰা মূৰলৈ মানুহজনক চাই সজীৱে ক'লে, "আপুনি দিয়া ধন মই নিশ্চয় লম, কিন্তু চিকিৎসাৰ আগতে ৰোগৰ নিদান কৰাটো প্ৰয়োজনীয়। যেতিয়া আপোনাৰ পাল আহিব, মই নিজেই আপোনাক মাতিম। তেতিয়ালৈ আপুনি সৌ আসনতে বহক।"

তেনেতে সজীৱৰ চকু পৰিল সাধুজনৰ ওপৰত। তেওঁ সাধুক প্ৰণাম কৰি ক'লে, "আজি আপুনি আমাৰ ঘৰত ভোজন কৰি আমাক কৃতাৰ্থ কৰক।"

মিচিকিয়া হাঁহি মাৰি সাধুৱে ক'লে, "কাম শেষ কৰি ভিতৰলৈ আহিবা। দুয়ো

মিলি ভোজন কৰিম,” এইবুলি কৈ তেওঁ ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

সজীৱে সকলো ৰোগীক পৰীক্ষা কৰিলে, প্ৰয়োজনীয় ঔষধ দিলে আৰু কাম শেষ কৰি ভিতৰলৈ আহিল। পলমকৈ অহাৰ বাবে ক্ষমা খোজাত সাধুৱে ক'লে, “ৰোগীৰ প্ৰতি তোমাৰ শ্ৰদ্ধা, ধনৰ সমুখত মূৰ দোঁৱাব নোখোজা তোমাৰ নিস্বাৰ্থ ভাৱ আৰু সাধুজনৰ প্ৰতি তোমাৰ আদৰভাবে মোক মুগ্ধ কৰিছে। এনেকুৱা বৈদ্য বিৰল। অসৱৰ বৈদ্য মন্ত্ৰ গ্ৰন্থ পাবলৈ তুমি যোগ্য হৈ উঠিছা। তৎক্ষণাৎ বৃহদাৰণ্যলৈ যাবলৈ সাজু হোৱা।”

সজীৱে গম পালে যে এইজন ব্যক্তিক অসৱেই পঠিয়াইছে। পত্নী মনোৰমাক তেওঁ এই কথা ক'লে। তেওঁ স্বামীক ক'লে, “বৃহদাৰণ্য অহা যোৱা কৰিবলৈ অতি কমেও এসপ্তাহ লাগিব। নিশ্চয় যাওক, কিন্তু তেতিয়া যাব যেতিয়া ৰোগী নাথাকে।”

সজীৱে এই কথা সাধুক ক'লে। তেওঁ এইটো মানি ল'লে আৰু ভোজন কৰি গুচি গ'ল।

তাৰ মাজতে সেই দেশৰ ৰজা ভীমসেনৰ মাক টান নৰিয়াত পৰিল। ৰাজবৈদ্যৰ কোনো ঔষধেই কাম নিদিলে। ৰজাই সজীৱক মতাই পঠিয়ালে। পত্নীৰ পৰামৰ্শ লৈ সজীৱে ৰজাৰ দূতক ক'লে, “মই ইয়াৰপৰা গ'লে বহুত ৰোগীৰ কষ্ট হ'ব। প্ৰজাৰ হিত বিচৰা ৰজাও তেতিয়া সুখী নহ'ব। ৰাজমাতাকে চিকিৎসাৰ বাবে ইয়ালৈ লৈ অহা ভাল হ'ব।” তাৰ পিছদিনা সাধুৱে সজীৱক লগ ধৰি তেওঁৰ সাহস, নিস্বাৰ্থতাৰ ভূয়সী প্ৰশংসা কৰিলে। তেওঁ পৰামৰ্শ দিলে যে তেওঁ যেন সোনকালে

বৃহদাৰণ্যলৈ গৈ মন্ত্ৰ গ্ৰন্থখন লৈ আহেগৈ। কিন্তু সজীৱে আগৰদৰেই উত্তৰ দিলে।

ইয়াৰ কেইদিনমান পাছত ৰসপুৰৰ আঢ্যৱন্ত ব্যক্তি মহেন্দ্ৰ টান নৰিয়াত পৰিল। সজীৱে এই ৰোগৰ কাৰণ ভালকৈ বুজিব নোৱাৰিলে। তেতিয়া সাধুৱে মনোৰমাক লগ ধৰি ক'লে, “কেৱল মন্ত্ৰৰদ্বাৰাহে মহেন্দ্ৰৰ চিকিৎসা সম্ভৱ। এতিয়া অন্ততঃ তেওঁৰ স্বামী বৃহদাৰণ্যলৈ যাব লাগে।”

মনোৰমাই উচিত হ'ব বুলি ভাবি কথাটো স্বামীক কৈ তেওঁক বৃহদাৰণ্যলৈ যাবলৈ ক'লে। কিন্তু সজীৱে মানি নল'লে। তেতিয়া সাধুৰ পৰামৰ্শ অনুসাৰে মনোৰমাই ৰোগৰ নাটক কৰিলে। সজীৱে ঔষধ দিলে, কিন্তু মনোৰমাৰ ওপৰত তাৰ কোনো প্ৰভাৱ নপৰিল। আন কোনো উপায় নেদেখি সজীৱে সাধুক লগ ধৰিলে আৰু তেতিয়া সাধুৱে সজীৱক পৰামৰ্শ

দিলে যে তৎক্ষণাৎ বৃহদাৰণ্যলৈ গৈ বৈদ্যগ্ৰন্থ লৈ আনিব লাগে। অন্যথা তেওঁৰ পত্নীৰ বিপদ হ'ব পাৰে।

মনোৰমায়ো যাবলৈ জোৰ দিলে আৰু সজীৱে বৃহদাৰণ্যলৈ গৈ সেই গ্ৰন্থখন লৈ আহিলগৈ। মহেন্দ্ৰকে ধৰি আৰু অসংখ্য ৰোগী সেই মন্ত্ৰ চিকিৎসাৰদ্বাৰা উপকৃত হ'ল।

এই কাহিনী কৈ উঠি বেতালে ক'লে, "ৰাজন, সাধুৰে বহুতবাৰ সজীৱক বৃহদাৰণ্যলৈ যাবলৈ কোৱাৰ পাছতো তেওঁ যোৱা নাছিল। কিন্তু যেতিয়া পত্নী নৰিয়াত পৰিল তেতিয়া তেওঁ বৃহদাৰণ্যলৈ গ'ল। এয়া বাবেই স্বাৰ্থ নহয়নে? তেওঁৰ হাতত মন্ত্ৰ গ্ৰন্থ থকা হ'লে মহেন্দ্ৰৰ দৰে আঢ্যৱন্ত লোকক চিকিৎসা কৰি বহুত ধন উপাৰ্জন কৰিব পৰা যায়। সেয়ে মনোৰমাই স্বামীক বৃহদাৰণ্যলৈ যাবলৈ জোৰ দিলে। মনোৰমাৰ স্বাৰ্থৰ বশৱৰ্ত্তী হৈয়েই তেওঁৰ ওচৰলৈ যোৱা সজীৱক মন্ত্ৰগ্ৰন্থ প্ৰদান কৰি গুৰু অসৰে নিয়ম ভংগ কৰা নাছিলনে? কাৰণ তেওঁ নিজেই কৈছিল যে নিস্বাৰ্থ লোকহে এই গ্ৰন্থখন পাবৰ যোগ্য। মোৰ এইবোৰ সন্দেহৰ সমিধান তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব।"

ৰজা বিক্ৰমাদিত্যই ক'লে, "অগ্নিক সাক্ষী কৰি সজীৱে মনোৰমাক বিয়া কৰালে। স্বামী হৈ তেওঁৰ জীৱন ৰক্ষা কৰাটো তেওঁৰ কৰ্তব্য। পত্নীৰ চিকিৎসাৰ বাবেই সজীৱ বৃহদাৰণ্যলৈ যোৱাটো তেওঁৰ স্বাৰ্থ বুলি ক'ব নোৱাৰি। মনোৰমাৰ বাবেই সজীৱে বিনামূলীয়াকৈ দৰিদ্ৰজনৰ চিকিৎসা কৰিছিল। গতিকে পত্নীৰ ধনৰ প্ৰতি লালসা থকা বুলিও ক'ব নোৱাৰি। যেতিয়া সজীৱে গম পালে যে তেওঁৰ পত্নী ৰোগগ্ৰস্ত তেতিয়া তেওঁ আন ৰোগীৰো চিকিৎসা কৰিব নোৱৰা হ'ল। মনোৰমাৰ অসুস্থতা দীঘলীয়া হ'লে, তেওঁ বৈদ্য বৃত্তিয়েই সন্তৱ এৰি দিবলগীয়া হলহেঁতেন। সেইটো হোৱাহেঁতেন ৰাইজৰ অভাৱনীয় ক্ষতি হ'লহেঁতেন। তেওঁ লৈ অহা বৈদ্য মন্ত্ৰগ্ৰন্থৰদ্বাৰা অনেক ৰোগী চিকিৎসা লাভ কৰি আৰোগ্য হ'ল। সেয়েহে সজীৱ বৃহদাৰণ্যলৈ যোৱা আৰু গুৰুৱে তেওঁক মন্ত্ৰ গ্ৰন্থ দান কৰা, ইয়াৰে কোনোটোৱেই অনিয়ম হ'ব নোৱাৰে।

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটো লৈ পুনৰ সেই গছজোপাত ওলমি থাকিলগৈ।

(সুচিত্ৰাৰ ৰচনাৰ আলম লৈ)

Get India's Most Loved Magazine for Children at your doorstep

Subscribe to *Chandamama*

Chandamama stories explore our traditions, folk tales, mythology, history and science in an unforgettable narrative style which captures your child's imagination.
Generations of children have grown up reading *Chandamama* in their native language.
Subscribe today and let your child's quest for knowledge stay alive forever.

I want to subscribe to the following editions of Chandamama: (Tick all that apply)

☐ **English** ☐ **Language**.. ☐ **Junior Chandamama**

My Name .... Date of Birth ....

Send my issues to: Mr/Ms..

Address ....

....

....

City.. State .... Pin ....

Telephone.................................. Mobile .... Email ....

Enclosed Cheque/DD* for Rupees..

Cheque/DD no...Favouring **Chandamama India Ltd**

on .... bank. (Please add Rs 90 for non-Chennai cheques)

Your subscription will start in 4 weeks.

Please mail the subscribtion form to :
Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501) Anna Salai Teynampet, Chennai – 600 018.
Tel: (044) 24334455 Telefax: 24322103 Email: chandamama@chandamama.com Web: www.chandamama.com

*Language/edition for one year is Rs. 180. Only English: Rs. 180 for 1 year. English + any language: Rs. 360 for 1 year. English Chandamama + Junior: Rs. 360 for 1 year. English Chandamama + Junior + any language: Rs. 540 for 1 year.
*Conditions apply.

মই আটাইতকৈ বেছি ভালপোৱা কাহিনী-১০

স্বপ্না দত্তই তিনি দশকৰো অধিক কাল শিশুৰ বাবে লিখি আহিছে আৰু তেওঁৰ কলমৰপৰা ওলাইছে ৪০ খনৰো অধিক পুথি। তেখেতৰ কাহিনী চান্দমামাকে ধৰি আটাইবোৰ আগশাৰীৰ দৈনিক বাতৰি কাকত আৰু আলোচনীত প্ৰকাশ পাইছে। ভাৰতৰ এনিড ব্লাইটন নামেৰে জনপ্ৰিয় শ্ৰীমতী দত্তই লিখা পুথি চিলড্ৰেন্‌চ বুক ট্ৰাষ্ট আৰু আন বহুতেই প্ৰকাশ কৰি উলিয়াইছে। ১৯৮৭ চনৰপৰা ২০০২ চনলৈকে তেওঁ সম্পাদকীয় পৰামৰ্শদাতা, লিমকা বুক অৱ ৰেকৰ্ডচৰ সম্পাদক আৰু এনচাইক্ল'পিডিয়া ব্ৰিটানিকাৰ উপ সম্পাদক হিচাপে কাম কৰিছিল। তেওঁ লাভ কৰা বিভিন্ন বঁটা আৰু সন্মানৰ ভিতৰত আছে এটা নেছনেল ফেল'শ্বিপ, এটা ৰাষ্ট্ৰীয় বঁটা, ইন্টাৰনেছনেল য়ুথ লাইব্ৰেৰীৰপৰা মিউনিকলৈ এটা আৰু ভিয়েনালৈ এটা জলপানী। তেওঁ বাংগালোৰত বাস কৰে।

চকুপানী আৰু ই বহন কৰা অৰ্থ

চকুপানী মানে কেৱল দুখেই নেকি? চকুপানী টুকিয়েই বাৰু কোনোবা সুখী হ'ব পাৰেনে? চকুপানীৰ মূল্য আৰু তাৰ প্ৰকৃত অৰ্থনো কি সেই বিষয়ে মোৰ শিশু অৱস্থাত আইতাই মোক এই সাধুটো কৈছিল। এই সৰল সাধুটোকে মই মোৰ পাঠকসকলক ক'বলৈ ওলাইছো কাৰণ তেওঁলোকে নিশ্চয় সাধুটো ভাল পাব।

বসন্তৰ এটা ৰাতিপুৱা। কেউফালে ফুলিছিল ফুলবোৰ ৰঙ, নীলা, হালধীয়া, সুমথিৰা আৰু বগা, কিমান যে ৰঙা চৰায়ে গান গাইছে। জানজুৰিয়েও গীত গাইছে। সকলো সুখী, সকলোৰে মুখত মিচিকিয়া হাঁহি।এনে এটা ৰাতিপুৱাই সুবিশাল প্ৰাসাদত নিজৰ শৰ্যাৰপৰা উঠিল মহাৰাণী মাধুৰিমা। তেওঁ খিৰিকীৰে বাহিৰলৈ চালে। বাগিচাত তেওঁ দেখিলে ৰঙৰ সমাহাৰ। কুলি আৰু আন চৰাইবোৰৰ সুমধুৰ গীত তেওঁৰ কাণত পৰিলেহি। এক গভীৰ সুখানুভূতিত তেওঁ অভিভূত হ'ল।

"বসন্ত উৎসৱ উদযাপন কৰিবলৈ আমি অৰণ্যলৈ যাব পাৰোনে মহাৰাজ?" ৰাণীয়ে ৰজাক সুধিলে। মিচিকিয়া হাঁহিৰে ৰজাই সন্মতিৰ মূৰ দুপিয়ালে। তেওঁৰ কাম শেষ হোৱাৰ পাছত ৰজাই তেওঁলোকৰ লগ লগাৰ প্ৰতিশ্ৰুতি দিলে।

সখিয়েকহঁতক লগত লৈ ৰাণী অৰণ্যলৈ গ'ল। হ্ৰদৰ স্বচ্ছ পানীত তেওঁলোকে স্নান কৰিলে। ৰঙ বিৰঙৰ ফুলেৰে তেওঁলোকে মালা গাঁথিলে। সতেজ ফলবোৰ হেঁপাহ পলুৱাই খালে। পখিলাবোৰৰ পাছে পাছে দৌৰি গ'ল আৰু চৰাইৰ সৈতে গান গালে। সকলো আনন্দত ডুব গ'ল।

লাহে লাহে দিনৰ পোহৰ স্তিমিত হৈ গ'ল। চৰাইবোৰ নিজৰ নিজৰ বাহলৈ ঘূৰি গ'ল।

পদুমৰ পাহিবোৰ জাপ খালে। কিন্তু ৰজাৰ উমঘামেই নাই। তেওঁ বাৰু নিজৰ প্ৰতিশ্ৰুতিৰ কথা পাহৰিলে নেকি? কিন্তু অৰণ্যতো ৰাতি আগৰ-দৰে ধুনীয়া হৈ থকা নাই। মন্থৰ, থেৰোগেৰো খোজেৰে ৰাণী মাধুৰিমা আৰু তেওঁৰ সখিয়েক-সকল প্ৰাসাদলৈ উভতি আহিল।

ৰাণীয়ে ৰজালৈ অপেক্ষা কৰিলে, অৰণ্যত দিনটোৰ অভিজ্ঞতাৰ কথা ক'বলৈ ৰাণী ব্যগ্ৰ হৈ উঠিছে। কিন্তু ৰজা নাহিল। চেকেণ্ডবোৰ গৈ মিনিট, মিনিটবোৰ গৈ ঘন্টা হ'লগৈ। আকাশত চন্দ্ৰ উজ্জ্বল হৈ উঠিল। ৰাজপ্ৰাসাদৰ কেউফালে থকা ৰাস্তাবোৰলৈ নামি আহিল নিৰ্জনতা। ৰাণী ক্ৰোধান্বিত হ'ল। অৱশেষত দুৱাৰৰ ওচৰত যেতিয়া ৰজা আহি উপস্থিত হ'ল, তেতিয়া প্ৰায় মাজনিশা হৈছিল।

"কিহৰ বাবে আপোনাৰ ইমান পলম হ'ল, মহাৰাজ?" ৰাণীয়ে খঙেৰে সুধিলে।

"মানুহৰ দুখৰ বাবে," ৰজাই ক'লে।

"দুখ?"

"হয়, তেওঁলোকৰ সমস্যা আৰু অসুবিধা। মই সেইবোৰ সমাধান কৰিবলগীয়া হ'ল। ৰজাই নকৰিলে কোনে তেওঁলোকক সহায় কৰিব?"

ৰাণী মাধুৰিমাই মুখখন ঘূৰাই দিলে।

"ইমান এটা সুন্দৰ দিন মানুহৰ অভাৱ অভিযোগৰ কথা শুনি অপব্যয় কৰাটো কিমান লাজৰ কথা!"

ৰজাই কেৱল মিচিকিয়াই হাঁহিলে, আন একো নক'লে। পাছদিনাও একেটা ঘটনা ঘটিল। তাৰ পাছদিনাও। ৰাণীয়ে নিজৰ সময়বোৰ সুন্দৰ অৰণ্যৰ মাজত পাৰ কৰিছিল যদিও ৰজা তালৈ যাব পৰা নাছিল।

অৱশেষত অধৈৰ্য হৈ ৰাণীয়ে ৰজাক মুখপাতি ধৰিলে।

"আপোনাৰ ৰাজ্যখন অৰণ্যতকৈ ইমান বেলেগ কিয়?" ৰাণীয়ে সুধিলে, "এই প্ৰাসাদৰ ভিতৰত মই গুমুনিয়াহ আৰু উচুপনিৰ বাহিৰে আন একোৰেই নুশুনো।

দুখ আৰু সমস্যা। মই আৰু সহ্য কৰিব নোৱৰা হৈছো। মই সুখ বিচাৰো। মিচিকিয়া হাঁহি আৰু প্ৰাণখুলি মৰা হাঁহিৰ বাহিৰে মই আন একো নিবিচাৰো।"

ৰজাই লাহেকৈ ক'লে, "কিন্তু সেইটো সম্ভৱ নহয়। জীৱনত পোহৰ আছে যদি আন্ধাৰো আছে, আনন্দৰ লগতে দুখো আছে আৰু হাঁহি আছে যদি কান্দোনো আছে। আমি সকলোৰে মুখামুখি হ'ব লাগিব, এইবোৰৰ কোনোটোৱেই আমি ইচ্ছা কৰিলে নোহোৱা হৈ নাযায়।"

ৰাণী মাধুৰিমাই ৰজাৰ কথাখিনি মানি ল'ব নোৱাৰিলে, "চেষ্টা কৰিলে সকলো সম্ভৱ, মহাৰাজ। আপুনি দেখোন এই ৰাজ্যৰ ৰজা, মহাৰাজ। আপুনি ঘোষণা কৰি দিয়ক কোনো-বাই যদি আনকি এটোপালো চকুপানী টুকে তেন্তে তেওঁক চিৰদিনৰ বাবে ৰাজ্যৰপৰা নিৰ্বাসন দিয়া হ'ব।"

আশ্চৰ্য আৰু দুখেৰে ৰজাই ৰাণীৰ ফালে চালে। "তুমি হ'লা ৰাণী আৰু প্ৰজাৰ মাতৃ। ইমান নিৰ্দয় আৰু অযুক্তিকৰ কথা তুমি ভাবিব পাৰিলা কেনেকৈ?"

"হয়, মই ভাবিছো আৰু মই যি কৈছো আপুনি কৰিবই লাগিব," ৰাণীয়ে ক'লে।

"তেন্তে সেয়াই হ'ব," ৰজাই ক'লে। "কিন্তু মই তোমাক কৈ থলো, খুব সোন-কালেই তুমি অনুতাপ কৰিব লাগিব। কেৱল চকুপানী বাধা দি তুমি সুখী হ'ব নোৱৰা।"

ৰাণী মাধুৰিমাই হাঁহি মাৰি নিজৰ দাপোণৰ সমুখত থিয় হ'ল।

ৰাজ্যৰ চুকে কোণে ৰজাৰ নতুন ঘোষণা শুনোৱা হ'ল। প্ৰজাই ঘোষণাটো শুনি নীৰৱে আশ্চৰ্য প্ৰকাশ কৰিলে। কোন নিৰ্দয় হৃদয়ে দৰিদ্ৰৰ একমাত্ৰ সান্ত্বনা প্ৰদানকাৰী চকুপানীও কাঢ়ি নিব পাৰে? দুখ, বেদনা, ক্ষতি আৰু আঘাতত তেওঁলোকে হাঁহিব কেনেকৈ? সুখনো জোৰকৈ আনিব পাৰিনে? দিনক দিনে ৰাজ্যৰপৰা নিৰ্বাসিত হোৱা লোকৰ সংখ্যা বাঢ়ি যাবলৈ ধৰিলে।

ইটোৰ পাছত সিটো, পাৰ হৈ গ'ল ঋতু। বছৰেও বাগৰ সলালে। আকৌ বসন্ত আহিল। ৰঙ আৰু সুগন্ধিৰে অৰণ্যই প্ৰাণ পাই উঠিল। দিনৰ দিনটো চৰায়ে গান গাবলৈ ধৰিলে। কিন্তু এইবাৰ ৰাণী মাধুৰিমাৰ এইবোৰ চাবলৈ সময় নাছিল। তেওঁৰ কণমানি পুত্ৰ, যুৱৰাজ, গুৰুতৰভাৱে অসুস্থ। ৰাণীৰ হৃদয় দুখতে গধুৰ হৈ উঠিছে। ৰাজ্যৰ চুকে কোণে থকা চিকিৎসক-সকল আহিছে। কিন্তু কোনো ফল ধৰা নাই। পিছদিনা সূৰ্যোদয়ৰ লগে লগে কণমানি যুৱ-ৰাজে এই পৃথিৱীৰপৰা মেলানি মাগিলে।

ৰাণী মাধুৰিমাই হিয়া ঢাকুৰি কান্দিলে। এনেকুৱা লাগিল ৰাণীয়ে যেন আৰু কেতিয়াও হাঁহিবই নোৱাৰিব।

পিছদিনা পুৱা ৰজাই ৰাণী মাধুৰিমাক ৰাজসভালৈ মাতি পঠিয়ালে। "তুমি নিজেই নিজৰ আদেশ অমান্য কৰিছা, মাধুৰিমা," স্পষ্ট কণ্ঠেৰে ৰজাই ক'লে। "এইবাৰ তুমি নিৰ্বাসন ল'ব লাগিব।"

ৰাণীয়ে আচৰিত হৈ ৰজাৰ চকুলৈ চালে। "কিন্তু আপুনি জানো ৰাজ্যৰ ৰাণীক নিৰ্বাসন দিব পাৰিব?" মাধুৰিমাই সুধিলে।

"তোমাৰ আদেশমৰ্মেই মই এই আইন কৰিছো আৰু আইনৰ চকুত সকলো সমান, আনকি ৰজাৰ পৰিয়ালো।" ৰজাই ক'লে।

ৰাণী মাধুৰিমাক ৰাজপ্ৰাসাদৰপৰা উলিয়াই লৈ যোৱা হ'ল আৰু দূৰৈৰ এক অটব্য অৰণ্যত এৰি থৈ অহা হ'ল। চকুৰ পানীৰে ৰাণীয়ে বাট নেদেখা হ'ল, বন্য জন্তুৰ আক্ৰমণৰ আশংকাত ৰাণীৰ পেটতে হাত-ভৰি লুকাল। হঠাতে তেওঁ মানুহৰ মাত শুনিলে। ৰাজ্যৰপৰা নিৰ্বাসিত সকলো মানুহ সেইখন অৰণ্যতে আছিল। সকলোৱে ৰাণীক স্বাগতম জনালে আৰু নিজৰ পুত্ৰ হেৰুওৱা ৰাণীৰ দুখৰ সমভাগী হ'ল। সকলোৱে মিলি ৰাণীৰ বাবে এক জুপুৰী সাজি দিলে আৰু তেওঁলোকৰ মাজৰে এজনে ৰাণীক মৰমেৰে চোৱা চিতা কৰিলে।

দিনবোৰ পাৰ হৈ গ'ল। মানুহবোৰে নিৰ্বাসিত ৰাণীক প্ৰেম আৰু শ্ৰদ্ধা কৰিবলৈ শিকিলে। ৰাণীক তেওঁলোকে নিজৰ সুখ আৰু দুখৰ কথা ক'বলৈ ধৰিলে। ৰাণীয়ে

হাঁহিলে তেওঁলোকেও হাঁহে আৰু ৰাণীৰ লগতে তেওঁলোকেও কান্দে। ৰাণী মাধুৰিমাই পাহৰি গ'ল নিজৰ অহংকাৰ। তেওঁক এটা নতুন জীৱন দিয়া মানুহখিনিক বিপদে আপদে সহায় কৰিবলৈ ৰাণীয়ে অহৰ্নিশে চেষ্টা কৰি গ'ল। এতিয়াহে তেওঁ সাৰ্থক ৰাণী আৰু প্ৰজাৰ মাতৃ হৈ উঠিল।

এটা উজ্জ্বল ৰাতিপুৱা নিজৰ সোণালী ৰথত উঠি ৰজা অৰণ্যলৈ আহিল।

চাৰিওফালে চাই ৰজাই দেখিলে, ৰাণী মাধুৰিমাই এটা অসুস্থ শিশুক পৰিচৰ্যা কৰি আছে। ল'ৰাটোৱে ৰাণীক সাৱটি ধৰি আছে। ৰাণীৰ দুগালেদি বাগৰি আহিছে দুটোপাল চকুপানী। ৰজাই ৰাণীলৈ ৰ লাগি চালে। ৰাণীয়ে মূৰ দোঁৱালে। "মাধুৰিমা, এতিয়া বুজিলানে চকুপানীৰ মূল্য?" ৰজাই নম্ৰভাৱে সুধিলে।

"বুজিলো মহাৰাজ" ৰাণীৰ উত্তৰত পৰম বিনয়ৰ চিন।

"তেনেহ'লে তোমাৰ নিৰ্বাসিত প্ৰজাগণক লৈ ঘূৰি আঁহা ৰাজ্যলৈ," ৰজাই ক'লে।

মহান লোকৰ জীৱনৰ শিক্ষনীয় দিশ-২৮

সেই বিখ্যাত ইফেক্ট্ আৰু তাৰ ইফেক্ট্

প্ৰসিদ্ধ ভাৰতীয় বিজ্ঞানী চাৰ চি ভি ৰামণক (১৮৮৮-১৯৭০) লৈ দেশ বিদেশৰ পণ্ডিত আৰু বুদ্ধিজীৱীসকলৰ প্ৰবল কৌতূহল আছিল। ইয়াৰ কাৰণটো আছিল সেই সময়ত ভাৰত ব্ৰিটিছ শাসনৰ অধীনত আছিল আৰু ভাৰতক এনে এখন দেশ বুলি ভবা হৈছিল যিখন দেশে কোনো ক্ষেত্ৰতে চকুত লগা প্ৰগতি লাভ কৰিব নোৱাৰে। কিন্তু কলিকতা বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ প্ৰফেচাৰ ড.চন্দ্ৰশেখৰ ভেংকট ৰামণে পাশ্চাত্যক আচৰিত কৰি তুলিছিল যেতিয়া তেওঁ বহু বছৰ ধৰি পোহৰৰ আণৱিক গঠনৰ ওপৰত চলোৱা গৱেষণাৰ অন্তত এটা নতুন আলোকীয় পৰিঘটনা আৱিষ্কাৰ কৰিছিল আৰু তেওঁৰ এই পৰ্যৱেক্ষণ ১৯২৪ চনত প্ৰকাশিত হৈছিল। সেই সময়ৰ প্ৰসিদ্ধ বিজ্ঞানীসকল এই আৱিষ্কাৰত অতি আচৰিত হৈছিল আৰু তেওঁৰ সূত্ৰটোৰ সত্যতা সূক্ষ্মভাৱে পৰীক্ষা কৰি চাইছিল।

চাৰ চি ভিয়ে ১৯৩০ চনত নবেল বঁটা লাভ কৰে। তেওঁৰ এই আৱিষ্কাৰ ৰামণ ইফেক্ট্ নামেৰে বিখ্যাত হৈ উঠিল।

১৯৫৫ চনত যেতিয়া তেওঁৰ এই আৱিষ্কাৰৰ ৰূপালী জয়ন্তী হৈছিল, তেওঁ ঘটনাক্ৰমে পেৰিচত আছিল। ফৰাচী বিজ্ঞানী আৰু পণ্ডিতসকলে তেওঁৰ সন্মানাৰ্থে এক অভ্যৰ্থনাৰ আয়োজন কৰিলে। পাৰ্টি চলি থাকোতে এখন ট্ৰেত বিভিন্ন সুৰা থকা জাকজমকীয়া গিলাচ লৈ এজন চাপ্ৰাচী তেওঁৰ ওচৰলৈ আহিল। ড.ৰামণে মন কৰিলে তাৰে কোনোটো গিলাচতে ফলৰ ৰস বা আজিকালি আমি চফ্‌ট্ ড্ৰিংক বুলি কোৱা কোনো ধৰণৰ পানীয় নাই। তেওঁ লাহেকৈ চাপ্ৰাচীজনক পাৰ হৈ যাবলৈ ইংগিত দিলে, কিন্তু চাপ্ৰাচীজনে সেই ইংগিত বুজি নাপালে আৰু তেওঁৰ পাছে পাছে গৈ থাকিল। ৰামণে মানুহজনৰপৰা আঁতৰি যাবলৈ চেষ্টা কৰিছিল। তেওঁ ইজন সিজনৰ লগত কথা পাতি নিজকে ব্যস্ত ৰাখিব খুজিছিল। পিছে পৰম উৎসাহেৰে চাপ্ৰাচীজন ৰামণৰ পাছত ছাঁৰ দৰে লাগি থাকিল।

ইমান সময়ে কথাটো মন কৰি থকা

এগৰাকী ভদ্ৰমহিলা তেওঁৰ কাষ চাপি আহিল আৰু ট্ৰেখনৰ ফালে ড.ৰামণৰ দৃষ্টি আকৰ্ষণ কৰিলে। তেওঁ যে কোনো ধৰণৰ সুৰা পান নকৰে, এতিয়া সেই কথা জনোৱাৰ বাহিৰে তেওঁৰ হাতত কোনো উপায় নাছিল।

"কিন্তু চাৰ, আপোনাৰ বাবে আটাইতকৈ বেছি সোৱাদলগা সুৰাকণ বাচি দিবলৈ মোক জানো এটা সুযোগ নিদিব? ইয়াৰ এটা শোহা মাৰিলেই মোৰ এই সেৱাৰ বাবে আপুনি মোক ধন্যবাদ জনাব বুলি মই আপোনাক কথা দিব পাৰো।"



পৰম বিশ্বাসেৰে সৰবৰহী মহিলা-গৰাকীয়ে ক'লে আৰু এইখিনি কৈ তেওঁ চাৰ চি.ভিৰ সমুখত এটা গিলাচ তুলি ধৰিলে।

"আপোনাৰ এই সেৱাৰ দয়ালু প্ৰস্তাৱটোৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। কিন্তু মই সুৰাপান নকৰো, বেয়া নাপাব," নম্ৰভাৱে মহান বিজ্ঞানীজনে ক'লে।

"কিন্তু এই নামমাত্ৰ সেৱাৰদ্বাৰা মই আচলতে আপোনাৰ লগত এটা ঘনিষ্ঠতাহে গঢ়ি তুলিব খুজিছিলো। তাৰ পাছত মই আপোনাক আপোনাৰ প্ৰখ্যাত আৱিষ্কাৰটো প্ৰদৰ্শন কৰিবলৈ অনুৰোধ কৰিম বুলি ভাবিছিলো, মানে সেই ৰামণ ইফেক্টটো।"

মহিলাগৰাকীয়েও এৰি নিদিলে। ইতিমধ্যে আন বহুতো অতিথি তেওঁলোকৰ এই কথোপ-কথন শুনিবলৈ আৰু মহান বিজ্ঞানীজনৰ দৰ্শন ল'বলৈ সেই ঠাইত গোট খালেহি।

"এলক'হলত ৰামণ ইফেক্ট্ৰ প্ৰভাৱ মই নিশ্চয় দেখুৱাম যদিহে আপোনালোকে মোৰ গৱেষণা গাৰলৈ অহাৰ কষ্টকণ কৰে। কিন্তু ৰামণৰ ওপৰত এলক'হলৰ প্ৰভাৱ দেখুৱাবলৈ আপোনালোকে যেন মোৰ ওপৰত কোনো-ধৰণৰ বাধ্যবাধকতা আৰোপ নকৰে," মিচিকিয়া হাঁহি মাৰি চাৰ চি.ভিয়ে ক'লে। ইয়াৰ লগে লগে সৃষ্টি হোৱা প্ৰচণ্ড হাঁহিৰ খলকনিয়েহে ভদ্ৰমহিলাক শান্ত কৰিলে।

- মনোজ দাস

চান্দমামা কুইজ-১ ফেব্ৰুৱাৰী ২০০৮ৰ উত্তৰসমূহ:

১. চণ্ডীগড়ৰ ৰক গাৰ্ডেন; ২. হাওৰা বেল্লোৰ মঠ; ৩. ফাতেহপুৰৰ ফৰ্ট চিটীৰ বুলন্দ্ দৰৱাজা; ৪. জিম কৰবেট - উত্তৰাখণ্ডৰ ৰামগংগাত থকা কৰবেট ৰাষ্ট্ৰীয় উদ্যান; ৫. কল্যানসাগৰ সৰোবৰ, কূৰ্মপীঠ, ত্ৰিপুৰা।

গুজৰাতৰ এটা লোককাহিনী

এশতকৈ এক কম

চন্দন আৰু নন্দন প্ৰতিবেশী আছিল। চন্দন এজন ধনী সদাগৰ আছিল। নন্দন আছিল এজন দুখীয়া শ্ৰমিক যি প্ৰতিদিনে পুৱা কামৰ সন্ধানত ওলাই গৈছিল আৰু কাম কৰি পোৱা অলপীয়া ধন লৈ সন্ধ্যা ঘৰলৈ ঘূৰি আহিছিল। দুয়োজনৰ মাজত কিবা কাৰণত এটা বন্ধুত্ব গঢ় লৈ উঠিছিল।

নন্দন আৰু তেওঁৰ পত্নী চাৰুমতীয়ে তেওঁলোকৰ বন্ধুবৰ্গক আপ্যায়ণ কৰি বৰ ভাল পাইছিল। দুপৰীয়াৰ সাজ বা ৰাতিৰ সাজৰ বাবে তেওঁলোকৰ ঘৰত প্ৰায়েই আলহী আছিল।

তেওঁলোকৰ ঘৰৰপৰা ভাহি অহা হাঁহি ধেমালি চন্দন আৰু তেওঁৰ পত্নী পৰমেশ্বৰীয়ে মন নকৰাকৈ থকা নাছিল। নন্দনে ঘৰলৈ অনা অলপীয়া ধনেৰে কেনেকৈ তেওঁলোকে আলহীক ইমানকৈ আদৰ সাদৰ কৰিব পাৰে এই লৈ তেওঁলোক দুয়ো আচৰিত হৈছিল।

পৰমেশ্বৰী আৰু চাৰুমতীও ভাল বন্ধু আছিল। সদাগৰৰ পত্নীয়ে তেওঁৰ বন্ধুৰপৰা জানিব খুজিছিল কেনেকৈ তেওঁ আৰু তেওঁৰ স্বামীয়ে ইমান এটা অনুদ্বিগ্ন জীৱন কটাব পাৰে। এদিন তেওঁলোকে কথা পাতি থাকোতে পৰমেশ্বৰীয়ে সাহস গোটাই বহুদিন ধৰি মনত পুহি ৰখা প্ৰশ্নটো চাৰুমতীক সুধিয়েই পেলালে। মিচিকিয়া হাঁহি এটা মাৰি চাৰুমতীয়ে উত্তৰ দিলে, "বাইদেউ, সঁচা কথা ক'বলৈ গ'লে মোৰ স্বামীয়েনো আমাৰ ঘৰত এসাজ খাবলৈ ইমান সঘনাই আলহী আনে কেনেকৈ সেই কথা মই নিজেই নাজানো। তেওঁ কেৱল মোক ক'ব এসাজ খাবলৈ কেইজন আহিব আৰু আমাৰ ঘৰত সেই সময়ত যিখিনি বস্তু থাকে তাৰে মই এসাজ ৰান্ধিবলৈ লওঁ। আপোনাৰ স্বামী এজন বুদ্ধিয়ক মানুহ আৰু তেখেতে নিশ্চয় এই প্ৰশ্নৰ উত্তৰ দিব পাৰিব।"

চাৰুমতীৰ সৈতে হোৱা এই কথোপ-কথনৰ বিষয়ে স্বামীক ক'বলৈ পৰমেশ্বৰী এটা সুযোগৰ অপেক্ষাত ৰ'ল। চন্দনে কথাটো শুনি এনেকুৱা হাঁহি মাৰিলে যেন তেওঁ কাৰণটো জানেহে। "মোৰ প্ৰিয় পত্নী পৰমেশ্বৰী, কথাটো তেনেই সহজ। তোমাৰ বন্ধু আৰু তেওঁৰ স্বামী নন্দনে এটা অনুদ্বিগ্ন আৰু সুখী জীৱন কটাব পাৰিছে এই কাৰণেই যে তেওঁলোকে এতিয়াও নিৰানব্বৈৰ মহিমাৰ কথা জনা নাই। এবাৰ তেওঁলোকে এইটো গম পালে চাবাচোন, তেওঁলোকৰ জীৱনে কি গতি লয়।"



পৰমেশ্বৰীৰ খেলিমেলি লাগিল। "তুমি কিবা নিৰানব্বৈৰ ক্ষমতাৰ কথা কৈছা নেকি? সেইটোবা কি? মোক কোৱাচোন।"

চন্দনে পত্নীক এটা পোনপটীয়া উত্তৰ নিদিলে। "সেইটো কথা ইমান সহজে ক'ব পৰা বিধৰ নহয়। কিন্তু এইটো সংঘটিত হোৱা সোনকালেই তুমি দেখিবা আৰু তেতিয়াই তুমি বুজি পাবা।" চন্দনে আৰু বেছি একো নোকোৱাত, পত্নীৰ বিভ্ৰান্তি কমক চাৰি আগতকৈ বাঢ়িলহে।

পৰমেশ্বৰীয়ে কেইদিনমানৰ বাবে নিজৰ বান্ধৱী আৰু তেওঁৰ স্বামীৰ কথা ভাবিবলৈ বাদ দিলে। এদিন তেওঁ ভাবিবলৈ বাধ্য হ'ল, "আজি বহুতদিন হ'ল, চাৰুমতীৰ ঘৰৰপৰা কোনো হাঁহি ধেমালিৰ শব্দ অহা নাই!" তাৰ পাছত কেইদিনমান তেওঁ মন কৰিলে চাৰুমতীৰ ঘৰলৈ কোনো আলহী অহা নাই। কিন্তু তেওঁ মন কৰিলে চাৰুমতী আৰু তেওঁৰ স্বামীয়ে কেঁটেলা পহুৰ কাঁইটেৰে দলিচা বনাইছে। তেওঁ-লোকৰ ঘৰৰ আগৰ এডৰা ঘাঁহনিৰপৰা ঘাঁহি ছিঙি আনি এই দলিচা বনোৱা হৈছিল। এনিশা পৰমেশ্বৰীয়ে দেখিলে তেওঁৰ প্ৰতিবেশীৰ ঘৰত বহু পৰলৈকে লেম্প জ্বলি আছে। খুব সাৱধানে চাই পৰমেশ্বৰীয়ে মন কৰিলে চাৰুমতী আৰু তেওঁৰ স্বামীয়ে দলিচা বনোৱাত নিমগ্ন হৈ আছে। দিনৰ পাছত দিন এই দৃশ্যই দেখা পোৱা গ'ল। অ' তেওঁলোকে বোধকৰো বেছি টকা ঘটিবলৈকে এইবোৰ কৰিব লাগিছে, পৰমেশ্বৰীয়ে ভাবিলে।

এই চিন্তাই তেওঁক আমনি কৰিলে। তেওঁ আটাইতকৈ বেছি দুখ পালে এইটো কথাতহে যে চাৰুমতীয়ে আবেলিৰ সেই নিয়মীয়া বাৰ্ত্তালাপৰ বাবে তেওঁৰ ঘৰলৈ অহাটো বাদ দিলে। পৰমেশ্বৰীয়ে নিজৰ অনুসন্ধিৎসা দমাই ৰাখিব নোৱাৰিলে।

গতিকে, এদিন আবেলি চন্দন ঘৰত নথকা

অৱস্থাত তেওঁ চাৰুমতীৰ ঘৰ ওলালগৈ। চাৰুমতী থিয় হ'ল, তেওঁক সম্ভাষণ জনালে, নিজৰ ওচৰতে পৰমেশ্বৰীক বহিবলৈ ক'লে আৰু তেওঁৰ সমুখতে দলিচা বনোৱাত লাগিল। পৰমেশ্বৰীয়ে প্ৰশ্নটো কৰিয়েই পেলালে; "চাৰুমতী, আজি কালি তুমি মোক লগ পাবলৈ এৰিলা কিয়? তোমাৰ স্বামী আৰু তুমি সদায়ে দলিচা বনোৱা-তেই ব্যস্ত থাকা। কিয়? আজিকালি তেওঁ বেছি কাম নোপাৱা হৈছে নেকি?"

চাৰুমতীয়ে নিজৰ বান্ধৱীৰ চকুলৈ চালে, "মোৰ আৰু মোৰ স্বামীৰ কিবা পৰিৱৰ্তন দেখিছে যদি অনুগ্ৰহ কৰি উদ্বিগ্ন নহ'ব। আমি কেৱল আমাৰ জীৱনশৈলী সলনি কৰিবলৈ সিদ্ধান্ত লৈছো।"

পৰমেশ্বৰীয়ে চাৰুমতীৰ কথা বিশ্বাস নকৰিলে। পৰমেশ্বৰীয়ে কৈয়েই পেলালে,

"মোক ভুল নুবুজিবা, কিন্তু তোমালোকৰ যদি ভীষণ আৰ্থিক সংকট হৈছে, মোক কথাটো ক'বলৈ থেৰোগেৰো নকৰিবা। এই সংকটৰপৰা উদ্ধাৰ পাব পৰাকৈ মই তোমালোকক পৰ্যাপ্ত ধন দিব পাৰিম। মই কথাটো মোৰ স্বামীক নকওঁ, তুমিও তোমাৰ স্বামীক ক'ব নালাগে।"

চাৰুমতীয়ে এনেকুৱা এষাৰ পুতৌৰ কথা আশা কৰা নাছিল। "বাইদেউ, তেনেকুৱা একো হোৱা নাই। মোৰ স্বামীয়ে কাম পায়, কিন্তু তেওঁ নিজৰ উপাৰ্জনত কিবা অলপ যোগ দিব খোজে।"

"কিন্তু কিয়?" পৰমেশ্বৰীয়ে সুধিলে।

"ঠিক আছে, সেইটো কিয় মই ক'ব পাৰো। কিন্তু এটা কথা, তাৰে এটা শব্দও আপুনি আপোনাৰ স্বামীক ক'ব নোৱাৰিব।"

"চাৰুমতী, মই তোমাক কথা দিলো!" পৰমেশ্বৰীয়ে ক'লে।

"কেইদিনমানৰ আগৰ কথা," চাৰুমতীয়ে আৰম্ভ কৰিলে, "এদিন মোৰ স্বামী ঘৰলৈ ঘূৰি আহোতে, তেওঁ দুৱাৰখন খুলিবলৈ লৈয়েই দেখা পালে মুখখন বান্ধি থোৱা এটা মোনা। মোনাটো হাতত তুলি তেওঁ ভিতৰলৈ আহিল। তেওঁ মোনাটো খিৰিকীৰ ওচৰতে থওঁতে, মুদ্ৰাৰ জুনুক জুনুক শব্দ শুনিবলৈ পালে।"

"সেইবোৰ সোণৰ মুদ্ৰা আছিল নেকি? তোমালোক নিশ্চয় হঠাতে ধনী হৈ গ'লা, ছাগে!" পৰমেশ্বৰীয়ে ক'লে।

চাৰুমতীয়ে আৰম্ভ কৰিলে, "মোৰ স্বামীয়ে মোনাটো খুলিলে আৰু মুদ্ৰাখিনি মজিয়াত মেলি দিলে। সেইবোৰ ৰূপৰ মুদ্ৰা আছিল। তেওঁ গণিবলৈ আৰম্ভ কৰিলে। এক, দুই,

তিনি... আঠানব্বৈ, নিৰানব্বৈ। গণনা শেষ। তেওঁ ক'লে, 'মোৰ ধাৰণা হৈছে গণনা কৰোতে মোৰ ভুল হৈছে।' তেওঁ আকৌ গণনা আৰম্ভ কৰিলে। নাই, মুদ্ৰা কেৱল নিৰানব্বৈটা আছে। তেওঁৰ মনত খুদুৱনি থাকি গ'ল। তেওঁ ক'লে, 'চাৰুমতী, তুমি গণনা কৰাচোন।' মই গণিবলৈ ধৰিলো আৰু কোনো সন্দেহ নথকাকৈ মুদ্ৰা নিৰানব্বৈটা পোৱা গ'ল।"

"আমি ইজনে সিজনৰ মুখলৈ চালো। 'এটা মুদ্ৰা কমিব কেনেকৈ?' মোৰ স্বামীয়ে সুধিলে। মই ক'লো, 'হয়, এশ নম্বৰ মুদ্ৰাটো গ'ল ক'লৈ?' আমি দুয়োজনে কোনো উত্তৰ বিচাৰি নাপালো। হঠাতে তেওঁ ক'লে, 'মই জানো কি কৰিব লাগিব?' তাৰপাছত তেওঁ সেই দিনা পাৰিশ্ৰমিক হিচাপে পোৱা ধনৰপৰা এটা মুদ্ৰা উলিয়ালে আৰু মোনাটোত মুদ্ৰাৰ সংখ্যা এশটা কৰি মোনাটোৰ মুখখন বন্ধ কৰি সেইটো একাষৰীয়া কৰি থৈ দিলে।"

"তাৰপাছত কি হ'ল?" পৰমেশ্বৰী অধৈৰ্য হৈ উঠিল।

"তাৰপিছত, মোৰ স্বামীয়ে প্ৰতিদিনে মোনাটোত এটাকৈ মুদ্ৰা ভৰাবলৈ ঠিক কৰিলে, আৰু সেইদৰে আমি সঞ্চয় কৰিবলৈ আৰম্ভ কৰিলো। কেইদিনমান তেওঁ কামলৈ নগ'ল আৰু মোৰ লগতে দলিচা বনোৱাৰ কামত লাগিল। সেইবোৰ বিক্ৰী কৰি পোৱা ধনো মোনাৰ লগ লাগিল।"

পৰমেশ্বৰীয়ে ক'লে, "কিন্তু তোমালোকৰ বন্ধু বান্ধৱবোৰ গ'ল কলৈ? আজিকালি তেওঁলোকক দেখোন তোমালোকৰ ওচৰলৈ অহা দেখা নাযায়।"

"অ' আজিকালি তেওঁলোক নাহে।

আমি আমন্ত্ৰণ নকৰা নহয়, কিন্তু তেওঁলোকৰ কেইজনমান এই ঠাই এৰি গুচি গৈছে আৰু আমাক ব্যস্ত হৈ থকা দেখি বাকীসকল নহা হ'ল। আমিও তেওঁলোকৰ অভাৱ অনুভৱ নকৰা হ'লো।"

পৰমেশ্বৰীয়ে বুজিলে কেনেকৈ নিৰান-ব্বৈয়ে তেওঁলোকৰ প্ৰতিবেশীৰ জীৱনলৈ এটা ডাঙৰ পৰিৱৰ্ত্তন আনিলে। অৱশ্যে পৰমেশ্বৰীয়ে নিজৰ বান্ধৱীক দিয়া প্ৰতিশ্ৰুতি অনুসাৰে নিজৰ স্বামীক এই বিষয়ে কোনো কথা নক'লে।

তেওঁৰ স্বামীৰো প্ৰতিবেশীৰ কথা লৈ মূৰ ঘমাবলৈ সময় নাছিল। এজন ধূৰ্ত্ত মানুহ হিচাপে, তেওঁও পৰমেশ্বৰীক জানিবলৈ নিদিলে কেনেকৈনো তেওঁ প্ৰতিবেশীৰ জীৱনলৈ পৰিৱৰ্ত্তন আনিলে।

চিৰস্মৰণীয় ঐতিহাসিক ঘটনা-৭

বীৰাঙ্গনা ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ

এইটো সেই সময় আছিল যেতিয়া মাতৃভূমিৰ স্বাধীনতাৰ বাবে ভাৰতীয় বীৰসকলে নিজৰ প্ৰাণৰ আশংকাকো নেওচি বিদেশী শাসকৰ বিৰুদ্ধে বিদ্ৰোহত উঠি পৰি লাগিছিল আৰু যুদ্ধ আৰম্ভ কৰিছিল। ১৮৫৭ চনৰ কথা। তেতিয়ালৈ উমি উমি জ্বলি থকা বিদ্ৰোহৰ জুই আগ্নেয়গিৰিৰ দৰে উদ্গীৰণ হৈছিল। ব্ৰিটিছে কিবা নহয় কিবা অজুহাত উলিয়াই স্থানীয় ৰাজ্য সমূহ নিজৰ দখললৈ নিছিল। একে উদ্দেশ্যেৰে ব্ৰিটিছে ঝান্সীৰ ওপৰত আক্ৰমণ আৰম্ভ কৰিছিল। তেতিয়া ঝান্সীৰ দুৰ্গৰ ওপৰৰপৰা এক কণ্ঠস্বৰে গাজনিৰ দৰে গৰজি উঠিছিল, "ঝান্সী এৰি দিয়া। সাহস আছে যদি চেষ্টা কৰি চোৱা।"

এনে দৃঢ়তাৰে গৰ্জন কৰা এই কণ্ঠস্বৰৰ অধিকাৰী কোনো ৰজা নাছিল। তেওঁ আছিল বিছ বছৰৰো কম বয়সৰ ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ।

১৮৩৬ চনত মোৰোপন্ত তাম্বে আৰু ভাগীৰথীবাঈৰ এজনী কন্যা জন্ম হৈছিল, যাৰ নাম ৰখা হৈছিল মণিকৰ্ণিকা। শৈশৱৰেপৰা তেওঁ পঢ়া-শুনা আৰু খেলা-ধূলাত বিশেষ পাৰ্গতালি দেখুৱাইছিল। সাত বছৰ বয়সতে তেওঁ অশ্বচালনা শিকিছিল। লগতে তৰোৱাল চলোৱা আৰু ধনুবিদ্যাও আয়ত্ত্ব কৰিছিল। ল'ৰাতকৈয়ো তেওঁৰ সামৰ্থ বেছি আছিল। শৈশৱত তেওঁ পিতাকৰ মুখৰপৰা কিছুমান পৌৰাণিক বীৰগাঁথা শুনিছিল। বীৰ সকলৰ লক্ষণ আৰু উদাত্ত গুণ তেওঁ নিজৰ হৃদয়ত সাঁচি থৈছিল।

সেই অসাধাৰণ কন্যাক দেখি মুগ্ধ ঝান্সীৰ কেইজনমান বংশৰক্ষক পুৰোহিতে তেওঁৰ

বিবাহ ৰজা গংগাধৰৰাৱৰ সৈতে সম্পন্ন কৰিলে। এইদৰে মণিকৰ্ণিকা ঝান্সীৰ ৰাণী হ'ল। তেওঁৰ এটি পুত্ৰ সন্তানো হৈছিল, কিন্তু সন্তানটি বেছি দিন জীয়াই নাথাকিল। বিষাদগ্ৰস্ত দম্পতিয়ে এটা ল'ৰাক তুলি ল'লে আৰু তাৰ নাম ৰাখিলে দামোদৰৰাৱ। ইয়াৰ কেইদিনমান পাছত ৰজাৰ মৃত্যু হ'ল, যাৰ ফলত ওঠৰ বছৰ বয়সতে লক্ষ্মীবাঈয়ে বৈধব্যক আকোৱালি ল'বলগীয়া হ'ল। তথাপি, ভয় নকৰাকৈ তেওঁ শাসনভাৰ সক্ষমতাৰে চম্ভালি ল'লে। নিজৰ ৰাণীক প্ৰজাই দেৱী বুলি ভাবি আদৰ কৰিছিল।

ভাৰতীয় ৰীতি অনুসাৰে তোলনীয়া পুত্ৰও নিজ গৰ্ভৰ পুত্ৰৰ সমানেই আছিল। কিন্তু গৱৰ্নৰ জেনেৰেল লৰ্ড ডেলহাউচীয়ে এটা বিচিত্ৰ নিয়ম কৰিছিল। তেওঁ ঘোষণা কৰিছিল যে যিবোৰ ৰাজ্যত শাসকৰ কোনো উত্তৰাধিকাৰী নাই, সেইবোৰ কম্পেনীৰ দখললৈ অনা হ'ব। ৰাণীয়ে এই নিয়ম মানিবলৈ অস্বীকাৰ কৰিলে আৰু ঝান্সীত বিজয় লাভ কৰিবলৈ তেওঁ সেনা প্ৰেৰণ কৰিলে।

সাহসী সৈনিকসকলৰ সহায় লৈ ৰাণীয়ে দুৰ্গৰক্ষাৰ বাবে প্ৰয়োজনীয় যা-যোগাৰ কৰিলে আৰু ২৪ ঘন্টাই তাত থাকি পৰিস্থিতি নীৰিক্ষণ কৰি থাকিল। মাকৰ দৰে নিজৰ ৰাণীৰ বাবে, পবিত্ৰ স্বাধীনতাৰ বাবে সৈনিক নিজৰ প্ৰাণ দিবলৈয়ো সাজু আছিল। দুৰ্গৰ প্ৰতিখন দুৱাৰৰ ওচৰত আৰু বিভিন্ন ঠাইত ৰাণীয়ে বন্দুকধাৰী সৈনিক নিয়োগ কৰিলে আৰু দুৰ্গৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কৰিলে। নিজে পৰ্যৱেক্ষণৰ কাম চম্ভালি তেওঁ সৈনিকসকলৰ মাজত স্ফূৰ্তি আৰু প্ৰেৰণা ভৰাই দিলে। শ্বেত বস্ত্ৰ পৰিধান কৰি, শ্বেত ঘোঁৰাৰ ওপৰত উঠি তেওঁ সেনাবাহিনীৰ নেতৃত্ব দিলে। ঘোঁৰাৰ নাকী মুখেৰে কামুৰি দুয়োহাতে তৰোৱাল চলাই তেওঁ শক্ৰসেনাৰ শিৰচ্ছেদ কৰি গ'ল। শেষত শক্ৰসেনা তেওঁৰ বীৰত্বৰ আগত টিকি থাকিব নোৱাৰিলে আৰু প্ৰাণ লৈ পলাল।

কেইমাহমানলৈকে শান্তি প্ৰতিষ্ঠা হ'ল। ব্ৰিটিছ শাসকে পৰাজয়ৰ এই অপমান সহ্য কৰিব পৰা নাছিল। তেওঁলোকে শক্তিমান সেনানায়ক চাৰ হ্যগ ৰৌজৰ সহায় কামনা কৰিলে। ১৮৫৮ চনত ব্ৰিটিছ সৈনিকে ঝান্সীৰ দুৰ্গ ঘেৰি ধৰিলে। ব্ৰিটিছৰ হাতত আছিল বৃহৎ মাত্ৰাত বন্দুক আৰু টোপ। লগতে আছিল টেলিস্কোপ

যাৰদ্বাৰা বহুত দূৰলৈকে চাব পৰা গৈছিল। তথাপি ব্ৰিটিছ সেনাৰ ওপৰত ঝান্সীবাঈয়ে অতৰ্কিতে আক্ৰমণ চলাইছিল আৰু অলপ সময়লৈকে তেওঁ ব্ৰিটিছ সেনাক দুৰ্গৰ ভিতৰত প্ৰবেশ কৰাত বাধা দিবলৈ সফল হৈছিল।

এই ঘটনাৰ বিষয়ে ৰৌজে পিছত লিখিছিল, "ধৈৰ্য, সাহস, বুদ্ধি, দৃঢ়তা আৰু আগ্ৰহত ৰাণী পৰম প্ৰশংসাৰ পাত্ৰ। তেওঁ নিজৰ অনুচৰ সকলৰ প্ৰতি যি দয়াৰ ভাব দেখুৱাই-ছিল, সেয়া অতুলনীয়।" তেওঁৰ সেনাই তেওঁক খুব বিপদজনক বিদ্ৰোহী নায়ক বুলি সন্মান কৰিছিল। ব্ৰিটিছে তেওঁক অদ্বিতীয় সাহসী বুলি স্বীকাৰ কৰিছিল।

তথাপি শক্তিশালী ব্ৰিটিছৰ সৈতে সমুখ সমৰত অৱতীৰ্ণ হৈ বেছি দিনলৈ তাক অব্যাহত ৰখাটো সম্ভৱ নাছিল, তেওঁৰ সৈন্যবল আৰু অস্ত্ৰ বল দিনকদিনে কমি আহিছিল। তথাপি দুৰ্গৰ ওপৰত থিয় হৈ দূৰত তেওঁ যি দৃশ্য দেখিছিল তাৰে তেওঁ খুব সুখী হৈছিল। ঝান্সী অভিমুখে এক বৃহৎ সেনা বাহিনী আহি থকা দেখা গৈছিল। এই সেনাবাহিনীৰ নেতৃত্ব দিছিল মাৰাঠা বীৰ তান্তিয়া তোপেই। নগৰক শত্ৰুৰ ঘেৰাওৰ পৰা বচাবলৈ ৰাণীয়ে টোপেৰে তেওঁৰ অভ্যৰ্থনা কৰিলে, কিয়নো স্বাধীনতাৰ হকে যুঁজা সেই বীৰে লগত সেনাবাহিনী লৈ ঝান্সীক সহায় কৰিবলৈ আহিছিল। তেওঁ পিছফালৰপৰা ব্ৰিটিছ সেনাক আক্ৰমণ কৰিলে। সমুখত বীৰাঙ্গনা ৰাণী আৰু পিছফালে দুহেজাৰ সৈনিক লগত লৈ মাৰাঠা বাঘ। শত্ৰু সেনাই ভয় খালে, ভয়াৰ্ত্ত ব্ৰিটিছ সেনা দুৰ্গ অভিমুখে আগ বাঢ়িল। এনে এক জটিল সময়ত দুৰ্গৰ এজন ৰক্ষকে ঘোচ খাই প্ৰতাৰণা কৰিলে। শত্ৰু প্ৰবেশ কৰিব পৰাকৈ তেওঁ দুৰ্গৰ জপনা খুলি দিলে। ইংৰাজ সেনা দুৰ্গৰ ভিতৰলৈ সোমাই আহিল। শত্ৰুৱে শিশু, বৃদ্ধ, আৰু স্ত্ৰীকো বিনাদ্বিধাই হত্যা কৰিলে। সকলো লুট পাত কৰিলে। ক্ৰুৰ শত্ৰুৰ হাতত নপৰিবলৈ হাজাৰ হাজাৰ স্ত্ৰীয়ে তাৰ গভীৰ কুঁৱাত জঁপিয়াই প্ৰাণত্যাগ কৰিলে। আকাশে বতাহে প্ৰজাৰ হাঁহাকাৰ প্ৰতিধ্বনিত হ'ল।

এইবোৰ দৃশ্য দেখি ৰাণীৰ দুচকুৰেদি লোতক বাগৰি আহিল। কণ্ঠ ৰুদ্ধ হোৱাৰ উপক্ৰম হ'ল। হয় তেওঁ শত্ৰুৰ সমুখত মৃৰ দোঁৱাব, নহয় তেওঁ প্ৰাণ থাকে মানে যুদ্ধ কৰিব। নহ'লে তাৰপৰা পলাই পুনৰ সেনা সুসংগঠিত কৰি শত্ৰুৰ লগত যুঁজ কৰিব।



তেওঁৰ সমুখত আছিল এই তিনিটা ৰাস্তা। ৰাণীয়ে তৃতীয় পথটোকে বাচি ল'লে আৰু তাৰপৰা পলাই যাবলৈ সিদ্ধান্ত ল'লে।

সেইদিনা ৰাতি আছিল পূৰ্ণিমা। ৰাণী যাতে পলাই যাব নোৱাৰে তাৰ বাবে দুৰ্গৰ চাৰিওফালে শত্ৰু সৈনিক নিযুক্ত কৰা হৈছিল। ভৱনৰ বহু তলত ঘোঁৰা সাজু হৈ আছিল। ৰাণীয়ে শিশুটিক পিঠিত বান্ধি ল'লে আৰু সকলোৰে চকুত ধূলি দি ৰছীৰ সহায় ল'লে। আৰু এনেকৈ দ্বাৰৰপৰা বাহিৰলৈ আহিল যে কোনেও গমেই নাপালে। বাহিৰত বিশ্বাসৰ পাত্ৰ স্ত্ৰী আৰু পুৰুষ তেওঁৰ বাবে অপেক্ষা কৰি আছিল। ৰাণীৰ আজ্ঞা অনুসাৰে তেওঁলোকে হাঁহি ধেমালি কৰি এনেকৈ আগ বাঢ়িল যেন একোৱেই হোৱা নাই।

কেইজনমান ব্ৰিটিছ সৈনিকে তেওঁ-লোকক সুধিলে, "তোমালোক কোন?" আপোনালোকৰ মিত্ৰ, আপোনালোকক সহায় কৰিম বুলি আহিছো।" তেওঁলোকে ক'লে। ৰাণী আছিল পুৰুষৰ বেশত। তেওঁৰ চেহেৰাত কোনো ধৰণৰ ভয়ৰ ভাব নাছিল। শত্ৰুৰ অলপো সন্দেহ নহ'ল। সেই সময়ত ৰাণীৰ দলনায়কে আন এঠাইত চাৰিশ সৈনিক লগত লৈ শত্ৰুৰ সৈতে যুঁজি আছিল। পুৱালৈকে তেওঁলোকৰ আটাইবোৰ মৰা গ'ল।

যেতিয়া হাগ ৰৌজে গম পালে যে ৰাণীয়ে দুৰ্গৰপৰা পলায়ন কৰিছে তেতিয়া তেওঁ খঙত অগ্নিশৰ্মা হ'ল। তেওঁ জেনেৰেল ডৌকৰক আদেশ দিলে যে তেওঁ যাতে ৰাণীক বিচাৰি উলিয়াই বন্দী কৰে। ৰাণীৰ সেনা আৰু ব্ৰিটিছ সেনাৰ মাজত তয়াময়া ৰণ লাগিল। ৰাণী লক্ষ্মীবাঈয়ে হঠাতে তৰোৱাল চলাই জেনেৰেল ডৌকৰক মাটিত পেলাই দিলে আৰু তাৰপৰা পলাই গ'ল। তেওঁৰ যাত্ৰাপথ আছিল ওখোৰা মোখোৰা, শিলেৰে ভৰা, তথাপি শিশুটি পিঠিত বান্ধি ঘোঁৰাত উঠি তেওঁ প্ৰায় এশ মাইল দূৰলৈকে গ'ল। তেওঁ কল্পী গৈ পালেগৈ। লক্ষ্য স্থান গৈ পোৱাৰ পিছতে ভাগৰুৱা ঘোঁৰাটো

মাটিত পৰি মৰি থাকিল। হাগ ৰৌজ সেনা-সহিতে কল্পী পালেগৈ আৰু যুদ্ধ কৰি সেই ৰাজ্য নিজৰ অধীনলৈ আনিলে। কিন্তু ৰাণীক বিচাৰি পোৱা নগ'ল। ৰাণী গোৱালিয়ৰ গৈ পালেগৈ। ব্ৰিটিছৰ অনুগত এজন শাসকে দুৰ্গ এৰি তাৰপৰা পলাই গ'ল। সেই ৰাজ্যৰ প্ৰজাসকলৰ আনন্দৰ সীমা নোহোৱা হ'ল। তেওঁলোকে ৰাণী আৰু তেওঁৰ লগৰ দেশভক্ত তান্তিয়া তোপে আৰু ৰাও চাহেব পেছৱাক সম্পূৰ্ণ সমৰ্থন দিলে। বৃহৎ সংখ্যক সৈন্য সংগঠিত কৰা হ'ল।

চাৰ হাগ ৰৌজৰ নেতৃত্বত সেই ৰাজ্যৰ ওপৰত আক্ৰমণ চলিল। ৰাণীয়ে সাহসেৰে এই আক্ৰমণৰ মুখামুখি হ'ল। কিন্তু লাহে লাহে তেওঁৰ সৈন্য সংখ্যা কমি আহিল। তথাপি সৈন্যসকলক উৎসাহিত কৰি তেওঁ নিজে যুদ্ধত নামিল যদিও হাগ ৰৌজৰ বিশাল সেনাৰ মোকাবিলা কৰা ইমান সহজো নাছিল।

তেওঁ ধৰিব পাৰিলে যে ব্ৰিটিছ সেনাই তেওঁক চাৰিওফালৰপৰা ঘেৰি ধৰিছে। কেৱল বিছজন সৈনিক আৰু দুজনী পৰিচাৰিকাক লৈ তেওঁ শত্ৰুসৈনিকৰ বলয়ৰপৰা পলাব লাগে। পিছলৈ ঘূৰি তেওঁ দেখে যে এজন ব্ৰিটিছ সৈন্যই তেওঁৰ এগৰাকী পৰিচাৰিকাক বন্দুকেৰে গুলীয়াই নিহত কৰিছে। ক্ৰোধান্বিত ৰাণীয়ে তৰোৱালৰ একেটা ঘাপতে সেইজন সৈনিকৰ শিৰচ্ছেদ কৰিলে। তেনেতে শত্ৰুসেনাই তেওঁক ঘেৰি ধৰিলে। অকলেই তেওঁ অনেক শত্ৰু সৈনিকৰ মুখামুখি হ'ল। অনেকক সিপুৰী পোৱালৈগে। বহুত সৈনিকক আহত কৰিলে। শেষত তেওঁ নিজে ধৰাশায়ী হ'ল। পুৰুষ বেশত থকা ৰাণীক শত্ৰু সৈনিকে চিনি নাপালে। তেওঁক দলনায়ক বুলি ভাবি শত্ৰুৱে ৰাণীক তাতে এৰি থৈ গ'ল। ৰাণীৰ বিশ্বাসৰ পাত্ৰ কেইজনমান সৈনিকে তেওঁক এটা জুপুৰীলৈ লৈ গ'ল। সেই অৱস্থাতে ৰাণীয়ে অনুচৰসকলক ক'লে যে তেওঁৰ মৃত্যুৰ পাছত তেওঁৰ মৃতদেহটো যেন জ্বলাই দিয়া হয়। লগতে ক'লে শত্ৰুৱে যেন তেওঁৰ মৃতদেহটোও নেদেখে। তাৰ কেইমুহূৰ্ত্তমানৰ পাছতে ৰাণীয়ে চিৰদিনৰ বাবে চকু মুদিলে। স্বাধীনতাৰ বাবে অদ্বিতীয় ধৈৰ্য আৰু সাহস লৈ যুদ্ধ কৰা সেই বীৰাঙ্গনা নাৰী শিৰোমণি ঝাঁসীৰ ৰাণী লক্ষ্মীবাঈৰ মৃত্যুৰ সময়ত বয়স আছিল মাত্ৰ একৈছ বছৰ। ***(এ.কে.ডি.)***

ন্যায়সংগত সিদ্ধান্ত

বাদছাহ আকবৰে ৰাজসভাক সম্বোধি সুধিলে, "আমাৰ ন্যায় ব্যৱস্থা ভালকৈ কাম কৰি আছেনে?"

"খুব ভালকৈ কাম কৰি আছে শ্বাহেনশ্বাহ। আমাৰ ন্যায়াধীশসকল ন্যায়শাস্ত্ৰত নিপুণ। তেওঁলোক সৎ, কেতিয়াও পক্ষপাতিত্ব নকৰে। ঠাইতে মোকদ্দমাৰ সিদ্ধান্ত দিয়ে," এজন সভাসদে ক'লে।

"আমাৰ আইন ন্যায়সংগত। আইনৰ দৃষ্টিত সকলো সমান," আন এজন সভাসদে ক'লে।

বাকী সভাসদসকলেও এই মন্তব্য সমৰ্থন কৰিলে। কেৱল বীৰবল নীৰৱে থাকিল। তাকে দেখি আকবৰে সুধিলে, "কি হে তুমি ভাবানেকি যে আমাৰ ন্যায়ব্যৱস্থা সন্তোষ-জনক নহয়?" ভ্ৰূ কোঁচাই আকবৰে সুধিলে।

"তেনেকৈ ভবা মানুহৰ ভিতৰত মই নাই। কিন্তু ভাল আইন আৰু ভাল ন্যায়াধীশ থাকিলেই আমি এইটো ক'ৰ নোৱাৰো যে ন্যায়ব্যৱস্থা ঠিকমতে চলি আছে," বীৰবলে বিনয়পূৰ্বক ক'লে।

তেনেতে এজন সৈনিক ৰাজসভালৈ আহিল। মূৰ দোঁৱাই বাদছাহক চালাম কৰি ক'লে, "এজন বৃদ্ধ আৰু এজন যুৱকে ন্যায় বিচাৰি আপোনাৰ দৰ্শন বিছাৰিছে।"

"ঠিক আছে, তেওঁলোকক ৰাজসভালৈ আহিবলৈ দিয়া," আকবৰে হুকুম দিলে।

অলপ সময়ৰ পাছত সেই সৈনিকজনে এজন বৃদ্ধ আৰু এজন যুৱকক লৈ ৰাজসভাত প্ৰবেশ কৰিলে। বৃদ্ধ মানুহজনৰ চুলি পকি গৈছিল আৰু তেওঁৰ ছাল সোতোৰা সোতোৰ হৈ গৈছিল। কিন্তু বৃদ্ধৰ চকুত আছিল তীক্ষ্ণ প্ৰজ্ঞাৰ চিন। যুৱকৰ ভাব ভঙ্গীতো আছিল আত্মবিশ্বাসৰ চিন। দুয়ো মূৰ দোঁৱাই বাদছাহক প্ৰণাম কৰিলে।

"তোমালোক দুয়ো কোন? কি কাম লৈ ইয়ালৈ আহিছা?" বাদছাহ আকবৰে সুধিলে।

"শ্বাহেনশ্বাহ, মোৰ নাম আব্দুল ৰহমান। যুৱক সকলক আইনৰ শিক্ষা দিয়াটোৱেই মোৰ পেছা। ইয়াৰ বাবে তেওঁলোকে মোক

যি ধন দিয়ে তাৰে মই মোৰ জীৱন চলাই আছো।" বৃদ্ধই ক'লে।

"তেন্তে আপোনাৰ কি কাৰণে অসুবিধা হৈছে?" আকবৰে সুধিলে।

"প্ৰমোদ বিহাৰী নামৰ এইজন যুৱকক মই আইনৰ শিক্ষা দিছিলো। তেওঁ যেতিয়া আইন শিকিবলৈ মোৰ ওচৰলৈ আহিছিল তেতিয়া মই তেওঁক স্পষ্টকৈ কৈছিলো ইয়াৰ বাবে তেওঁ মোক কিমান ধন দিব লাগিব। প্ৰতি মাহে মই তিনিটাকৈ সোণৰ মুদ্ৰা লওঁ। এবছৰলৈকে এই শিক্ষাদান চলি থাকিব। এওঁ সেই সময়ত কৈছিল যে মই দুখীয়া আৰু এইখিনি ধন মই দিব নোৱাৰিম। তেওঁৰ ওপৰত দয়া ওপজাত মই তেওঁক ক'লো যে মই তোমাক আইনৰ শিক্ষা দিম, কিন্তু বিদ্যা শেষ হোৱাৰ পাছত যেতিয়া প্ৰথম মোকদ্দমা জিকিবা তেতিয়া মোক ছয়ত্ৰিছটা সোণৰ মুদ্ৰা দিব লাগিব। তেওঁ মোৰ চৰ্ত্ত মানি লৈছিল। মই তেওঁক আইনৰ শিক্ষা দিলো। তেওঁ প্ৰখৰ মেধাসম্পন্ন, সেয়েহে আইনৰ কৌশলবোৰ খুব সহজেই শিকি ল'লে। মোৰ সম্পূৰ্ণ বিশ্বাস হ'ল যে এইজন যুৱক ভৱিষ্যতে এজন উত্তম উকীল হ'ব। তেওঁক দেখি মই গৌৰৱ অনুভৱ কৰিলো। মই বিশ্বাস কৰিলো, প্ৰথমটো মোকদ্দমা জিকি তেওঁ মোক মোৰ ঋণ পৰিশোধ কৰিব।" এইবুলি কৈ বৃদ্ধ ৰৈ গ'ল।

"এতিয়া তেওঁ ধন দিবলৈ অস্বীকাৰ কৰিছে। কথা সেইটোৱেই নহয় জানো?" বাদছাহে সুধিলে।

"নহয় শ্বাহেনশ্বাহ, তেওঁ ধনখিনি দিবলৈ অস্বীকাৰ কৰা নাই। কৈছে যে প্ৰথমটো মোকদ্দমা জিকাৰ পিছতে ধনখিনি দিব। মোৰ ভয় হৈছে সেইটো কেতিয়াও সম্ভৱ নহ'ব।" বৃদ্ধই ক'লে।

"কিয়?" বাদছাহ আকবৰে সুধিলে।

"এতিয়া তেওঁ উকীলৰ পেছা গ্ৰহণ কৰিব নোখোজে। তেওঁ এই পেছা ল'লেহে মোকদ্দমা ল'ব পাৰিব আৰু জিকিব পাৰিব। তেওঁ জিকিলেহে মই ধনখিনি পাম," উদ্বিগ্ন হৈ বৃদ্ধই কথাখিনি ক'লে।

বাদছাহে যুৱকজনৰ ফালে চাই সুধিলে, "তেওঁ তোমাক আইনৰ শিক্ষা দিয়া কথাটো সঁচা নে?" "হয়, বাদছাহ," যুৱকে ক'লে।

"আইনৰ শিক্ষা যেতিয়া দি থকা হৈছিল তেতিয়া তুমি তেওঁক কোনো ধন দিয়া নাছিলা। নহয়নে?" আকবৰে সুধিলে।

"হয় বাদছাহ," যুৱকে ক'লে।

"এতিয়া প্ৰথম মোকদ্দ-মাত জিকি তেওঁ পাবলগীয়া ধনখিনি পৰিশোধ কৰিব পাৰা নহয় জানো?" আকবৰে সুধিলে।

"হয়, পৰিশোধ কৰিব পাৰো। কিন্তু মোৰ এতিয়া উকীলৰ পেছা গ্ৰহণ কৰাৰ কোনো অভিপ্ৰায় নাই, শ্বাহেনশ্বাহ," যুৱকে ক'লে।

"কিয়?" আকবৰে সুধিলে।

"অলপতে মোৰ এজন আঢ্যৱন্ত খুড়াৰ মৃত্যু ঘটিছে। তেওঁৰ অনেক খেতি পথাৰ আৰু ফলৰ বাগিচা আছে। তেওঁ নিসন্তান আছিল। তেওঁ নিজৰ গোটেই সম্পত্তি মোৰ নামতে লিখি থৈ গৈছে। এতিয়া মই বহুত আঢ্যৱন্ত। মই উকীলৰ কাম কৰাৰ কোনো প্ৰয়োজন নাই। মই মোৰ খুড়াৰ সম্পত্তি চম্ভালি থাকিব খোজো।" যুৱকে স্পষ্ট ভাষাৰে কাৰণটো ক'লে।

"তাৰমানে তুমি প্ৰথম মোকদ্দমাটো জিকাৰ পাছতহে তোমাৰ গুৰুৰ ঋণ পৰিশোধ কৰিবা।" আকবৰে ক'লে।

"আমাৰ মাজত হোৱা বুজাবুজিও সেইটোৱেই আছিল প্ৰভু," যুৱকে ক'লে।

"কথাটো সঁচানে বাৰু?" এইবুলি কৈ বাদছাহে বৃদ্ধৰ ফালে চালে।

"হয় বাদছাহ," বৃদ্ধই লাহে লাহে ক'লে। "তেন্তে এই যুৱকৰ বিৰুদ্ধে আমি ব্যৱস্থা লওঁ কেনেকৈ? কেনেকৈ আপোনাক সহায় কৰিব পাৰো?" আকবৰৰ প্ৰশ্নত তেওঁৰ অসহায় অৱস্থাৰ চিন ফুটি উঠিছিল।

"শ্বাহেনশ্বাহ," সেই যুৱকজনে ক'লে।

বাদছাহে ক'লে, "কোৱা, তোমাৰ কি কৰিবলগীয়া আছে?"

"মই যেতিয়া উকীলৰ পেছা গ্ৰহণ কৰি



প্ৰথমটো মোকদ্দমা লম আৰু জিকিম, তেতিয়া নিশ্চয় মই গুৰুৰ ঋণ পৰিশোধ কৰিম। তেওঁ বৰ ভাল মানুহ। আইনত নিপুণ ব্যক্তি। তেওঁৰ কাৰণেই মই আইনৰ কথাবোৰ শিকিব পাৰিলো। আইনৰ কথা কাণ্ড মই খুব ভালকৈ জানো।" যুৱকে ক'লে।

বৃদ্ধৰ প্ৰতি বাদছাহৰ মনত সহানুভূতি হ'ল ঠিকেই কিন্তু বাদছাহ বৃদ্ধক সহায় কৰিব পৰা অৱস্থাত নাছিল। তাতে বৃদ্ধক এতিয়া সহানুভূতি নালাগে। বৰঞ্চ তেওঁক লাগে ধন, শিক্ষাদানৰ প্ৰতিফল। অসহায় দৃষ্টিৰে বাদছাহে সভাসদসকলৰ ফালে চালে।

"নিজৰ প্ৰথমটো মোকদ্দমাত জিকি যুৱকে গুৰুৰ ঋণ পৰিশোধ নকৰালৈকে বৃদ্ধই অপেক্ষা কৰিব লাগিব।" সভাসদসকলৰ

ভিতৰত বয়সত আটাইতকৈ ডাঙৰজনে মন্তব্য কৰিলে।

"সেইটোৱেই ন্যায়সংগত হ'ব," বাকী সভাসদসকলেও তেওঁৰ কথা সমৰ্থন কৰি ক'লে।

"যুৱকে যি কৈছে, সেয়া নিশ্চয় ন্যায়সংগত। যেতিয়ালৈকে তেওঁ প্ৰথম মোকদ্দমাত নিজিকে, তেতিয়ালৈকে তেওঁ গুৰুৰ ঋণ পৰিশোধ কৰাৰ প্ৰয়োজন নাই।" যুৱকৰ ফালে চাই বীৰবলে হাঁহি এটা মাৰি ক'লে।

যুৱকেও হাঁহিলে। তেওঁৰ প্ৰতি ন্যায় প্ৰদান কৰা হ'ব বুলি বৃদ্ধই আশা লৈ আহিছিল। তেওঁ ভাবিছিল যে বাদছাহে তেওঁৰ প্ৰাপ্য ধন দিওৱাৰ ব্যৱস্থা কৰিব। কিন্তু তেওঁৰ এই আশা এতিয়া নিৰাশাত পৰিণত হ'ল।

"আপুনি ধনখিনি নিশ্চয় পাব। কিন্তু আপোনাৰ আৰু যুৱকৰ মাজত হোৱা বুজাবুজি অনুসাৰে তেতিয়ালৈকে আপুনি অপেক্ষা

কৰিব লাগিব যেতিয়ালৈকে তেওঁ প্ৰথমটো মোকদ্দমা নিজিকে।" বাদছাহে বৃদ্ধক ক'লে।

বাদছাহৰ ৰায় শুনি বৃদ্ধৰ দুচকুৰেদি লোতক বাগৰি আহিল। তেওঁ কিবা কৰিব বা ক'ব পৰা অৱস্থাত নাছিল, সেয়েহে তেওঁ মৌন হৈ থাকিল।

যুৱকে বৃদ্ধৰ ফালে ব্যংগ ভৰা দৃষ্টিৰে চালে আৰু তাৰপাছত বাদছাহৰ ফালে মুখ কৰি ক'লে, "মই আপোনাৰ প্ৰতি গভীৰভাৱে কৃতজ্ঞ। মই আগতেই জানিছিলো যে প্ৰভুৱে নিশ্চয় ন্যায়সংগত ৰায় প্ৰদান কৰিব।"

ইয়াৰ পাছত দুয়ো মূৰ দোঁৱাই বাদছাহক চালাম কৰিলে আৰু ৰাজসভাৰপৰা বাহিৰলৈ আহিবলৈ ওলাল।

"একক্ষণ," বীৰবলৰ কণ্ঠস্বৰ শুনি যুৱকে ঘূৰি চালে। বৃদ্ধও থিয় হৈ ৰ'ল।

"তুমি গুৰুক প্ৰতিশ্ৰুতি দিছিলা যে প্ৰথম মোকদ্দমাত জিকাৰ পাছত গুৰুক দিবলগীয়া ধনখিনি দিবা, নহয় জানো।" বীৰবলে সুধিলে।

"অঁ, নিশ্চয় দিম। মই মোৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিম," যুৱকে উত্তৰ দিলে।

"বৰ ভাল কথা। এতিয়া ৰাজসভাত তুমি তোমাৰ প্ৰথম মোকদ্দমাত জয় লাভ কৰিলা। গতিকে..." এইবুলি কৈ বীৰবল হঠাতে বৈ গ'ল। যুৱকৰ চকু কপালত উঠিল আৰু তেওঁ গম পালে যে এতিয়া গুৰুক ধন দিবই লাগিব, তাৰ বিকল্প নাই। বৃদ্ধই বীৰবল আৰু বাদছাহৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলে।

"তুমি অদ্ভুত সিদ্ধান্ত দাঙি ধৰিলা," এইবুলি কৈ বাদছাহে মৰমেৰে বীৰবলক আলিঙ্গন কৰিলে।

চান্দমামা কুইজ-৩

(১৬ বছৰৰ তলৰ শিশুৰ বাবে)

Co-sponsored by Infosys FOUNDATION, Bangalore

আটাইবোৰ শুদ্ধ উত্তৰ থকা প্ৰৱিষ্টিয়ে আনি দিব নগদ *২৫০ টকাৰ পুৰস্কাৰ।

আমাৰ ২৮খন ৰাজ্য আৰু ৭খন কেন্দ্ৰীয় শাসিত ৰাজ্য ক্ষেত্ৰৰ বিষয়ে তোমাৰ জ্ঞান পৰীক্ষা কৰা।

*আটাইবোৰ শুদ্ধ উত্তৰ থকা প্ৰৱিষ্টি এটাতকৈ বেছি হ'লে সফল অংশগ্ৰহণকাৰীসকলৰ প্ৰত্যেকেই পাব ৫০ টকাকৈ।

তুমি কি কৰা উচিত: ১.এখন কাগজত উত্তৰবোৰ লিখা; ২.তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে সম্পূৰ্ণ ঠিকনা উল্লেখ কৰা; ৩.লেফাফাৰ ওপৰত লিখা চান্দমামা কুইজ-৩; ৪.৩১ এপ্ৰিল, ২০০৮ৰ আগতে আমাৰ হাতত পৰাকৈ তোমাৰ প্ৰৱিষ্টি ডাকত দিয়া। উত্তৰবোৰ দিয়া হ'ব জুন, ২০০৮ সংখ্যাত।



১. কোনখন ৰাজ্য ভাৰতৰ 'চেনি বাতি' নামে জনাজাত?
২. সাৰ্বজনীন ভোটদানৰ অধিকাৰৰ ভিত্তিত এখন ৰাজ্যত ১৯৪৭ চনত নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল। কোনখন ৰাজ্যত?
৩. ৰাইটাৰ্চ বিল্ডিং ক'ত আছে? ইয়াৰ গুৰুত্ব কি?
৪. কোনখন ৰাজ্যকে 'উদ্ভিদ বিজ্ঞানীৰ স্বৰ্গ' নামেৰে জনাজাত?
৫. উৰিষ্যাৰ পুৰণি নাম কি আছিল?
৬. এখন কেন্দ্ৰীয় শাসিত ৰাজ্যক্ষেত্ৰ, তিনিখন বেলেগ বেলেগ ৰাজ্যত অৱস্থিত। সেইখনৰ নাম কি?
৭. এখন ৰাজ্যৰ জনপ্ৰিয় নাম হ'ল 'দেৱভূমি', কোনখন ৰাজ্য?
৮. ৰঙা নদী চাবলৈ তুমি ক'লৈ যাব লাগিব? নদীখনৰ প্ৰকৃত নাম কি?
৯. কোন দুখন ৰাজ্যৰ এখন উমৈহতীয়া ৰাজধানী আছে?
১০.ৰাজ্যসভাত কোনখন ৰাজ্যৰ সৰ্বাধিক আসন আছে? কেইখন?
১১.মহাভাৰতৰ যুদ্ধ সংঘটিত হোৱা কুৰুক্ষেত্ৰ কোনখন ৰাজ্যত আছে?
১২.উৰ্দু কোনখন ৰাজ্যৰ চৰকাৰী ভাষা?

শ্বান্তাৰ উত্তেজনাৰ শেষ নাই। আজি ৰাতি-পুৱাই জগাই দি মাকে তাইক ভাল খবৰটো দিছে। এইবাৰ গৰমৰ বন্ধত সিহঁতবোৰ কেৰালালৈ যাব। তেতিয়াই দেখোন মালয়ালী-সকলৰ এটা অন্যতম গুৰুত্বপূৰ্ণ উৎসৱ বিশু পালন কৰা হ'ব। "মা, আমি বিশুৰ বাবে কেৰালালৈ যাম নেকি?" তাই সুধিলে। মাকে উত্তৰ দিলে, "অঁ, এইবাৰ আমি তোমাৰ ককা আইতাৰ লগত বিশু পালন কৰিম।"

ৰেলেৰে কৰা এটা দীঘলীয়া যাত্ৰাৰ অন্তত তেওঁলোক কেৰালাত উপস্থিত হ'লগৈ। শ্বান্তা সোমালগৈ আইতাকৰ প্ৰশস্ত দুবাহুৰ মাজত, তাইৰ অপাৰ আনন্দ। "আইতা, বিশু কেতিয়াকৈ?" তাই সুধিয়েই পেলালে। আইতাকে উত্তৰ দিলে, "কাইলৈ বিশু। বাৰু এতিয়া ভিতৰলৈ আঁহাচোন!"

বিশু কাণিৰ বাবে আটাইবোৰ বস্তু গোটাই আনিবলৈ যেতিয়া আইতাকে তেওঁলোকৰ বাৰীত বহুদিনপৰা কাম কৰি অহা চিন্নন আৰু কান্ননক মাতিলে তেতিয়া শ্বান্তায়ো সিহঁতৰ লগত যাবলৈ খাটনি ধৰিলে।

চিন্ননৰ লগত শ্বান্তা সিহঁতৰ বাৰীৰ ফালে খোজকাঢ়ি গ'ল। কান্নন অকলে অকলে বেলেগ এফালে গ'ল। "তেওঁনো অকলে গৈছে ক'লৈ?" শ্বান্তাই সুধিলে।

"সি সোনকালেই আমাৰ লগ লাগিব," চিন্ননে কেৱল সিমানকে ক'লে।

বাটত তাই আমগছজোপা দেখিলে। যোৱাবাৰ গৰমৰ বন্ধত আঁহোতে ককাকে এইজোপা গছতে তাইৰ বাবে ডোলনা এখন বান্ধি দিছিল। গছজোপাৰ ডালত পকা আম ওলমি আছিল। চিন্ননে ইয়াৰে বাৰটামান আম চিঙি বেতৰ টুকুৰীটোত ভৰালে। তাই আমবোৰ শুঙি চালে। মুম্বাই বজাৰত পোৱা আমবোৰতকৈ দেখোন এইখিনি আমৰ গোন্ধ বেছি ভাল।

"ইয়াৰ পাছত কি ল'বা?" শ্বান্তাই চিন্ননক সুধিলে।

"আহি থাকাচোন, তুমি নিজেই দেখিবা," চিন্ননে ক'লে।

সোনকালেই সিহঁত বাৰীৰ চাৰিসীমাত থকা কাঁটাতাৰৰ বেৰা পালেগৈ। কি আচৰিত! এটা ভূবনভুলোৱা দৃশ্যই তাইৰ চকুদুটা জোৰ পেলালে। এজোপা দীঘল লেবুৰনাম গছৰ ডালবোৰত ফুলি আছে চালে চকুৰোৱা সোণালী হালধীয়া ৰঙৰ ফুলবোৰ। অস্ত যাবলৈ ধৰা সূৰ্যৰ পোহৰত ফুলবোৰ উজ্জ্বল সোণৰ মুদ্ৰাৰ দৰে জিলিকিছিল। এই ফুলবোৰ কাইলৈ দেৱতাৰ মূৰ্ত্তি সজাই পৰাই তোলাৰ কামত আহিব, চিন্ননে বুজালে। শ্বান্তাৰ চকুৰ আগতে চিন্নন গছজোপাৰ ওপৰলৈ উঠি গ'ল আৰু আলফুলে হালধীয়া ফুল অলপ চিঙি তাইৰ ফালে আগবঢ়াই দিলে। শ্বান্তাই ফুলবোৰ টুকুৰীত ভৰালে।

"আমাৰ হ'ল নেকি?" তাই সুধিলে।

"নাই, নাই, আৰু আছে" ঘৰটোৰ ফালে থকা কঠাল গছ এজোপাৰ ফালে তাইক ঘূৰাই দি চিন্ননে ক'লে।

গছজোপাৰ কাষতে সিহঁতে ৰৈ দিলে। গছজোপাৰ গাগছৰপৰা ওলমি প্ৰায় মাটিত লাগিব খোজা কঠালবোৰ দেখি শ্বান্তা আচৰিত হ'ল।

চিন্ননে খুব সাৱধানে একেবাৰে তলৰ কঠালটোৰ ঠাৰিডাল কাটি তাৰপৰা ওলোৱা আঠাবোৰ শুকাবলৈ কঠালটো একাষৰীয়াকৈ থি দিলে। "মই পিছত আহি কঠালটো ঘৰলৈ লৈ যাম," চিন্ননে ক'লে।

এইবুলি কৈ চিন্নন আম আৰু ফুল থকা টুকুৰীটোৰ কাষতে বহি দিলে। "কি হ'ল চিন্নন?" শ্বান্তাই সুধিল।

"এইখিনিৰপৰা তোমাক কান্ননে লৈ যাব।" সি ক'লে। কান্নন সোনকালেই সেইখিনি পালেহি। "বলা যাওঁ আমি," সি তাইক ক'লে। ঘৰলৈ টুকুৰীটো কঢ়িয়াই নিবৰ বাবে চিন্ননৰ হাতত দি, শ্বান্তা আৰু কান্নন পিছ চোতালৰ ফালে গ'ল। "ইয়াতেই তোমাৰ আইতাই আটাইবোৰ পাচলিৰ খেতি কৰে। গুটি সিঁচা, পুলিত পানী দিয়া আৰু খেতি চপোৱা কামত মই আৰু চিন্ননে তোমাৰ আইতাক সহায় কৰো।"

"আৰু তাত আমি কি কৰিম?" শ্বান্তাই সুধিলে। "বিশ্বু কাণিৰ বাবে আমি অলপ পাচলি তুলিম," কান্ননে ক'লে। প্ৰাৰ্থনাৰ বাবে পাচলি? শ্বান্তা আচৰিত হ'ল যদিও তাই নীৰৱে কান্ননৰ পাছে পাছে গৈ থাকিল। সি তাইক লৈ গ'ল মাটিৰ সাপৰ দৰে বগাই থকা অলপ লতাৰ ওচৰলৈ। তাতে লাগি আছিল কিছুমান পূৰঠ তিয়ঁহ। শ্বান্তাই কিছু সময় লতাবোৰৰ মাজত খেলিলে, কিছুমান পূৰঠ আৰু কিছুমান কুমলীয়া তিয়ঁহ দেখি তাই খুব ভাল পালে। কান্ননে ঘৰত ব্যৱহাৰৰ বাবে কেইটামান তিয়ঁহ চিঙিলে। তাৰপাছত সিহঁত ঘৰলৈ ঘূৰি আহিল। ৰাতিৰ আহাৰৰ পাছত শ্বান্তাই বিশ্বু কাণিৰ বাবে আইতাকে কৰা যা যোগাৰ চালে। শ্বান্তা অধৈৰ্য হৈ পৰিল।

পিছদিনা পুৱা, শ্বান্তাই সাৰ পাই তাইৰ চকুৰ আগত এখন ঠাণ্ডা ভিজা হাতৰ স্পৰ্শ অনুভৱ কৰিলে। মাকৰ মাত ভাহি আহিল, "এয়া বিশ্বু,

ভাৰতৰ বিষয়ে জানি লোৱা

প্ৰসিদ্ধ ইতিহাসবিদ এ.এল. বাশ্বমে লিখি উলিয়াইছিল “দ্য ৱন্দাৰ ডেট ইজ ইণ্ডিয়া” নামৰ গ্ৰন্থখন। তলৰ ইংগিতবোৰৰপৰা কেইটামান আচৰিত বস্তু চিনাক্ত কৰিবলৈ চেষ্টা কৰাচোন।

১. কুতুব মিনাৰৰ চৌহদত থকা লোহাৰ স্তম্ভটো কোনে প্ৰতিষ্ঠা কৰিছিল?

২. কাক প্ৰায়েই দক্ষিণৰ নালন্দা বুলি অভিহিত কৰা হয়?

৩. কোনে সম্ৰাট অশোকক বৌদ্ধ ধৰ্মত দীক্ষা দিয়াইছিল?

৪. কালিদাসৰ শকুন্তলম কোনজন বিদেশীয়ে প্ৰথমে অনুবাদ?

৫. কোনটো বংশই সোণৰ মুদ্ৰা বৃহৎ মাত্ৰাত প্ৰচলন কৰিছিল?

(উত্তৰ ৭৪ পৃষ্ঠাত)

সোণজনী। উঠা আকৌ! মই নোকোৱালৈকে তুমি চকু নেমেলিবা দেই।” মাকে শ্বান্তাক পূজাৰ কোঠাটোলৈ লৈ গ'ল।” এতিয়া চকু মেলা,” মাকে ক'লে।

শ্বান্তাই চকু মেলিলে। তাইৰ সমুখত এয়া কি? সুন্দৰ সোণালী ফুলবোৰেৰে সুশোভিত ভগৱান কৃষ্ণৰ মূৰ্ত্তি। মূৰ্ত্তিৰ দুয়োফালে জ্বলি আছে দুগছি চাকি। মূৰ্ত্তিৰ সমুখত আছে এটা ডাঙৰ চেপেটা ব্ৰঞ্জৰ পাত্ৰ (উৰুলি)। উৰুলিত ৰখা হৈছে চাউল, গোটা মগু, বীণ্চ, বিভিন্ন ফল আৰু পাচলি যাৰ ভিতৰত আছে বাৰীৰ আম আৰু কল, আৰু এটা ডাঙৰ তিয়ঁহ। তাৰ কাষতে আছে দুফাল কৰি থোৱা এটা নাৰিকল। প্ৰতি ফাল নাৰিকলত আছে ৰূপৰ মুদ্ৰা। উৰুলিৰ আনটো ফালে আছিল হাতেবোৱা আৰু ভাঁজ কৰি থোৱা এখন শ্বলৰ ভিতৰত সোণৰ অলংকাৰ।

তামৰ প্লেট থকা এখন দাপোণ তাত আছিল আৰু শ্বান্তাই নিজৰ ৰূপটো দাপোণত চাইছিল; উৰুলিৰ সোঁমাজতে ফুল, ফল, পাচলি, সোণ আৰু নাৰিকলৰ মাজত আছিল দাপোণখন। এইবোৰৰ অৰ্থ কি? আমি এইবোৰ কিয় কৰিছো? গা ধুই উঠি, তাইৰ মনলৈ অহা আটাইবোৰ প্ৰশ্ন সুধিবলৈ বুলি ককাকৰ ওচৰলৈ লৰবি আহিল। “ৰ'বা!” ককাকে হাঁহি এটা মাৰি ক'লে। এখন পাণ আৰু তামোল আৰু এটা এটকীয়া মুদ্ৰা ককাকে তাইৰ হাতত তুলি ধৰিলে। “এয়া কি ককা?” তাইৰ প্ৰথম প্ৰশ্ন।

তেওঁ বুজাই দিলে, যিহেতু বিশুৱে নতুন বছৰৰ আৰম্ভণি বুজায় সেয়েহে বিশ্বাস কৰা হয় যে সেই দিনা ধন দিলে বা ল'লে গোটেই

বছৰটোৰ বাবে সমৃদ্ধি নিশ্চিত হয়। "তুমি জানানে বাৰু সেইদিনা আমি প্ৰথমেই বিশু কাণি চাইহে দিনটো আৰম্ভ কৰো কিয়?"

"নাজানো! কিয়?" শ্বান্তাই সুধিলে। সেই প্ৰশ্নটোৰেই তাইৰ মনত খলকনি তুলি আছিল।

"প্ৰায়বোৰ উৎসৱতে আমি চপাই অনা শস্যৰ বাবে আনন্দ প্ৰকাশ কৰো, "ককাকে বুজালে। "বিশুও এনে এটা উৎসৱেই। আমি লেবুৰনাম ফুল ব্যৱহাৰ কৰো যি ফুল কেৱল সেই ঋতুতহে ফুলে। আৰু সেই সময়ত হোৱা পাচলি, ফল আৰু আন বস্তুবোৰ ব্যৱহাৰ কৰো। ফল-মূল, শাক পাচলি, ঋতুৰ শস্যৰ লগতে অলংকাৰ, মুদ্ৰা আৰু সমৃদ্ধিৰ আন আন বস্তুবোৰৰ মাজতে আমি যেতিয়া দাপোণত নিজকে চাওঁ তেতিয়া আচলতে আমি এটা কথা নিজকে সোঁৱৰাই দিয়াৰ দৰে হয় যে আমি এই প্ৰকৃতিৰেই এটা অংশ য'ত থাকে উদ্ভিদ, জীৱ জন্তু আৰু ভগৱানৰ সমগ্ৰ সৃষ্টি। বিশু কাণিয়ে আমাক এটা কথা বুজিবলৈ সহায় কৰে যে আমি এটা সামগ্ৰিক সত্ত্বাৰেই অংশ মাথোন।"

সেইদিনা দুপৰীয়া শ্বান্তাই উপভোগ কৰিলে এটা ভোজ। সেই মধ্যাহ্ন ভোজনৰ অন্যতম খাদ্য আছিল শ্বান্তাই বিশু কাণিত দেখা চাউল আৰু বুটজাতীয় শস্যৰ গুৰিৰে তৈয়াৰী দেখিলেই মুখৰ পানী ওলোৱা পায়স। তাৰ লগত আছিল বিভিন্ন ধৰণৰ পাচলিৰে তৈয়াৰী তৰকাৰী। তাৰপাছত আছিল সতেজ কঠালৰ ফুটা।

ভোজৰ পাছত, শ্বান্তাই গাঁৱৰ আন আন ল'ৰা ছোৱালীবোৰৰ লগত ডোলনাত ডুলিছিল। তাই এক আচৰিত আনন্দ অনুভৱ কৰিছিল। তাই এতিয়া বিশুৰ গুৰুত্ব বুজি পাইছে। এনে ধৰণৰ উৎসৱবোৰ পালন কৰাটো যে কিমান জ্ঞানীৰ কাম? এইবোৰ-ৰপৰা কিমান যে কথা শিকিব পাৰি? তাইৰ মনটো ভাল লাগি গ'ল। প্ৰকৃতি মাতৃয়ে তাইৰ কথা নিশ্চয় ভাবিব!

- ৰশ্মি কুট্টি আৰু মালতী মোহন

অষ্ট্ৰেলিয়া

আমেৰিকা

জাৰ্মানী

গ্ৰীচ

চীন

ফ্ৰান্স

অলিম্পিক পৰিসংখ্যা

অংশ গ্ৰহণ

অলিম্পিক গেমচত ভাগ লোৱা দেশৰ সংখ্যাটোৰপৰাই ইয়াৰ জনপ্ৰিয়তাৰ উমান পোৱা যায়। ১৮৯৬ চনত প্ৰথমবাৰলৈ এথেন্সত আধুনিক অলিম্পিক আয়োজন কৰোঁতে অংশগ্ৰহণকাৰী দেশৰ সংখ্যা আছিল মাত্ৰ ১৪খন। মেক্সিকোৰ মেক্সিকো চিটীত ১৯৬৮ চনত হোৱা অলিম্পিকত এই অংকটো হয়গৈ ১১২। ১৯৭২ চনত মিউনিখ অলিম্পিকত ১২১ খন দেশ ভাগ লৈছিল। এটা পেলেষ্টাইনী সন্ত্ৰাসবাদী গোটে ইজৰাইলৰপৰা অহা দলটোৰ ১১জন সদস্যক প্ৰথমে পণবন্দী কৰি পিছত হত্যা কৰাৰ বাবে এই গেমচ বাতিল কৰিবলগীয়া হৈছিল। ১৯৭৬ আৰু ১৯৮০ চনত হোৱা দুখন অলিম্পিক কেইখনমান দেশে বৰ্জন কৰিছিল আৰু অংশগ্ৰহণকাৰী দেশৰ সংখ্যা ১০০তকৈ কম আছিল। অৱশেষে ১৯৮৪ চনৰ লছ এঞ্জেলছ গেমচত এই অংকটো ১৪০ হয়গৈ। ২০০০ চনৰ ছিডনী অলিম্পিকৰ অংকটো আছিল ১৯৯। তাৰ পাছৰ ২০০৪ চনৰ এথেন্স অলিম্পিকত অংকটোৱে ২০০ৰ ঘৰ অতিক্ৰম কৰি ২০১ হয়গৈ।

পদক তালিকা

যোৱা দুখন অলিম্পিক গেমচ, ছিডনী (২০০০) আৰু এথেন্সত (২০০৪) আমেৰিকা যুক্তৰাষ্ট্ৰ পদক তালিকাৰ শীৰ্ষস্থানত আছিল। ছিডনীত দেশখনে ৩৬টা সোণৰ, ৩৯টা ৰূপৰ আৰু ২৭টা ব্ৰঞ্জৰ পদক লাভ কৰে। ৰাচিয়াই লাভ কৰে ৩২টা সোণৰ, ২৮টা ৰূপৰ আৰু ২৮টা ব্ৰঞ্জৰ পদক। ২০০৮ চনৰ বেইজিঙ অলিম্পিকছৰ আয়োজক দেশ চীনে ২৮টা সোণৰ ১৬টা ৰূপৰ আৰু ১৫টা ব্ৰঞ্জৰ পদকেৰে পদক তালিকাৰ তৃতীয়স্থানত থাকে। ঘৰুৱা দেশ অষ্ট্ৰেলিয়াই।

ইটালী

ৰাচিয়া

জাপান

১৬টা সোণৰ, ২৫টা ৰূপৰ আৰু ১৭টা ব্ৰঞ্জৰ পদকেৰে চতুৰ্থ স্থান লাভ কৰে। জামনী, ফ্ৰান্স আৰু ইটালীয়ে প্ৰত্যেকেই ১৩টা সোণৰ পদকেৰে পদক তালিকাৰ তাৰ পাছৰ তিনিটা স্থান লাভ কৰে।

২০০৪ চনৰ এথেন্স অলিম্পিক্‌ছত আমেৰিকা যুক্তৰাষ্ট্ৰই ৩৬টা সোণৰ, ৩৯টা ৰূপৰ আৰু ২৭টা ব্ৰঞ্জৰ পদকেৰে এইবাৰো তালিকাৰো শীৰ্ষস্থানত থাকে। চীন আৰু ৰাচিয়াই নিজৰ স্থান সলনাসলনি কৰি চীনে ৩২টা সোণ ১৭টা ৰূপৰ আৰু ৩৮টা ব্ৰঞ্জৰ পদকেৰে দ্বিতীয় আৰু ৰাচিয়াই ২৭টা সোণৰ, ২৭টা ৰূপৰ আৰু ৩৮টা ব্ৰঞ্জৰ পদকেৰে তৃতীয় স্থান লাভ কৰে। ১৭টা সোণৰ, ১৬টা ৰূপৰ আৰু ১৬টা ব্ৰঞ্জৰ পদকেৰে অষ্ট্ৰেলিয়াই পুনৰ চতুৰ্থ স্থান লাভ কৰে। ইয়াৰ পাছৰ স্থানকেইটা দখল কৰে ১৬টা, ১৩টা, ১১টা আৰু ১০টা সোণৰ পদকেৰে যথাক্ৰমে জাপান, জাৰ্মানী, ফ্ৰান্স আৰু ইটালীয়ে। ঘৰুৱা দেশ গ্ৰীচ ৬টা সোণৰ, ৬টা ৰূপৰ আৰু ৪টা ব্ৰঞ্জৰ পদকেৰে তালিকাৰ পঞ্চদশ স্থানত থাকে।

এইবাৰ আগষ্ট মাহত আৰম্ভ হবলগীয়া ২০০৮ চনৰ বেইজিঙ অলিম্পিক্‌ছত ঘৰুৱা দল চীনে কেনে প্ৰদৰ্শন কৰে সেইটো চাবলগীয়া হ'ব।

প্ৰতিযোগীসকল

১৮৯৬ চনত মুঠ ৪৩টা খেলত মাত্ৰ ২৪১জন খেলুৱৈয়ে ভাগ লৈছিল। তাৰ ঠিক পাছৰ পেৰিচ গেম্‌চত (১৯০০) প্ৰতিযোগীৰ সংখ্যা হৈছিল ১২২৫। ১৯৬০ চনৰ ৰোম, অলিম্পিক্‌চত অংকটো বাঢ়ি ৫,৩৪৮ হয়গৈ। ১৯৯৬ চনৰ আটলান্টাত অংকটোৱে ১০০০০ৰ সীমা অতিক্ৰম কৰে। যোৱাবাৰৰ (২০০৪) এথেন্স অলিম্পিক্‌চত মুঠ ৩০১টা খেলত ১০৫০০ৰো অধিক প্ৰতিযোগীয়ে ভাগ লৈছিল।

কেইজনমান বিজয়ী

১৯৩৬ চনৰ বাৰ্লিন অলিম্পিক্‌চত মহিলাৰ স্প্ৰীঙবৰ্ড খেলত স্বৰ্ণ পদক লাভ কৰা মাৰজৰি জেছেট্ৰিঙৰ বয়স আছিল মাত্ৰ ১৩ বছৰ ৯ মাহ। ১৯৮৪ চনৰ লছ এঞ্জেলচ অলিম্পিক গেম্‌চত মাৰাথন দৌৰ প্ৰথমবাৰলৈ মহিলাসকলৰ বাবে মুকলি কৰি দিয়া হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ যুৱান বেনইটে ইয়াত স্বৰ্ণ পদক লাভ কৰে। ১৯৭৯ আৰু ১৯৮৩ চনত তেওঁ সন্মানজনক বষ্টন মাৰাথনৰ বিজয়ী আছিল। *(ক্ৰমশঃ)*

২০০৪ চনৰ এথেঞ্চ গেম্‌চত প্ৰদান কৰা পদক।

বক্ৰ বুদ্ধি

এবাৰ ব্ৰহ্মদত্ত কাশী নগৰত ৰাজত্ব কৰি আছিল। সেই সময়ত এখন গাঁৱত এজন ব্ৰাহ্মণ বাস কৰিছিল। তেওঁ বেদস্ত নামৰ এটা মহামন্ত্ৰ আয়ত্ব কৰিছিল।

আটাইবোৰ গ্ৰহ আকাশত থকা অৱস্থাত আকাশৰ ফালে চাই এই মন্ত্ৰৰে আহ্বান কৰিলে আকাশৰপৰা পোনে পোনে সোণ, ৰূপ, পান্না, প্ৰবাল, ৰত্ন, মাণিক আৰু নীলা ইন—এই সাত প্ৰকাৰ বস্তুৰ বৰষুণ হৈছিল।

সেইজন ব্ৰাহ্মণৰ আশ্ৰমলৈ গৈ বোধিসত্ত্ব তেওঁৰ প্ৰিয় শিষ্য হ'লহি। এদিন নিজৰ শিষ্যক লগত লৈ গুৰু জংঘল অভিমুখে গ'ল। সেই জংঘলত পাঁচশটা ডকাইত আছিল। সেই ডকাইতবোৰে গুৰু আৰু শিষ্যক ৰ'বলৈ ক'লে। সেই ডকাইতবোৰৰ এটা বিচিত্ৰ নিয়ম আছিল। যদি দুজন যাত্ৰী একেলগে সেই ৰাস্তাৰে পাৰ হৈ যায় তেন্তে তেওঁলোকৰ এজনক এই সুযোগ দিয়া হয় যে তেওঁ যাতে ঘৰলৈ গৈ দণ্ড শুল্ক আনি তেওঁৰ সহযাত্ৰীজনক মোকলাই লৈ যায়।

সেইদিনা এই বিচিত্ৰ ডকাইতহঁতে ব্ৰাহ্মণক নিজৰ লগত ৰাখি তেওঁৰ শিষ্যক ঘৰলৈ গৈ শুল্ক আনিবলৈ পঠিয়াই দিলে। বোধিসত্ত্বই নিজৰ গুৰুক প্ৰণাম কৰি বুজালে, "গুৰুদেৱ! আপুনি চিন্তা নকৰিব। মই এক দুদিনমানৰ ভিতৰতে নিশ্চয় ঘূৰি আহিম। কিন্তু মোৰ এটা অনুৰোধ আছে "আজি আটাইবোৰ গ্ৰহ আকাশত দেখা পোৱাৰ দিন। আপুনি অনুগ্ৰহ কৰি কোনো পৰিস্থিতিতে মন্ত্ৰ জপ কৰি ভুলতো ৰত্নৰ বৰষুণ নানে যেন। এনেকুৱা কৰিলে আপোনাৰ লগতে এই ডকাইতহঁতৰো অপাৰ হানি হ'ব।"

সূৰ্যাস্ত হৈছিল। ডকাইতহঁতে ব্ৰাহ্মণক ধৰি ৰাখিছিল। পূৰ্ণিমাৰ চন্দ্ৰই নিজৰ শুভ্ৰ জ্যোৎস্নাৰে আকাশখন পোহৰাই ৰাখিছিল। ব্ৰাহ্মণে আকাশৰ ফালে চাই গম পালে যে গ্ৰহবোৰ আৰ্বিভাৱ হোৱাৰ সময় সমাগত।

তেওঁ ভাবিবলৈ ধৰিলে, "ডকাইতহঁতৰ হাতত বন্দী হৈ মইনো এজন অক্ষম মানুহৰ

জাতক কথা

দৰে ইহঁতৰ হাতত যাতনা ভুগিব লাগে কিয়? মই নিজেই দেখোন মন্ত্রপাঠ কৰি ৰত্ন বৰ্ষা আনি ডকাইতহঁতৰ শুল্ক আদায় দি মুক্তি লাভ কৰিব পাৰো। এইদৰে মই স্বাধীন হৈ সুখেৰে থাকিব পাৰো। নিজৰ প্ৰাণৰ সংকটৰ সময়তেই যদি মই মোৰ বিদ্যা প্ৰয়োগ নকৰো তেন্তে তেনে বিদ্যাৰ প্ৰয়োজনেইবা কি?"

এইদৰে ভাবি ব্ৰাহ্মণে ডকাইতৰ দলটোক তেওঁৰ ওচৰলৈ মাতিলে।

সিহঁতক তেওঁ সুধিলে, "তোমালোকে মোক কিয় বন্দী কৰি থৈছা?"

"মহানুভৱ! আৰু কিহৰ বাবে? কেৱল ধন লাভ কৰিবলৈ!" ডকাইতহঁতে সমস্বৰে ক'লে।

"বচ! কথা তেনে সেইটোৱেই! তেন্তে তোমালোকক যিমান ধন লাগে মই দি দিম। প্ৰথমতে মোৰ বান্ধোন খুলি দিয়া। তাৰপাছত মোক স্নান কৰিবলৈ দিয়া। নতুন বস্ত্ৰ পিন্ধিবলৈ দিয়া। বিভিন্ন ধৰণৰ ফুল আনি ইয়াত জমা কৰাহি। মোৰ চাৰিওফালে সুগন্ধি দ্ৰব্য, ধূপ ধুনা, বন্তি আদি ৰাখাহি। তাৰপাছত অভাৱনীয় দৃশ্য দেখিবা।"

ডকাইতহঁতে ব্ৰাহ্মণৰ আদেশ পালন কৰিলে। ইয়াৰ পাছত ব্ৰাহ্মণে সময়ৰ ধাৰণা কৰি আকাশৰ ফালে তেওঁৰ দৃষ্টি কেন্দ্ৰীভূত কৰি ধ্যানত বহি বেদমন্ত্ৰ মন্ত্ৰ পাঠ কৰিবলৈ আৰম্ভ কৰিলে।

অলপ সময়ৰ পাছত মূল্যৱান ৰত্ন আৰু সোণ, ৰূপৰ বৰষুণ হ'বলৈ ধৰিলে। ডকাইত-হঁতে এই ৰত্নবোৰ গোটাই লৈ টোপোলা কৰি ল'লে আৰু নিজৰ ৰাস্তাত গুচি গ'লগৈ। পাছে পাছে ব্ৰাহ্মণো যাবলৈ ধৰিলে।



সেই সময়তে মাজবাটতে ডকাইতৰ আন এটা দল আহি প্ৰথম দলটোৰ ওপৰত আক্ৰমণ চলালেহি।

প্ৰথমটো দলৰ ডকাইতহঁতে সুধিলে, "তোমালোকে আমাক ধৰিব খুজিছা কিয়?"

দ্বিতীয় দলটোৱে ক'লে, "আৰু কিহৰ বাবে? ধনৰ বাবে আকৌ!"

"হয় নেকি! তেন্তে তোমালোক এই ব্ৰাহ্মণৰ ওচৰলৈ যোৱা। তেওঁ এবাৰ আকাশৰ ফালে চালেই হ'ব, মূল্যৱান মণি মাণিক আৰু ৰত্নৰ বৰষুণ হ'ব। সেইদৰেই তেওঁ আমাক ইমানবোৰ ধন সোণ দিলে।" এইবুলি কৈ ডকাইতৰ প্ৰথম দলটো সাৰিল।

ডকাইতৰ দ্বিতীয় দলটোৱে ব্ৰাহ্মণক ধৰি পেলালে। সেই দলটোৱে ব্ৰাহ্মণক ভয় দেখুৱাই ক'লে, "আমাকো ধন দিয়া। ব্ৰাহ্মণ! নহ'লে আমি তোমাৰ প্ৰাণ লম। তুমি নিজকে বচাবলৈ কিবা অজুহাত উলিয়ালেও তুমি আমাৰ



আগতে অহা মানুহবোৰক তুমি ধনকুবেৰ কৰি পঠিয়ালা। আমি বিচাৰোতে তুমি আমাক এবছৰৰ বাবে অপেক্ষা কৰিবলৈ কৈছা?'' এইবুলি কৈ দলটোৰ কেইটামান ডকাইতে এখন তীক্ষ্ণ ছুৰী লৈ ব্ৰাহ্মণক দুটুকুৰা কৰি পেলালে আৰু তেওঁৰ দেহটো ওলোটা কৰি মাজ ৰাস্তাতে ওলোমাই দিলে।

ইয়াৰ পাছত সিহঁতে দৌৰ মাৰি ডকাইতহঁতৰ প্ৰথম দলটোক লগ ধৰিলে আৰু দলটোৰ আটাইকে মাৰি গোটেইখিনি সম্পত্তি কাঢ়ি আনিলে। কিন্তু সেইখিনি সম্পত্তি ভাগ বাটোৱাৰা কৰোতে সিহঁতৰ মাজত কাজিয়া লাগিল। সিহঁত দুটা দলত বিভক্ত হ'ল। ধন লৈ দুয়োটা দলৰ মাজত তয়াময়া ৰণ লাগিল।

এই যুদ্ধত এশৰো অধিক ডকাইত মৰা পৰিল আৰু শেষত মাত্ৰ দুটা মানুহহে বাচি থাকিল। সিহঁত দুয়োটাই গোটেই সম্পত্তি লৈ গৈ ওচৰৰে এখন জংঘলত লুকুৱাই থলেগৈ।

সিহঁত দুটাৰ এটাই তৰোৱাল লৈ সেই সম্পত্তি পহৰা দি থাকিল আৰু আনটোৱে খোৱা-বোৱাৰ বস্তু গোটাবলৈ ওচৰৰে এখন গাঁৱলৈ গ'ল।

অপাৰ ধন সম্পত্তি অনায়াসে হাতলৈ অহাত সিহঁত দুয়োটাৰে হৃদয়লৈ পৰিৱৰ্তন আহিল। দুয়োৰে ভিতৰত থকা স্বাৰ্থ বাহিৰ ওলাই আহিল। ধনে মানুহক অন্ধ কৰে। ধন দেখিয়েই বহুত ডাঙৰ ডাঙৰ মানুহো নিজৰ বিবেকৰ বিৰুদ্ধে যায়। এনে অৱস্থাত সেই দুটা ডকাইতনো ব্যতিক্ৰম হ'ব কেনেকৈ?''

ধন পহৰা দি থকা ডকাইতটোৱে মনতে ভাবিলে, ''মোৰ বন্ধু যদি ঘূৰি আহে তেন্তে

হাতৰপৰা সাৰি যাব নোৱাৰিবা। গতিকে তুমি সময় অপব্যয় নকৰি ৰত্নৰ বৰষুণ অনোৱা। আমাক সম্পদশালী কৰি উঠিহে তুমি জীৱন্তে যাব পাৰিবা।'' তাকে শুনি ব্ৰাহ্মণে ক'লে, ''ভাইসকল, ইয়াৰ আগতে মই সেই ডকাইতহঁতক যি ধন দিছিলো, সেয়া মন্ত্ৰৰ মহিমাৰদ্বাৰা প্ৰাপ্ত ধন আছিল। মই শিকা এই মন্ত্ৰটো এতিয়াৰেপৰা ঠিক এবছৰৰ পিছতহে কাম দিব। মই মোৰ ইচ্ছা অনুসাৰে এতিয়া যদি জপো কৰো, তেন্তে এই মন্ত্ৰই কাম নিদিব। ইয়াৰ বাবে আটাইবোৰ গ্ৰহ আকাশত আৰ্বিভাৱ হ'ব লাগিব। এবছৰৰ পাছতহে আকৌ এই মুহূৰ্ত্ত আহিব। সেই সময়তহে মোৰ মন্ত্ৰই কাম দিব। সেই সময়ত মই নিশ্চয় জপ কৰি তোমালোকৰ বাবে ৰত্ন বৰষুণ অনাম।''

কিন্তু ডকাইতহঁতে ব্ৰাহ্মণৰ কথা বিশ্বাস নকৰিলে। সিহঁতে ধমক দি ক'লে, ''ইয়াৰ

অযথাই মই এই সম্পত্তিৰ আধা ভাগ তেওঁক দিব লাগিব।"

সেই ধাৰণা মনলৈ অহাত তেওঁৰ বৰ দুখ লাগিল। ইফালে খোৱাবস্তু আনিবলৈ যোৱা ডকাইতটোৱে মনতে ভাবিলে, "যদি মোৰ বন্ধু মৰি যায় তেন্তে এই গোটেইখিনি সম্পত্তি মোৰ হৈ যাব আৰু মই ধনকুবেৰ হ'ব পাৰিম।"

মনলৈ এই চিন্তা অহাৰ লগে লগে ডকাইতে নিজৰ ভাগৰ খাদ্য বেলেগ কৰি আনটো ভাগত বিহ মিলাই দিলে।

সেই ডকাইতে নিজৰ বন্ধুৰ বাবে ভোজন সামগ্ৰী লৈ তাত আহি পোৱাৰ লগে লগে, পহৰা দি থকা ডকাইতটোৱে তৎমুহূৰ্ত্তে তৰোৱাল উলিয়াই আনটোৰ শিৰচ্ছেদ কৰিলে আৰু তাৰ মৃতদেহটো দূৰলৈ দলিয়াই দিলে।

কিন্তু কিছু সময়ৰ পাছত বিহ মিহলোৱা খাদ্য খাই পহৰা দি থকা ডকাইতটোৱেও শেষ নিশ্বাস ত্যাগ কৰিলে।

এইদৰে ব্ৰাহ্মণ আৰু তেওঁৰ মন্ত্ৰবদ্বাৰা ধন লাভ কৰা আটাইবোৰ ডকাইতে নিজৰ প্ৰাণ বিসৰ্জন দিবলগীয়া হ'ল।

দুদিনমানৰ পাছত বোধিসত্ত্বই ডকাইতক দিবলৈ দণ্ড শুল্ক আনি সেইখিনি পালেহি। তেওঁ নিজৰ গুৰুক বিচাৰি চালে; কিন্তু গুৰুক কতো বিচাৰি পোৱা নগ'ল। চাৰিওফালে ধন সোণ আৰু মৃতদেহ দেখা পোৱা গ'ল। সেইবোৰ দৃশ্য দেখি বোধিসত্ত্বই নিজৰ মনতে ভাবিলে, "ব্ৰাহ্মণে মোৰ পৰামৰ্শ উপেক্ষা কৰি নিজে ভবা মতে কাম কৰি ৰত্নৰ বৰষুণ দিয়ালে। তাৰ ফলতেই নিশ্চয় ইমানবোৰ মানুহে নিজৰ প্ৰাণ দিবলগীয়া হ'ল।"

এইবুলি ভাবি তেওঁ আগলৈ গৈ থাকিল। অলপ দূৰ যোৱাৰ পাছত তেওঁ নিজৰ গুৰুৰ মৃতদেহ দেখা পালে।

তেওঁ ব্যাকুল হৈ নিজকে নিজে ক'লে, "ওহ, মোৰ গুৰুদেৱ! আপুনি মোৰ কথা নুশুনিলে। আপোনাৰ এই দুৰ্গতি হ'ল কেনেকৈ?"

ইয়াৰ পাছত শুকান ঘাঁহ বনেৰে তেওঁ নিজৰ গুৰুৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰিলে আৰু জংঘলৰপৰা ফুল আনি সেই স্থানত ৰাখি গুৰুৰ ভস্মক ভক্তিৰে প্ৰণাম কৰিলে।

তাৰপৰা অলপ দূৰ যোৱাৰ পাছত তেওঁ প্ৰথম দলৰ ডকাইতহঁতৰ শৰবোৰ দেখিবলৈ পালে। আৰু অলপ দূৰ যোৱাৰ পাছত তেওঁ দেখিলে দ্বিতীয় দলৰ ডকাইতহঁতৰ মৃতদেহ সিঁচৰতি হৈ আছে। দুটা শৱ বাহিৰে বোধিসত্ত্বই বাকী আটাইবোৰ মানুহৰ মৃতদেহ দেখা পালে। তাকে দেখি তেওঁ ভাবিবলৈ

ধৰিলে, “ইহঁত দুটা কলৈ পলাই যাব পাৰে বাৰু?”

ধন লুট কৰি নিয়াৰ পাছত সিহঁত যিটো ৰাস্তাৰে পলাই গৈছিল, সেই ৰাস্তাটো বিচাৰি উলিয়াই বোধিসত্ত্বই সেইফালেদি আগ-বাঢ়িল। শেষত তেওঁ এক ঘন জংঘলৰ মাজ পালেগৈ। এঠাইত তেওঁ ধনৰ টোপোলা দেখিবলৈ পালে। তাৰ ওচৰতে, পলাই যোৱা দুটা ডকাইতৰ এটাৰ মৃতদেহ পৰি আছিল।

তাৰ ওচৰত ৰখা আছিল ভোজন সামগ্ৰীৰে ভৰা পাত্ৰ। লগে লগে বোধিসত্ত্বই আচল ঘটনাৰ উমান পালে। চাৰিখোজমান আগলৈ গৈ তেওঁ আৰু এটা ডকাইতৰ মৃতদেহ দেখা পালে। এতিয়া গোটেই ঘটনাক্ৰম বোধিসত্ত্বৰ স্পষ্ট হৈ উঠিল।

এই হৃদয়বিদাৰক দৃশ্য দেখি বোধিসত্ত্বই বৰ দুখ পালে।

তেওঁ ভাবিবলৈ ধৰিলে, “গুৰুদেৱে মোৰ কথা নুশুনিলে। মই তেওঁক অনেক ধৰণে বুজালো। তথাপি তেওঁ মোৰ পৰামৰ্শক গুৰুত্ব নিদিলে। নিজৰ অহংভাবৰ বাবে তেওঁৰ সৰ্বনাশ হ'ল। ইয়াৰ বাবে তেওঁৰ নিজৰতো মৃত্যু হ'লেই লগতে তেওঁ আন বহুতৰে মৃত্যুৰ কাৰণ হৈ উঠিল। যি মানুহে আনৰ পৰামৰ্শ গুৰুত্বসহকাৰে নলৈ নিজেই ভুল সিদ্ধান্ত লয়, তেওঁৰ এনেকুৱাই দুৰ্গতি হয়।

“মোৰ গুৰুদেৱে নিজৰ মন্ত্ৰৰ মহিমাৰে যি সম্পত্তি পৃথিৱীলৈ অনালে, সেইখিনি মানৱ কল্যাণৰ কামত নাহিল, ওলোটাই ধনখিনি এটা ভীষণ কাণ্ড তথা বিনাশৰ কাৰণহে হৈ উঠিল। সেয়েহে বুদ্ধি যেতিয়া বক্ৰ পথত আগবাঢ়ে তেতিয়া উত্তম বস্তুৱেও মানুহৰ ক্ষতি সাধন কৰে। সেই বস্তুবোৰক দোষ দিব নোৱাৰি, বৰঞ মানৱ স্বভাৱহে তাৰ বাবে দায়ী। সঁচা কথাটো হ'ল বক্ৰ বুদ্ধি জ্বালামুখীৰ দৰে। ই এজনৰ বিনাশ কৰি নেৰে, একেলগে বহুত মানুহৰ সৰ্বনাশ মাতি আনে আৰু তাৰ পাছতহে ই শান্ত হয়।”

বোধিসত্ত্বই উচ্চ স্বৰত এই সত্য ঘোষণা কৰিলে। সেই ধ্বনিৰ প্ৰতিধ্বনি গোটেই জংঘলত শুনিবলৈ পোৱা গ'ল। বোধিসত্ত্বৰ এই প্ৰজ্ঞাৰ সন্দেশ পাই বনদেৱীসকলে তেওঁৰ জয়গান গাবলৈ ধৰিলে।

ইয়াৰ পাছত বোধিসত্ত্বই সেই গোটেইখিনি সম্পত্তি নিজৰ আশ্ৰমলৈ লৈ গ'ল আৰু ধনখিনি জনকল্যাণৰ কামত লগালে।

ৰামায়ণ

বান্দৰবোৰ ক্লান্তি, অৱসাদ, ভোক আৰু পিয়াঁহ লৈ ময়ৰদ্বাৰা নিৰ্মিত ঋক্ষবিলে গহ্বৰৰ ওচৰলৈ আহিল। তাৰপৰা সুগন্ধি আহিছিল, পক্ষী উৰি আহিল। কিন্তু গহ্বৰৰ সমুখত যিহেতু ডাঙৰ ডাঙৰ শিল আছিল সেয়েহে ভিতৰলৈ যোৱাটো সিমান সহজ নাছিল।

"ভিতৰৰপৰা পক্ষী উৰি অহা আৰু সেউ-জীয়া গছবোৰ দেখি মোৰ ধাৰণা হৈছে নিশ্চয় ইয়াৰ ভিতৰত কোনো কুঁৱা বা পুখুৰী আছে," হনুমানে ক'লে।

তৎক্ষণাৎ বান্দৰবোৰে সেই গহ্বৰৰ ভিতৰত প্ৰৱেশ কৰিলে। ভিতৰত ঘোৰ অন্ধকাৰ আছিল। সেই আন্ধাৰত বান্দৰবোৰে যেতিয়া ইটোৱে আনটোৰ হাতত ধৰাধৰিকৈ আগ বাঢ়িছিল, তেতিয়া কিছু সময়ৰ পাছত সিহঁতে এখন অদ্ভুত প্ৰদেশ দেখিবলৈ পালে। এই প্ৰদেশত পোহৰ আছিল, ডাঙৰ ডাঙৰ গছ আছিল। সোণ ৰূপ আৰু ৰত্নেৰে সুশোভিত ঘৰ আছিল। অগৰু চন্দন, ফল আৰু ৰেছমী বস্ত্ৰ, সোণ আদিও জমা হৈ থকা দেখা গৈছিল। এগৰাকী স্ত্ৰীয়ে বল্কল পিন্ধি, তপস্যা কৰি আছিল। তেওঁৰ শৰীৰৰপৰা নিৰ্গত হৈছিল স্বৰ্গীয় আভা।

হনুমানে তেওঁৰ ওচৰলৈ আহি নমস্কাৰ কৰি ক'লে, "তুমি কোন? এই গহ্বৰটো কি? আমি বহুত দূৰৰপৰা আহিছো। আমি ভাগৰুৱা আৰু তৃষ্ণাতুৰ। ইয়াত পানী পোৱা যাব বুলি ভাবিয়েই, আমি ইয়ালৈ আহিলো। কিন্তু ইয়াৰ অৱস্থা দেখি এনেহে লাগিছে যেন এয়া কোনো ৰাক্ষসৰ মায়া। এই ঘৰ, এই ফল কাৰ? ইয়াৰ পানীত সোণৰ কাছ, সোণৰ মাছ, সোণৰ ঘৰিয়াল কাৰ মহিমাত সম্ভৱ হ'ল?"

তেতিয়া তপস্বীনিয়ে এনেকৈ ক'লে,

কিষ্কিন্ধা কাণ্ড-৬

"দানৱৰ বিশ্বকৰ্মা, ময়দানৰ এসময়ত ইয়াত বাস কৰিছিল। তেওঁ তপস্যা কৰি ব্ৰহ্মাৰপৰা বহুতো বৰ লাভ কৰিছিল। তেওঁ নিজৰ শক্তিৰে এই প্ৰদেশ নিৰ্মাণ কৰিলে আৰু হেমা নামৰ অপ্সৰাৰ সৈতে সুখেৰে থাকিবলৈ ধৰিলে। তাকে দেখি ইন্দ্ৰৰ ঈৰ্ষা হ'ল আৰু তেওঁ বজ্ৰ নিক্ষেপ কৰি ময়ক নিধন কৰিলে। তাৰপাছত ব্ৰহ্মাই এই প্ৰদেশ হেমাক দি দিলে। হেমা মোৰ ভাল বান্ধৱী। মই চচাৱৰ্ণীৰ দুহিতা। মোৰ নাম স্বয়ংপ্ৰভা। মই এই প্ৰদেশ ৰক্ষা কৰিবলৈকে ইয়াত থাকো। তুমি ইয়ালৈ কি কামত আহিছা? ইয়াৰ ফল মূল খাই লৈ, পানী খাই লৈ, তোমাৰ বৃত্তান্ত দিয়া।"

যেতিয়া বান্দৰ ফল আৰু পানী খাই সন্তুষ্ট হ'ল তেতিয়া হনুমানে স্বয়ংপ্ৰভাক নিজৰ বৃত্তান্ত এইদৰে দিলে, "দশৰথৰ ল'ৰা ৰাম, ত্ৰিলোকাধিপতি ইন্দ্ৰৰ সমান। তেওঁ নিজৰ ভ্ৰাতৃ লক্ষ্মণ আৰু পত্নী সীতাৰ সৈতে দণ্ডকাৰণ্যলৈ আহিছিল। যেতিয়া তেওঁ জনস্থানত আছিল তেতিয়া সীতাদেৱীক ৰাৱণে উঠাই লৈ যায়। ৰামৰ মিত্ৰ সুগ্ৰীৱ বান্দৰৰ ৰজা। তেওঁ সীতাদেৱীক বিচাৰি আমাক দক্ষিণলৈ পঠিয়ালে। আমি গোটেই দক্ষিণ দিশ তন্ন তন্নকৈ চালো। যেতিয়া আমি ভোকে পিয়াঁহে এজোপা গছৰ তলত বহিলো তেতিয়া এই গহ্বৰ দেখিবলৈ পালো, তাৰ পাছত আমি ভিজা পাখি কোবাই অহা চৰাই দেখিবলৈ পালো। তেতিয়া ময়েই বান্দৰ-বোৰক সাহসেৰে গহ্বৰৰ ভিতৰলৈ আহিবলৈ উৎসাহিত কৰিলো। এইদৰেই আমি ইয়ালৈ আহিলো। সৌভাগ্যবশতঃ তোমাক আমি ইয়াত লগ পালো আৰু আমাৰ চূড়ান্ত ক্ষুধা নিবৃত্তি কৰিব পাৰিলো। ইয়াৰ বাবে আমি সকলো তোমাৰ ওচৰত কৃতজ্ঞ।"

হনুমানে স্বয়ংপ্ৰভাক নিজৰ বৃত্তান্ত শুনাই ক'লে, "তুমি আমাক প্ৰাণদান কৰিলা। ইয়াৰ বিনিময়ত তুমি আমাক যিহকে কৰিবলৈ কোৱা, আমি তাকে কৰিবলৈ সাজু আছো। আমাৰ বানৰ দলত ইজনতকৈ সিজন বীৰ যি কঠিন কাৰ্য সম্পন্ন কৰিব পাৰে। এতিয়ালৈকে আমি সীতাক বিচাৰি নাপালো কিয়নো আমি ৰাৱণৰ নিবাসস্থল ক'ত সেই কথা নাজানো, নহ'লে আমাৰ বীৰ বান্দৰবোৰে ৰাৱণক হত্যা কৰি সীতাদেৱীক কেতিয়াবাই উদ্ধাৰ কৰি আনিলোহেঁতেন। এই গহ্বৰত আমি আটাইবোৰ সোমালো ঠিকেই কিন্তু ইয়াৰপৰা কেনেকৈ ওলাই যাব লাগে সেই কথা আমি কোনেও নাজানো।"

স্বয়ংপ্ৰভাই ক'লে যে তেওঁক কোনো প্ৰত্যুপকাৰৰ প্ৰয়োজন নাই, কিয়নো এইখন

প্ৰদেশ স্বৰ্গতকৈ কোনোগুণে কম নহয়। "তাতে মই হ'লো তপস্বীনী। যদি বান্দৰবোৰে চকু মুদি লয় তেন্তে মই নিজৰ তপোশক্তিৰে সিহঁতক গুহাৰ বাহিৰত থৈ আহিব পাৰো। যেতিয়া বান্দৰবোৰে চকু বন্ধ কৰি অলপ পাছত মেলিলে তেতিয়া বান্দৰবোৰ আছিল গহ্বৰৰ বাহিৰত। স্বয়ংপ্ৰভাই সিহঁতক কেইটামান পাহাৰৰ চিহ্নৰ কথা কৈ, গহ্বৰৰ ভিতৰলৈ গুচি গ'ল।

বিন্ধ্য পৰ্বতৰ পশ্চিমৰ ফালে নামনিত বহি পশ্চিম সমুদ্ৰৰ ফালে চাই বান্দৰবোৰে এই কথা ভাবি চিন্তিত হৈছিল যে সিহঁতক দিয়া সময় শেষ হৈছে, শীত গৈ বসন্ত ঋতু আহিছে। সিহঁতে ভাবি উলিয়াব পৰা নাছিল এতিয়া কি কৰা যায়। সিহঁত কিংকৰ্ত্তব্যবিমূঢ় হৈছিল।

তেতিয়া অংগদে ক'লে, "আমি সকলো সুগ্ৰীৱৰ আজ্ঞাবহ সেৱক। তেওঁ ঠিক কৰি দিয়া সময়ৰ ভিতৰত আমি সীতাক বিচাৰি উলিয়াব নোৱাৰিলো। আমি সকলোৱে তেওঁৰ আজ্ঞা উলংঘন কৰাৰ দৰে হৈছে। সুগ্ৰীৱ বৰ নিষ্ঠুৰ। নিৰ্দয় ৰজা। আমাক ক্ষমা নকৰিব। তেওঁৰ ওচৰলৈ যোৱাতকৈ অন্ন জল ত্যাগ কৰি ইয়াতে প্ৰাণত্যাগ কৰাই উচিত হ'ব। নামত মই যুৱৰাজ ঠিকেই, কিন্তু সুগ্ৰীৱে মোক যুৱৰাজৰ সন্মান দিয়া নাই। বৰঞ্চ ৰামেহে মোক এই সন্মান দিছে। মোৰ প্ৰতি সুগ্ৰীৱৰ ভীষণ ক্ৰোধ। যদি মই এতিয়া তেওঁক গৈ লগ ধৰোগৈ তেন্তে তেওঁ মোক জীয়াই থাকিবলৈ নিদিব।"

বাকীবোৰ বান্দৰেও তাকেই ভাবিলে। অন্ততঃ সীতাক বিচাৰি পোৱা হ'লে ৰামে আমাক সময় শেষ হৈ যোৱা সত্ত্বেও ক্ষমা কৰিলেহেঁতেন। কিন্তু সময় শেষ হৈ যোৱাৰ





পাছত সীতাৰ খবৰ নোপোৱাকৈ কিষ্কিন্ধালৈ যোৱাতকৈ ইয়াতে থাকি যোৱাই ভাল হ'ব।

তাৰে বিশেষভাৱে ক'লে, "ইমান চিন্তা চৰ্চা কৰাৰ কি প্ৰয়োজন আছে? তুমি যদি বিচৰা তেন্তে আমি ইয়াতে থাকি যাম!"

অংগদৰ কথা শুনি হনুমানে মনতে ভাবিলে, "সুগ্ৰীৱে দেখোন এনেকৈ হ'লে নিজৰ ৰাজাই হেৰুৱাবলগীয়া হ'ব পাৰে।"

এই কথা ভাবি তেওঁ বান্দৰ আৰু অংগদৰ মাজত মতবিৰোধ সৃষ্টি কৰিবলৈ ক'লে, "অংগদ, বান্দৰবোৰৰ মনত এতিয়া যি চিন্তা হৈছে, কিছু সময়ৰ পাছত সেই চিন্তা নাথাকিব। তুমি ভাবিছা নেকি যে নিজৰ পত্নী, পৰিয়াল এৰি বান্দৰবোৰে ইয়াত তোমাৰ আজ্ঞা পালন কৰি থাকিব বুলি? তুমিতো মৃত্যু ভয়ৰ কাৰণে ঘূৰি যাব খোজা নাই। তুমি ভাবিছা যে সুগ্ৰীৱে তোমাক ক্ষমা নকৰিব। আৰু ৰাম লক্ষ্মণেও আমাক ক্ষমা নকৰিব। কিন্তু কথা তেনেকুৱা নহয়। সুগ্ৰীৱ তথা ৰাম লক্ষ্মণেও আমাৰ অসহায় অৱস্থাৰ কথা বুজি পাব আৰু সীতাৰ সন্ধানৰ বাবে নতুন কিবা পৰিকল্পনা কৰিব। এই কাম আমি সম্পূৰ্ণ নিশ্চয় কৰিম কিন্তু কাপুৰুষৰ দৰে ইয়াত লুকাই নাথাকো। মই সঁচা কথা কৈছো, শুনা। মই বা জাম্বৱন্ত বা নীল বা সুহোত্ৰই সপোনতো সুগ্ৰীৱক এৰি ইয়াত থকাৰ কথা ভাবিব নোৱাৰো। কেৱল সেয়ে নহয়, বলৱানজনৰ লগত শত্ৰুতা চপাই লোৱাটো উচিত নহয়। এই গহ্বৰে লক্ষ্মণৰ বাণৰপৰা তোমাক ৰক্ষা কৰিব নোৱাৰিব। যদি যুদ্ধই কৰিব খোজা, তেন্তে তুমিতো বালীতকৈ বেছি বলৱান নোহোৱা। যদি তোমাৰ এই ভ্ৰম হৈছে যে এই সকলো বান্দৰে তোমাৰ কথা শুনিব তেন্তে তোমাৰ নিসঙ্গতালৈ বেছি সময় নাই। সুগ্ৰীৱ তোমাৰ ওপৰত ক্ৰোধান্বিত বুলি তুমি ভবা কথাটো সঁচা নহয়, কিয়নো তোমাৰ মাৰ প্ৰতি তেওঁ আসক্ত, সেই কাৰণে তুমিও তেওঁৰ প্ৰেমৰ পাত্ৰ।"

এইখিনি কথা অংগদে সমূলি পছন্দ নকৰিলে। তেওঁ ক্ৰুদ্ধ হৈ ক'লে, "স্থিৰ বুদ্ধি, আত্মশুদ্ধি, চিত্তশুদ্ধি, দয়া, পৰাক্ৰম, গাম্ভীৰ্য-- এই এটাও গুণ সুগ্ৰীৱৰ নাই। ককায়েক জীয়াই থাকোতেই তেওঁ কি কি কৰা নাছিল। নিজৰ নবৌৱেকক পত্নী কৰি লৈছিল। ৰাক্ষসক নিধন কৰিবলৈ যেতিয়া ককায়েক গুহাৰ ভিতৰলৈ গৈছিল, তেতিয়া তেওঁ গুহাৰ দুৱাৰমুখত প্ৰকাণ্ড শিল থৈ আহিছিল। যিজনে তেওঁক ৰাজ্য দিলে, সেই ৰামৰ প্ৰতিয়েই তেওঁ কৃতঘ্নতা প্ৰকাশ কৰিলে। লক্ষ্মণৰ ভয়তে তেওঁ আমাক পঠিয়াইছে সীতাক বিচাৰিবলৈ। আৰু

অধৰ্মলৈ তেওঁৰ ভয় আছে ক'ত? এনেকুৱা মানুহে নিজৰ পুত্ৰক ৰাজ্য দিবনে মোক দিব? তেওঁৰ আজ্ঞা উলংঘন কৰাৰ অজুহাতত তেওঁ মোক নিশ্চয় মৃত্যুদণ্ড দিব। মই আৰু ঘূৰি নাযাওঁ। ইয়াতে উপবাস কৰিম, মোক এৰি তোমালোক গুচি যোৱাগৈ। ৰাম, লক্ষ্মণক, মোৰ খুড়া, খুড়ী আৰু সকলোকে মোৰ প্ৰণাম জনাবা। মোক নিজৰ প্ৰাণতকৈয়ো ভাল পোৱা মোৰ মাক আশ্বাস দিবা। যিয়েই নহওক কিয়, তেওঁ মোৰ বাবে প্ৰাণত্যাগ কৰিব খুজিব।" এইবুলি কৈ, বান্দৰবোৰক নমস্কাৰ কৰি, ভূমিৰ ওপৰত পৰি অংগদে বিলাপ কৰিবলৈ ধৰিলে।

অংগদৰ এই অৱস্থা দেখি সকলো বান্দৰে বৰ দুখ পালে। সকলোৱে বালীক প্ৰশংসা কৰিলে আৰু সুগ্ৰীৱক নিন্দা কৰিলে আৰু প্ৰত্যেকেই উপবাসে থাকিবলৈ পণ কৰিলে। সমুদ্ৰত স্নান কৰি, পাৰত গছৰ বাকলি পাৰি তাত বাগৰি বিলাপ কৰিবলৈ ধৰিলে। সকলোৱে বাগৰি বাগৰি, ৰাম যেতিয়াৰেপৰা বনবাসৰ বাবে ওলাইছিল, তেতিয়াৰেপৰা যি যি ঘটনা ঘটিল, সেই বিষয়ে কথা পাতিবলৈ ধৰিলে। হঠাতে ক'ৰবাৰপৰা এটা প্ৰকাণ্ড শগুণ আহি ওচৰতে পৰিলহি। ভয়তে বান্দৰবোৰে মৰা চিঞৰৰ প্ৰতিধ্বনি ওচৰে পাজৰে থকা গুহাবোৰত শুনা গ'ল।

সেয়া আছিল জটায়ুৰ ককায়েক সম্পাতি। তেওঁ বিন্ধ্যপৰ্বতৰ এটা গুহাত বাস কৰিছিল। গুহাৰ বাহিৰলৈ আহি তেওঁ ক'লে, "ভগৱানৰ কৃপাত আজি মোৰ বাবে পেট ভৰাই খাব পৰাকৈ খাদ্য পোৱা গৈছে। মই এই বান্দৰবোৰ মাৰি নিজৰ পেট ভৰাম।"

এই কথা শুনি অংগদে হনুমানক ক'লে, "আমাৰো যে কি দুৰৱস্থা? শগুণৰ ৰূপ ধৰি যমদানৱ নিজেই আহিছে আমাক এই সংসাৰ-

ৰপৰা লৈ যাবলৈ। আমি না ৰামৰ কাম কৰিব পাৰিলো না সুগ্ৰীৱৰ আদেশ পালন কৰিব পাৰিলো। আমাতকৈ জটায়ু পক্ষীয়েই ভাল, অন্ততঃ তেওঁ ৰামৰ বাবে নিজৰ প্ৰাণ বিসৰ্জন দিলে। প্ৰাণ থাকে মানে তেওঁ ৰাৱণৰ লগত যুদ্ধ কৰিলে, তেওঁৰ ৰথ ভাঙি দিলে আৰু যথাশক্তি সীতাক ৰাৱণৰ হাতৰপৰা উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিলে আৰু নিজৰ প্ৰাণ আহুতি দিলে। ক'বলৈ হ'লে আমি ৰামৰ কামতেই ওলাইছিলো কিন্তু এতিয়া আমি এই শগুণৰ পেটলৈ যাব লাগিব। যদি জটায়ুৱে প্ৰাণ ত্যাগ নকৰিলেহেঁতেন তেন্তে আমি সীতাক এনেকৈ বিচাৰি অহাৰ প্ৰয়োজনেই নহ'লহেঁতেন। ৰাৱণৰ কথা তেওঁৱেই তাত কৈ দিলেহেঁতেন। ৰাৱণে যদি সীতাক হৰণ কৰি নিনিলেহেঁতেন তেন্তে আমাৰ মূৰত এই বোজা নপৰিলেইহেঁতেন। দশৰথৰ মৃত্যু নোহোৱাহেঁতেন, তেওঁ কৈকেয়ীবাই ৰামক মাতি পঠিয়ালেহেঁতেন। যদি দশৰথে কৈকেয়ীক বৰ নিদিলেহেঁতেন তেন্তে কথা ইমান দূৰলৈ আগ নাবাঢ়িলহেঁতেন। আমাৰ প্ৰাণ ল'বলৈকে বিধাতাই এইবোৰ জাল পেলাইছে। আমাৰ মৃত্যু দেৱতাই ঠিক কৰি দিছে।"

সম্পাতিয়ে ডাঙৰকৈ ক'লে, "তাত কোন আছে? কোনে কৈছে যে মোৰ ভাইটোৰ মৃত্যু হৈছে? আজি ইমানদিনৰ মূৰত ভাইটোৰ কথা শুনি মই সন্তুষ্ট হৈছো। বোপাই, সূৰ্যৰ কিৰণত মোৰ পাখি গলি গৈছে। মই তোমাৰ ওচৰলৈ আহিব নোৱাৰো। কৃপা কৰি মোক তোমাৰ ওচৰলৈ লৈ যোৱা।" বান্দৰবোৰ ভাবিলে শগুণে এইবোৰ চালাকি কৰিছে। কিন্তু মৃত্যু এই ৰূপত অহাই ভাল বুলি ভাবি অংগদে গৈ সম্পাতিক পাহাৰৰ ওপৰৰপৰা লৈ আহিলগৈ।

তেওঁ সম্পাতিক ৰাম বনবাসলৈ অহা, জনস্থানৰপৰা ৰাৱণে সীতাক হৰণ কৰি নিয়া, তাকে দেখি ৰাৱণৰ সৈতে জটায়ুয়ে কৰা যুদ্ধ, সেই যুদ্ধত আহত হৈ জটায়ুৰ মৃত্যু, সীতাক বিচাৰি বিচাৰি ৰাম আৰু লক্ষ্মণ ঋষ্যমূক পৰ্বতলৈ অহা, সুগ্ৰীৱৰ সৈতে মৈত্ৰী স্থাপন কৰা, বান্দৰ ৰাজ্য সুগ্ৰীৱক প্ৰদান কৰা, সীতাক বিচাৰি সুগ্ৰীৱে তেওঁলোকক পঠিওৱা, এই কামত তেওঁলোক বিফল হোৱা, ঘূৰি যোৱাৰ ইচ্ছা নোহোৱাৰ বাবে তাতে উপবাসে থাকি মৃত্যুক আকোৱালি লোৱাৰ ইচ্ছা, আদি কথাবোৰ বিৱৰি ক'লে।

সোণৰ কণী

এখন গাঁৱত ঘনশ্যাম নামৰ এজন দৰিদ্ৰ যুৱক বাস কৰিছিল। তেওঁৰ নিজৰ বুলিবলৈ কেও নাছিল। থাকিবলৈ তেওঁৰ এটা সৰু জুপুৰী আছিল। তেওঁ এজনী মুৰ্গী পুহিছিল, গোটেই দিনটো কঠোৰ পৰিশ্ৰম কৰিছিল আৰু তাৰে পোৱা দুপইচাৰে পেটে ভাতে খাই জীৱন কটাইছিল। কেতিয়াবা কাম নাপালে মুৰ্গীয়ে পৰা কণী সিজাই খাই আৰু অলপ পানী খাই শুই পৰিছিল।

ঘনশ্যামৰ ঘৰৰ ওচৰতে ধনৰাজ নামৰ এজন ধনী মানুহ বাস কৰিছিল। ধনৰাজ কেৱল লুভীয়াই নাছিল বৰঞ্চ বৰ পৰশ্ৰীকাতৰ আছিল। আনৰ সুখ তেওঁ সহিব নোৱাৰিছিল। ঘনশ্যামৰ হাতত ফুটাকড়ি এটাও নাছিল, তথাপি তেওঁক নিশ্চিন্ত হৈ থকা দেখি ধনৰাজৰ বুকুখন প্ৰায়ে পুৰিছিল। ঘনশ্যামৰ মুৰ্গীজনী দেখি তেওঁ ঈৰ্ষাত জ্বলি পুৰি মৰিছিল।

এদিন ঘনশ্যাম বাহিৰলৈ যাওঁতে, ছেগ বুজি ধনৰাজে মুৰ্গীজনী মাৰি খাই পেলালে। ঘৰলৈ ঘূৰি আহি ঘনশ্যামে দেখিলে তেওঁৰ মুৰ্গী নোহোৱা হৈছে। সেয়েহে ঘনশ্যামে ধনৰাজৰ ঘৰলৈ গৈ সুধিলে, "তুমি মোৰ মুৰ্গীজনী কি কৰিলা? সঁচা কথা কোৱা।"

"ভাই, মোৰ মেকুৰীটোৱে ক'ৰবাৰপৰা এজনী মুৰ্গী ধৰি আনিছিল। সি মুৰ্গীজনীৰ ডিঙিত কামুৰিব খুজিছিল, মই তাইক বচাব খুজিলো, কিন্তু কিনো কম? মুৰ্গীজনী মৰি থাকিল। লোভত মই তেতিয়া মুৰ্গীজনী ৰান্ধি খাই পেলালো। সেইজনী যে তোমাৰ মুৰ্গী আছিল মইনো জানিম কেনেকৈ কোৱা-চোন।" ধনৰাজে উত্তৰ দিলে।

এই কথা শুনি ঘনশ্যামে খঙত একো নাই হৈ ক'লে, "তুমি মোৰ মুৰ্গীজনী ঘূৰাই দিবা নে মই ৰজাৰ ওচৰত গৈ অভিযোগ কৰোঁগৈ?"

ধনৰাজে ভয় খালে। কিয়নো ৰজাই সদায়ে ন্যায় বিচাৰৰ সপক্ষে মাত মাতিছিল। ধনৰাজৰ নিশ্চয় কাৰাবাস হ'ব বা তেওঁ

২৫ বছৰৰ পূৰ্বে চান্দমামাত প্ৰকাশিত কাহিনী

জৰিমনা ভৰিব লাগিব। সেয়েহে তেওঁ ভাবিলে যিকোনো উপায়েৰে হ'লেও ঘনশ্যামৰ লগত বুজাবুজিলৈ অহাই ভাল হ'ব। সেই কথা ভাবি তেওঁ নিজৰ ঘৰৰপৰা এটা হাঁহ আনি ঘনশ্যামৰ হাতত তুলি দি ক'লে, "ভাই, তোমাৰ মুৰ্গীৰ বিনিময়ত এই হাঁহজনী তুমি লৈ যোৱা।"

সুন্দৰ মুৰ্গী এজনীৰ ঠাইত এজনী হাঁহ পাই ঘনশ্যাম নিৰাশ হ'ল যদিও, আৰু কাজিয়া কৰিবলৈ ইচ্ছা নকৰি তেওঁ হাঁহজনীকে লৈ ঘৰলৈ গ'ল। কেইদিনমানৰ পাছত হাঁহজনীয়ে কণী পাৰিলে। বৰষুণৰ বতৰ আছিল। এদিন ৰাতি ধাৰাষাৰ বৰষুণ হৈ আছিল। তেতিয়া এজন ফকীৰ আহি ধনৰাজৰ দুৱাৰত টুকৰিয়ালেহি।

"কোন? অসময়ত মোক আমনি কৰিছা কিয়? এই সময়ত দুৱাৰ খুলিবলৈ আহিব কোন? যোৱা।" ধনৰাজে খঙেৰে কথাখিনি ক'লে।

ফকীৰে ওচৰতে থকা ঘনশ্যামৰ দুৱাৰত টুকৰিয়ালে। ঘনশ্যামে দুৱাৰ খুলি দিলে। তেওঁ ফকীৰক স্নেহেৰে ভিতৰলৈ মাতিলে, শুকান কাপোৰ দিলে, শৰীৰ সেকিবলৈ জুই ধৰি দিলে। হাঁহৰ দুটা কণী সিজাই ফকীৰক খাবলৈ দিলে।

"বোপাই, হাঁহৰ এই কণী খুব ভাল। চাঁওচোন, তোমাৰ হাঁহজনীনো কেনে-কুৱা?" ফকীৰে ঘনশ্যামক সুধিলে। ঘনশ্যামে হাঁহজনী আনি ফকীৰৰ হাতত তুলি দিলে।

"বোপাই, ভগৱানে তোমাৰ মংগল কৰিব।" এইবুলি কৈ ফকীৰে হাঁহজনীৰ ওপৰত হাত ফুৰালে আৰু তাৰ পাছত হাঁহজনী পুনৰ



ঘনশ্যামৰ হাতত তুলি দিলে। তেতিয়ালৈ বৰষুণ এৰাত ফকীৰে ঘনশ্যামৰ-পৰা বিদায় লৈ ক'ৰবালৈ গুচি গ'ল।

তাৰ পাছদিনাৰেপৰা হাঁহজনীয়ে সোণৰ কণী পাৰিবলৈ আৰম্ভ কৰিলে। লাহে লাহে ঘনশ্যামৰ দৰিদ্ৰতা নাইকিয়া হ'ল। ঘনশ্যামে মজদুৰী কৰিবলৈ এৰি দিলে, লগতে আৰামেৰে খাই বৈ যিখিনি বাচি থাকে, সেইখিনি দান হিচাপে দিবলৈ ধৰিলে। কিন্তু তেওঁ সেই পুৰণি জুপুৰীটোতে থাকি গ'ল।

এদিন ধনৰাজে নিজেই দেখিলে যে ঘনশ্যামে হাঁহজনী থোৱা পাচিটোৰ ভিতৰৰ-পৰা এটা সোণৰ কণী উলিয়াইছে। ঈৰ্ষাত ধনৰাজৰ চকুৰ টোপনি নোহোৱা হ'ল। হাঁহজনী যিহেতু এদিন ধনৰাজৰেই আছিল, সেয়েহে তেওঁৰ ঈৰ্ষা দুগুণে বাঢ়িল।

ধনৰাজে এটা কথা ভালকৈ জানিছিল যে তেওঁ হাঁহজনী ঘূৰাই খুজিলেও ঘনশ্যামে কেতিয়াও নিদিব।

সেয়েহে ধনৰাজে নিজৰ দুজন ভৃত্যক লগত লৈ পোনে পোনে ৰাজসভালৈ গ'ল আৰু ৰজাৰ আগত অভি-যোগ কৰিলে, "মহাৰাজ, মোৰ প্ৰতিবেশী ঘনশ্যামে প্ৰতিদিনে মোৰ একোজনীকৈ হাঁহ চুৰ কৰি নিয়ে। মই ভাবিছিলো মোৰ হাঁহবোৰ নিশ্চয় হেপাই চুৰ কৰি নিয়ে। কিন্তু কালি ঘনশ্যামে মোৰ হাঁহ এজনী চুৰ কৰি নিয়া ইহঁত দুটাই নিজ চকুৰে দেখিছে। সেয়েহে মহাৰাজক অনুৰোধ কৰিছো মোৰ হাঁহজনী যাতে মোক ঘূৰাই দিয়াৰ ব্যৱস্থা কৰা হয়।"

ৰজাই এজন সৈনিক পঠিয়াই ঘনশ্যামক হাঁহজনীৰ সৈতে ৰাজসভালৈ মতাই আনিলে।

"তুমি কালি ৰাতি ধনৰাজৰ ঘৰৰপৰা এই হাঁহজনী চুৰ কৰি অনা বুলি মই শুনা কথাটো সঁচানে?" ৰজাই ঘনশ্যামক সুধিলে। ঘনশ্যামে বুজি পালে যে হাঁহজনীয়ে সোণৰ কণী দিয়া কথাটো ধনৰাজে গম পাইছে, সেয়েহে তেও এই মিছা অভিযোগ আনিছে। ঘনশ্যামে ক'লে, "মহাৰাজ! মই চুৰি কৰা নাই। এই হাঁহজনী ধনৰাজৰেই। কিন্তু কেইদিনমান আগতে তেওঁ মোৰ মুৰ্গীজনী মাৰি খাই পেলাইছিল আৰু তাৰ বিনিময়ত মোক এই হাঁহজনী দিছিল।"

"মহাৰাজ! এওঁ গোকাট মিছা কথা কৈছে। কালি এওঁক চুৰি কৰা মোৰ দুই ভৃত্যই নিজ চকুৰে দেখিছে। কিন্তু এওঁ কোৱা কথাৰ সাক্ষী কোন?" ধনৰাজে ক'লে।

ৰজাই এইবুলি কৈ তেওঁলোক দুয়োকে বিদায় দিলে যে "সদ্যহতে এই হাঁহজনী মোৰ

ওচৰতে থৈ যোৱা। কাইলৈ পুনৰ আহিবা, তেতিয়া মই তোমালোকক ন্যায় প্ৰদান কৰিম।"

সেইদিনাও হাঁহজনীয়ে ৰাজভৱনত সোণৰ কণী পাৰিলে। ৰজাই নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে। ৰজাই ভাবিলে যে এই ৰহস্য নিশ্চয় দুয়োজনেই জানে, কিন্তু তেওঁলোকৰ মুখৰপৰাই কথাটো উলিয়াব লাগিব।

পিছদিনা ধনৰাজ আৰু ঘনশ্যাম সময়মতে ৰাজসভাত উপস্থিত হ'লহি।

ৰজাই ধনৰাজক এটা সাধাৰণ কণী দেখুৱাই সুধিলে, "তোমাৰ হাঁহজনীয়ে বাৰু এই কণীটোৰ সমান ডাঙৰ কণী পাৰেনে?"

"নহয় মহাৰাজ, ইয়াতকৈ ডাঙৰ কণী পাৰে।" ধনৰাজে উত্তৰ দিলে। ৰজাই একেটো প্ৰশ্নকে সুধিলে ঘনশ্যামক।

"মহাৰাজ, মোৰ হাঁহজনীয়ে এলাপেচা কণী নিদিয়ে। বৰঞ্চ মোৰ হাঁহজনীয়ে নিতৌ একো-টাকৈ সোণৰ কণী পাৰে।" ঘনশ্যামে ক'লে।

ধনৰাজে নিজৰ বুদ্ধিমত্তাৰ পৰিচয় দিবলৈ গৈ ক'লে, "এইটো তেনেই হাস্য-কৰ কথা, মহাৰাজ! হাঁহেনো ক'ৰবাত সোণৰ কণী পাৰিব পাৰেনে? আচলতে হাঁহজনী এওঁৰ নহয়েই।"

"তুমি সঁচা কথাই কৈছা। এইজনী তোমাৰেই হাঁহ। তুমিয়েই হাঁহজনী লৈ যোৱা।" এইবুলি কৈ ৰজাই এজনী সাধাৰণ হাঁহ ধনৰাজৰ হাতত দি তেওঁক বিদায় দিলে।

ঘনশ্যামে এই কথা ভাবি চিন্তাত তাতে থিয় হৈ থাকি ভাবিলে যে তেওঁৰ প্ৰতি অন্যায় কৰা হৈছে। তেতিয়া ৰজাই তেওঁক সান্ত্বনা দি ক'লে, "ঘনশ্যাম তুমি চিন্তা নকৰিবা। তোমাৰ হাঁহজনী মোৰ ওচৰতে আছে। এই হাঁহজনীয়ে সোণৰ কণী নাপাৰে। তোমাৰ হাঁহজনীয়ে সোণৰ কণী পাৰে কেনেকৈ? ইয়াৰ ৰহস্য কি?"

ঘনশ্যামে ফকীৰৰ গোটেই কাহিনীটো ৰজাক ক'লে। ঘনশ্যামৰ কথা শুনি ৰজা আচৰিত হ'ল। তেওঁ একো নভবাকৈ ঘনশ্যামক হাঁহজনীৰ সৈতে ৰাজভৱনতে থাকি যাবলৈ ক'লে।

ধনৰাজে যিজনী হাঁহ লৈ গৈছিল, সেই হাঁহজনীয়ে সাধাৰণ কণী পাৰিবলৈ ধৰিলে। যেতিয়া তেওঁ গম পালে যে ঘনশ্যামে ৰাজভৱনত চাকৰি পাইছে, তেতিয়া তেওঁ ভাবিলে যে তেওঁ নিজৰ অসৎ কৰ্মৰ যথাযথ শাস্তি পাইছে।




চিত্ৰ : গান্ধী অয্যা
25
অপৰাজেয় গৰুড়
আদিত্য ধীৰসেনৰ লগত সূৰ্যপুৰীলৈ যায় য'ত তেওঁ বজ্ৰপুৰীক ঘেৰি ধৰিবলৈ সিদ্ধান্ত লয়। এই কালছোৱাৰ ভিতৰতে আদিত্যক হঠাতে মন্দিৰ স্থললৈ ঘূৰি যাবলৈ কোৱা হয় য'ত ৰজা মানৱেন্দ্ৰৰ ইচ্ছা অনুসাৰে অৰুণাৰ সৈতে তেওঁৰ বিবাহ সম্পন্ন হয়।
মন্দিৰৰ পৰা বাহিৰ ওলাই অহাৰ সময়ত...
মহাৰাজ, মোক নিজৰ লক্ষ্য প্ৰাপ্তিৰ বাবে বজ্ৰপুৰীলৈ যাবলৈ আজ্ঞা দিয়ক। মই দুই তিনিদিনৰ ভিতৰতে আপোনালোকৰ লগ লাগিম।
আদিত্যই তেওঁৰ উদ্দেশ্য পূৰা কৰাটো গুৰুত্বপূৰ্ণ কথা।
আশা কৰো ৰাজকুমাৰ আমাৰ মাজলৈ সোনকালেই ঘূৰি আহিব।
তুমি নিজৰ লক্ষ্যপথত আগ বাঢ়িব পাৰা। অৰুণাই সন্মতি দিয়ে যদি তেওঁ মোৰ লগতে যাব পাৰে।
আদিত্য আৰু ৰাজগুৰুৱে ৰজা আৰু অৰুণাক বিদায় দিয়ে।
বুদ্ধিমত্তাসম্পন্ন সিদ্ধান্ত লোৱাৰ বাবে আমি সকলো ৰজাৰ প্ৰতি কৃতজ্ঞ হোৱা উচিত।
মোৰ দুখ লাগিছে অৰুণা এতিয়া অকলে যাবলগীয়া হ'ল।
আমি আশা ৰাখিছো বজ্ৰপুৰীত ৰজা বিক্ৰমসিংহই আত্মসমৰ্পণ কৰিব। মই ৰক্তপাত হোৱাটো নিবিচাৰো। মই ঘূৰি অহাৰ পাছত আমি দুয়ো চন্দ্ৰপুৰীলৈ ঘূৰি যাম।
আদিত্য, তোমাৰ এই যাত্ৰাত তুমি বিজয় প্ৰাপ্ত কৰা। মই ইয়াৰ কাম সম্পূৰ্ণ কৰাই দিম।

শিবিৰৰ ওচৰ পোৱাৰ লগে লগে আদিত্যই দেখিলে এটা গৰুড় শিবিৰৰ ওপৰেদি উৰি আছে।
ই মোক সাৱধান কৰিবলৈকে আহিছে নেকি?
মোৰ সুৰক্ষাৰ প্ৰশ্ন লৈ তুমি চিন্তিত, নহয় জানো?
গৰুড় আদিত্যৰ কান্ধত বহি পৰে।
যেতিয়ালৈকে তুমি মোৰ সুৰক্ষাৰ বাবে থাকিবা, মোৰ কোনো চিন্তা নাই।
তম্বুত প্ৰবেশ কৰি আদিত্যই দেখে যে পুষ্পৰাজ আৰু ধীৰসেনে কথা পাতি আছে।
আমি চন্দ্ৰপুৰীৰপৰা সেনা ঘূৰাই আনিম। ৰবীন্দ্ৰদেৱৰ বিষয়ে...
তেওঁক সোনকালেই আমাৰ হাতত সঁপি দিব লাগিব। আহ! ৰাজকুমাৰ আদিত্য আহিল।
গৰুড়ৰ মাত শুনি ভিতৰত থকা সকলোৱে ভয় খায়।
এটা গৰুড়! ই মোলৈ তধা লাগি চাই আছে কিয়?
হঠাতে গৰুড়ই আদিত্যৰ কান্ধৰপৰা জাঁপ মাৰি আক্ৰমণ কৰিবলৈ চেষ্টা কৰে।
হাৰে! বচোৱা! বচোৱা!


আদিত্য আচৰিত হয়।
তেওঁক এৰি দিয়া।
গৰুড়ই নিজৰ পাখিৰে মন্ত্ৰীক প্ৰহাৰ কৰে।
আদিত্য! মই তোমাৰ আদেশ পালন কৰিম। ইয়াক তুমি লৈ যোৱা।
সন্ত্ৰস্ত পুষ্পৰাজে বজ্ৰপুৰীৰদ্বাৰা ৰচিত ষড়যন্ত্ৰৰ কথা স্বীকাৰ কৰে।
মোৰ ৰজা নৰেন্দ্ৰদেৱৰ কৃতজ্ঞ আৰু তেওঁৰ পুত্ৰক চন্দ্ৰপুৰীৰ সিংহাসনত বহোৱাবলৈ সহায় কৰিব খোজে। তেওঁক সেই পাহাৰৰ গুহালৈ ঘূৰি যাবলৈ কোৱা হৈছে।
তুমি নিজকে ধীৰসেনৰ হাতত সমৰ্পণ কৰা। ৰবীন্দ্ৰদেৱক মই চাই লম।
অকলে নাযাবা। তোমাৰ লগত মোৰ সৈনিক-সকলক লৈ যোৱা।
তেওঁক সূৰ্যপুৰীত বন্দী কৰা। মই গুহাৰ মন্দিৰলৈ যাওঁ আৰু ৰজা তথা ৰবীন্দ্ৰদেৱৰ দুয়োকে ধৰোগৈ।

ৰজা বিক্ৰমসিংহ তথা ৰবীন্দ্ৰ-দেৱ এক গুপথেদি জংঘলত প্ৰবেশ কৰেগৈ।
আমি গুহাৰ মন্দিৰলৈ যাবৰ কাৰণে দুটা ঘোঁৰা লম।
পথৰ শেষত...
বিপদকালৰ বাবে ঘোঁৰাশাল! আমাক দুটা ঘোঁৰা লাগে।
হয়, মহাৰাজ।
ৰজা আৰু ৰবীন্দ্ৰদেৱ ঘোঁৰাৰ পিঠিত উঠি পাহাৰৰ গুহালৈ যায়।
গুহাৰ মন্দিৰত।
পিতা! এইটো চুই দিয়াৰ লগে লগে হ'ল। ৰজাই গুপ্ত পথ জানিছিল।
এতিয়া তেওঁ সুৰক্ষিত। আদিত্যই মোক তেওঁৰ হাতত গতাই দিবলৈ কৈছিল।
এতিয়া, আপ্তপুৰুষ, এতিয়া তুমি আদিত্যক মাৰিবলৈ তোমাৰ গুৰুৰ যি শক্তিয়েই আহ্বান কৰিব পাৰা কৰা।
নিশ্চয়, মই এতিয়াই মন্দিৰলৈ যাম।
আমি ধীৰসেনক বিশ্বাস কৰিছিলো, কিন্তু...তেওঁ আমাৰ শত্ৰু আদিত্যৰ লগ লাগিল! মই এতিয়া ঘূৰি যাওঁ।
...আৰু দুয়োকে শিক্ষা দিওঁগে। ৰবীন্দ্ৰ, তোমাৰ পিতাৰাক ভালকৈ চোৱা চিতা কৰা আৰু মোৰ বাৰ্ত্তালৈ অপেক্ষা কৰা।
ক্ৰমশঃ



Watch the worlds of wizardry and fantasy come together
The next issue of Chandamama brings you a special treat in the form of a CD containing performances by two leading artists in children's entertainment.
Watch the spellbinding Magician Mohare perform mind-boggling tricks, and get enthralled as Master Storyteller Jeeva Raghunath brings Chandamama stories to life with her magical voice.
Reserve a copy with your vendor now or write to us at:
Chandamama India Limited
JVL Plaza, 6th Floor, 626 (Old 501) Anna Salai Teynampet, Chennai – 600018.
Tel: (044) 24334455 | Email: chandamama@chandamama.com
CHANDAMAMA

সংবাদ বিচিত্ৰা



আনকি মালয়ালমও

তামিল আৰু তেলুগু ভাষাৰ শিক্ষা দিয়া জেৰুজালেমৰ হিব্ৰু বিশ্ববিদ্যালয়ে ইয়াৰ পাঠ্যক্ৰমত মালয়ালম ভাষাও অন্তৰ্ভুক্ত কৰিছে। যোৱা কেইটামান বছৰত প্ৰায় ২০০০০ ইহুদি লোকে ক'চিনৰপৰা ইজৰাইললৈ প্ৰব্ৰজন কৰাৰ পাছতে এই সিদ্ধান্ত লোৱা হয়। ভাৰতীয় অধ্যয়ন বিভাগৰ চেয়াৰমেন শ্ৰী যুহানন গ্ৰীচপনে কয়, "দক্ষিণ ভাৰতৰ গৌৰৱময় সংস্কৃতিৰ কথা বুজিবলৈ মালয়ালম হ'ল এটা গুৰুত্বপূৰ্ণ ভাষা। মই সোনকালেই এই ভাষা সলসলীয়াকৈ ক'ব পাৰিম বুলি আশা কৰিছো।"

গীনিজ বুকত মন্দিৰ

জনপ্ৰিয়ভাৱে অক্ষৰধাম নামেৰে জনাজাত নতুন দিল্লীৰ এটা হিন্দু মন্দিৰে গীনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডচত স্থান পোৱা প্ৰথম হিন্দু ধৰ্মীয় স্থানৰ মৰ্যাদা লাভ কৰিছে। "ধৰ্মীয় গাঁথনি" শীৰ্ষক বিভাগৰ অধীনত লাভ কৰা প্ৰতিষ্ঠিত অক্ষৰধামক "বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ হিন্দু মন্দিৰ চৌহদ"বুলি কোৱা হৈছে। মন্দিৰৰ কেউফালে থকা সুবিশাল ঘাঁহনিয়ে ৮৬,৩৪২ বৰ্গ কি.মি. কালিৰ এলেকা জুৰি আছে। মন্দিৰটো ৩৫৬ ফুট দীঘল, ৩১৬ ফুট বহল আৰু ১৪১ ফুট ওখ। এটা প্ৰৱিষ্টিৰ বাবে অনুমোদন দিয়াৰ আগতে গীনিজ বুকৰ প্ৰতিনিধি দলটোৱে মন্দিৰটোৰ স্থাপত্য পৰিকল্পনা অধ্যয়ন কৰি ভাৰত আৰু বিদেশৰ আন বৃহৎ মন্দিৰবোৰৰ সৈতে তুলনা কৰিবলৈ তিনি মাহ সময় লয়।

স্বামীনাৰায়ণ সংস্থানৰ মূৰব্বী স্বামী মহাৰাজক এই মৰ্মে মানপত্ৰ প্ৰদান কৰা হয় যোৱা বছৰৰ ১৭ ডিচেম্বৰ তাৰিখে। তেওঁকো লগতে, "সৰ্বাধিক মন্দিৰ প্ৰতিষ্ঠাত আগ ভাগ লোৱা ব্যক্তি," হিচাপে স্বীকৃতি দিয়া হয়। ১৯৭১ চনৰপৰা ২০০৭ চনৰ ভিতৰত পাঁচখন মহাদেশত মুঠ ৭১৩টা মন্দিৰ স্থাপনত তেওঁ আগ ভাগ লোৱাৰ কৃতিত্ব আছে।

ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান

ছত্ৰপতি শিৱাজী টাৰ্মিনাছ

মুম্বইৰ ছত্ৰপতি শিৱাজী টাৰ্মিনাছৰ বাহিৰে বোধকৰো পৃথিৱীৰ ক'তো এনেকুৱা ৰে'লৱে ষ্টেছন নাই যিটোৱে নেকি ইউনেস্ক'ৰ বিশ্বৰ ঐতিহ্যমণ্ডিত স্থানৰ তালিকাত স্থান পাইছে। আগেয়ে ভিক্টোৰিয়া টাৰ্মিনাছ বা চমুকৈ ভি.টি. নামেৰে জনাজাত চি.এচ.টি হ'ল সঁচাই ঐতিহ্যমণ্ডিত। ইয়াৰ নিৰ্মাণকাৰ্য আৰম্ভ হৈছিল ১৮৮৮ চনত আৰু সেই কাম শেষ কৰা হয় তাৰ দহ বছৰৰ পাছত। ফ্ৰেডেৰিক উইলিয়াম ষ্টিভেন্‌ছ নামৰ এজন স্থপতিয়ে ইয়াৰ আৰ্হি প্ৰস্তুত কৰিছিল। তেতিয়া ইয়াৰ বাবে কোনো মডেল তৈয়াৰ কৰা হোৱা নাছিল, কেৱল এলেক্স হাৰ্মেন নামৰ এজন ড্ৰাফ্‌ট্‌ছমেনে ৱাটাৰকালাৰত ইয়াৰ এক স্কেট্‌চ্ছ তৈয়াৰ কৰিছিল। এই ঠিকাটো পোৱাৰ পাছত ষ্টিভেন্‌ছে দহ মাহৰ বাবে ইউৰোপ ভ্ৰমণ কৰিছিল আৰু ইউৰোপৰ বিভিন্ন ৰে'লৱে ষ্টেছনলৈ গৈ সিবিলাকৰ এক বিশদ অধ্যয়ন কৰিছিল। সেই সময়ত ভাৰতত সম্ৰাজ্ঞী মহাৰাণী ভিক্টোৰিয়াৰ নামত এই ষ্টেছনটোৰ নামকৰণ কৰা হৈছিল। এই নামটো সলনি কৰা হয় ১৯৯৬ চনত যেতিয়া মহাৰাষ্ট্ৰ চৰকাৰে বিখ্যাত মাৰাঠা শাসক ছত্ৰপতি শিৱাজীৰ নামেৰে ইয়াৰ নামকৰণ কৰে।

ইটালীয়ন গ'থিক আৰু পৰম্পৰাগত ভাৰতীয় স্থাপত্যৰ সংমিশ্ৰণত এই ভৱনৰ আৰ্হি প্ৰস্তুত কৰা হৈছিল। কোৱা হয় ইয়াৰে প্ৰায়বোৰ কাম কৰিছিল বম্বে স্কুল অৱ আৰ্টচৰ বিদ্যাৰ্থীসকলে।

ভাৰতৰ অন্যতম ব্যস্ত ৰে'লৱে ষ্টেছন চি.এছ.টিক বিশ্বৰ ঐতিহ্যমণ্ডিত স্থানৰ মৰ্যাদা দিয়া হয় ২০০৪ চনৰ ২ জুলাই তাৰিখে। ইউনেস্ক'ৰ বিশ্বৰ ঐতিহ্যমণ্ডিত স্থান নিৰ্বাচন কমিটিয়ে কয়, "এই ষ্টেছনে প্ৰদৰ্শন কৰে বিভিন্ন প্ৰভাৱৰ অপূৰ্ব সংমিশ্ৰণ।"

চান্দমামা কুইজ-১ ফেব্ৰুৱাৰী ২০০৮ উত্তৰসমূহ:

আমাৰ অসমীয়া সংস্কৰণৰ কোনো প্ৰৱিষ্টিতে আটাইবোৰ শুদ্ধ উত্তৰ পোৱা নগ'ল। সেয়েহে কোনো পুৰস্কাৰ দিয়া হোৱা নাই। আমাৰ পাঠকসকলৰ সুবিধাৰ্থে, কুইজ-১২ৰ উত্তৰসমূহ দিয়া হৈছে। চান্দমামা কুইজ প্ৰতিযোগিতাত অবিৰতভাৱে ভাগ লৈ থাকিবা, এই আশাৰে।

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?



KALANIKETAN BALU

KALANIKETAN BALU

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা তলৰ ঠিকনাত: ।
ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, জে ভি এল প্লাজা, ষষ্ঠ মহলা, ৬২৬ (পুৰণি ৫০১), আন্না চালাই, টিনামপেট, চেন্নাই - ৬০০ ০১৮. এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব । পুৰস্কাৰ পাওঁতা জনৰ নাম জুন সংখ্যাত প্ৰকাশ কৰা হ'ব।

ফেব্ৰুৱাৰী সংখ্যাৰ পুৰস্কাৰ বিজেতা

অংগিৰা
মাৰফৎ: জ্যোতি শইকীয়া বৰুৱা
পূৱ বঙালপুখুৰী
যোৰহাট-৭৮৫০০১
অসম

বিজয়ী প্ৰৱিষ্টি

অম্লান আমাৰ হাঁহি।
কন্যা সন্তান আমি॥

ভাৰতৰ বিষয়ে জানি লোৱাৰ উত্তৰসমূহ:

১.চন্দ্ৰগুপ্ত বিক্ৰমাদিত্য; ২.কাঞ্চীপুৰম;
৩.উপগুপ্ত; ৪.উইলিয়াম জ'নচ্; ৫.কুষাণসকল।

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501), Anna Salai, Teynampet, Chennai - 600 018. Editor : B. Viswanatha Reddi (Viswam)

VALOUR & ADVENTURE
HUMOUR & MYSTERY
MORALS & HEROES

Enthralling stories of six decades come together in one incomparable collection



20% OFF!

The Chandamama
60th Anniversary Collectors Edition

Limited Copies!
HARDCOVER
MRP: Rs 449

You pay: Rs 360 only!
Includes shipping and handling

CHANDAMAMA
COLLECTORS EDITION

Take a trip down memory lane with the magazine's oldest editors, discover the beginnings of Chandamama and view some of the most memorable cover art across the decades.

Just fill in and mail the order form below to avail of a **20% DISCOUNT** on the 60th Anniversary Collectors Edition

I want a copy of the Chandamama Collectors Edition.

Name ....

Address ....

City .... State .... Pin ....

Telephone .... Mobile .... Email ....

Enclosed Cheque/DD for Rupees ....

Cheque/DD no .... Favouring **Chandamama India Ltd**

on .... bank. *(Send At-Par cheques or add Rs 60 for non-Chennai cheques)*.

Please mail the order form to :

Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501) Anna Salai Teynampet, Chennai – 600 018.
Tel: (044) 24334455 Telefax: 24322103 Email: chandamama@chandamama.com Web: www.chandamama.com

*This offer is valid until 31st May '08 only. Allow 3 weeks for delivery.

CHANDAMAMA (Assamese) April 2008 RNI No. 30278/76. Regd No. TN/CC(S)Dn/157/06-08
Licensed to post WPP - Inland No.TN/CC(S)Dn/80/06-08, Foreign No. 81/06-08